# Assam Legislative Assembly Debates

## OFFICIAL REPORT

BUDGET SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE FIFTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

**VOLUME II**

**No. 5**

**The 18th June, 1973**

1989

PRINTED AT THE PAPLOO PRINTERS
JORHAT

## DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

**Vol. II**

**No. 5**

The 18th June, 1973

### CONTENTS


| | | Pages |
|---|---|---|
| 1. | Questions .... ... .... | 6—44 |
| 2. | Voting on Demands for Grants .... .... | 45—97 |
| 3. | Statement by the Minister Revenue ... .. | 97—103 |
| 4. | Calling Attention Notice under Rule 54 of the rules of Procedure and Conduct of Business in Assam Legislative Assembly .... .... | 103—103 |
| 5, | Half-an-hour discussion under rule 49 of the rules of Procedure and conduct of Business in Assam Legislative Assembly ... .. | 108—119 |
| 6. | Adjournment .... .... ... | 119 |


—x—

# Assam
# Legislative Assembly Debates

## OFFICIAL REPORT

VOLUME

NO.

The 18th June, 1973

**Proceedings of The Fifth Session of the Assam Legislative Assembly assembled after the Fifth General Elections under Sovereign Democratic Republican Constitution of India**

The Assembly met in the Assembly Chamber, Dispur Guahati at 10 A. M. on Monday, the 18th June, 1973

PRESENT

Shri G. C. Rajbangshi B.L. Dy. Speaker, in the chair, 12 (twelve) Ministers 3 (three) Ministers of State, and 75 ( seventyfive) members.

## STARRED
## QUESTIONS AND ANSWERS

(To which oral replies were given)

Pending Starred Question No. 165

Shri Bishnu Prasad (Minister of State, F. C. &. I etc) : Sir, with your permission I want correct the reply,

১। ১০ খন গাৱত পানী যোগন ধৰিব পৰা যাব।

২। নলাটো নাহৰজান বাগানৰ এটা প্ৰায় ৪০·৫০ ফুট ওখ টিলাৰ মাজেৰে গৈছে।

৩। নলাটোৰ দৈৰ্ঘ্য ৮·১৬ কিলোমিটাৰ।

৪। ১৯৭০-৭১ চনৰ পৰা শিলাভটা জান আৰু কাকচাংৰ ওপৰত শিলৰ ভেটা দি ৩০ একৰ মাটিত পানী যোগান ধৰা হৈছে। কাকচাঙ নৈৰ মূখ্য আঁচনিৰ পৰা এতিয়াও পানী যোগান ধৰিব পৰা নাই।

৫। পূৰ্ব্বতে এই আঁচনিৰ বাবে ১১,৭৯০০০ টকা ধাৰ্য্য কৰা হৈছিল। ১৯৭১ চনত এই আঁচনিৰ বাবে ১৩, ৫৪, ৪০০ টকাৰ এখন সংশোধিত প্ৰাককলন কৰা হৈছিল।

শ্ৰীনগেন বৰুৱা : মন্ত্ৰী মহোদয়ে কৈছে যে ১৯৬২·৬৩ চনত এই আঁচনি লোৱা হৈছিল, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰোনে যে ১৯৬২ চনৰপৰা এই প্ৰজেক্টটো অকামিলা হৈ পৰি থকাৰ কাৰণ কি ?

শ্ৰীবিষ্ণু প্ৰসাদ : মই বৰা ডাঙৰীয়াৰ প্ৰশ্নৰ উত্তৰত কৈছিলো যে কুচ ৰেগুলেটৰ তৈয়াৰ হোৱা নাছিল আৰু সেইটো ডিফেকটিভ আছিল কাৰণে এচ-ইৰ যোগেদি সেইটো ঠিক কৰিবলৈ চেষ্টা কৰা হৈছিল।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী : এই যে পানী যোগান ধৰা হৈছে এইটো প্ৰত্যেক সমষ্টিতে নেকি ?

( উত্তৰ নাই )

শ্ৰীসোনেশ্বৰ বৰা : যি ঠাইত নলা বহুৱা হল সেই ঠাই যি ঠাইৰ ওচৰলৈ নলা কাটি পানী বোৱাব লগীয়া হল সেই ঠাই প্ৰজেক্টৰ পৰা কিমান ওখ ?

শ্ৰীবিষ্ণু প্ৰসাদ : ৪০-৪৫ ফুট।

শ্ৰীনগেন বৰুৱা : এই প্ৰজেক্ট কৰাৰ আগতে তাৰ চাৰ্ভে কৰিছিল নে নাই আৰু যদি কৰিছিল কোনে কৰিছিল ?

শ্ৰীবিষ্ণু প্ৰসাদ : আঁচনিখন লোৱা হৈছিল ১৯৬২-৬৩ চনতে কিন্তু চাৰ্ভে আদি তথ্য সংগ্ৰহ কৰাৰ ব্যৱস্থা কৰা হৈছিল যদিও সকলো বিলাক ঠিক নোহোৱাৰ কাৰণে পৰ্য্যালোচনা কৰি চাবৰ কাৰণে ইতিমধ্যে এচ-ইৰ যোগেদি ব্যৱস্থা কৰা হৈছিল।

শ্ৰীপ্ৰেমধৰ বৰা : ১৯৬২-৬৩ চনতে আৰম্ভ হোৱা এই আঁচনিখন কেতিয়া সম্পুৰ্ণ হব বুলি চৰকাৰে ভাৱে ?

শ্ৰীবিষ্ণু প্ৰসাদ : কোৱালিটি কন্ট্ৰোলৰ ৰিপৰ্ট পোৱাৰ পিচতহে বুজা যাব।

শ্ৰীনগেন বৰুৱা : ১৯৬২-৬৩ চনৰ পৰা কোৱালিটি কন্ট্ৰোলাৰ পৰীক্ষা আদি নকৰাই ইমানদিনে কিয় অকামিলা কৰি ৰাখিলে ১৯৭০-৭১ চন পৰ্য্যন্ত আৰু বাৰ লাখ টকা খৰচ কৰা হল অথচ পানী এটোপাও নোলাল।

শ্ৰীবিষ্ণু প্ৰসাদ : ইতিমধ্যে ১৯৭১ চনত ধাৰ্য্য কৰা এঘাৰ লাখ উনআশী হাজাৰ টকাৰ ভিতৰত এঘাৰ লাখ চৌসত্তৰ হাজাৰ দুশ একচল্লিশ টকা খৰচ কৰা হৈছে আৰু ৪৫ ফুট পাহাৰৰ মাটি খান্দি নলা কাটি পানী নিয়া হৈছে কিন্তু ওচৰৰ মাটি খহি অহাৰ ফলত কাম বন্ধ হোৱা বাবে নতুন সংশোধিত আকাৰত কৰিবলৈ ব্যৱস্থা কৰা হৈছে।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা : উপাধ্যক্ষ মহোদয়, কথা হৈছে এই প্ৰজেক্টটো আৰম্ভ কৰা হৈছিল ১৯৬২-৬৩ চনত। আজি ১৯৭৩ চনত পালেই। প্ৰায় বাৰ বছৰ হল। এই বাৰ বছৰৰ পিচত যে এতিয়া এই প্ৰজেক্টৰ ডিফেক্ট থকা কথা ওলাল ইয়াৰ আগতে ইমান টকা খৰচ কৰা হ'ল আৰু সেই ডিফেক্টৰ কাৰণে যিখিনি বিষয়া দোষী সেই সকলৰ ওপৰত শাস্তিমুলক ব্যৱস্থা লবনে ?

শ্ৰীবিষ্ণু প্ৰসাদ : মুঠ ধাৰ্য্য কৰা ধনৰ পৰিমাণ আছিল এঘাৰ লাখ উনআশী হাজাৰ টকাৰ ভিতৰত এঘাৰ লাখ চৌসত্তৰ হাজাৰ দুশ একচল্লিশ টকা খৰচ ইতিমধ্যে হলেই আৰু কাম প্ৰায় সৰহ ভাগেই হৈছে পিছে কন্ট্ৰোল ৰিপোৰ্ট পোৱাৰ পিচতহে যি গৰাকী বিষয়াৰ দোষী হব তেওঁৰ ওপৰত বিহিত ব্যৱস্থা লব পৰা হব।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা : ১৯৭১ চনলৈকে প্ৰায় বাৰ লাখ টকা খৰচ কৰা হল তথাপিও অকামিলা হৈয়েই ৰ'ল এইটো এটা ওৱেষ্টেজ বুলি চৰকাৰে নাভাবেনে ?

শ্ৰীবিষ্ণু প্ৰসাদ : কাকচাওৰ কাম থিনি অলপ ডিফেকটিভ হৈছে সেই কাৰণে পানী যোগান ধৰিব পৰা নাই।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা : প্ৰজেক্টটোৰ সেইটোৱেই মূল অংশ। ১৯৬২-৬৩ চনৰ পৰা প্ৰায় বাৰ লাখ টকা খৰচ কৰা হল এইটো অনাহকত খৰচ কৰা বুলি চৰকাৰে নাভাবেনে ?

শ্ৰীবিষ্ণু প্ৰসাদ : অনাহকত খৰচ হোৱা নাই বুলি ভাবে।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা : যদি ভাবে তেন্তে পানী যোগান কিয় ধৰিব পৰা নাই ?

শ্ৰীবিষ্ণু প্ৰসাদ : পানী যোগান ধৰিব পৰাৰ কাৰণে আশা ৰাখিছো।

শ্ৰীগিয়াচুদ্দিন আহমদ : আঁচনি খনৰ কাম আৰম্ভ কৰাৰ আগতে জৰীপৰ কাম আৰম্ভ কৰিছিলনে ?

শ্ৰীবিষ্ণু প্ৰসাদ : সেইটো বৰ্ত্তমান হাতত নাই।

শ্ৰীনগেন বৰুৱা : মন্ত্ৰী ডাঙৰীয়াই কৈছে যে এইটো ডিফেকটিভ হোৱাৰ কাৰণে কোৱালিটি কণ্টোলক দিয়া হল তদন্ত কৰিবলৈ কিন্তু এতিয়া কথা হল যি সকল তাৰ লগত জড়িত আছিল আৰু ঠিকাদাৰ যি বিলাক আছিল সেই বিলাকে ভালভাবে কাম নকৰাৰ কাৰণে এই কাম অকামিলা হল বুলি মন্ত্ৰী ডাঙৰীয়াই কব নে ?

শ্ৰীবিষ্ণু প্ৰসাদ : এইটো তদন্ত কৰিবলৈ দিয়া হৈছে আৰু তদন্ত ৰিপোৰ্ট পালে কব পৰা হব।

শ্ৰীমতী ৰেণুকা দেৱী বৰকটকী : মই ৰাজ্যিক মন্ত্ৰী ডাঙৰীয়াক এটা কথা সুধিব খুজিছো যে ইতিমধ্যে প্ৰায় বাৰলাখ টকা খৰচ কৰিও চিতকুচ ৰেগুলেটৰ কাৰণে কাম কৰিব পৰা নাই আৰু তাৰ কাৰণে কোৱালিটি কণ্ট্ৰোলক দিয়া হৈছে তদন্তৰ কাৰণে। এতিয়া মই সুধিব বিচাৰিছো যে কুচ ৰেগুলেটৰ ঠিক কৰিবলৈ আৰু পানী পাহাৰৰ পৰা বগৰাই দিয়াৰ ব্যৱস্থাৰ কাৰণে আৰু কিমান টকা খৰচ কৰিব লাগিব এই প্ৰজেক্টৰ কাৰণে ?

শ্ৰীবিষ্ণু প্ৰসাদ : ইয়াৰ কাৰণে এঘাৰ লাখ চৌসত্তৰ হাজাৰ দুশ একচল্লিচ টকা খৰচ কৰা হৈছে আৰু ১৯৭১ চনত ৰিভাইজড্ স্কীমত চৌধ লাখ টকা ধৰা হৈছে।

শ্ৰীমতী ৰেণুকা দেৱী বৰকটকী : তাৰ ভিতৰত কুচ ৰেগুলেটৰ কৰা আৰু পানী অনা কাম হবনে ?

শ্ৰীবিষ্ণু প্ৰসাদ : সংশোধিত প্ৰাক্কলনত সেই ব্যৱস্থা আছে।

## Re : Wholesale Trade in Wheat

Shri Dulal Chandra Barua asked :

*175. Will the Chief Minister be pleased to state—

a) Whether it is a fact that the wholesale trade in wheat will be taken over by the Government with effect from June, 1973 ?

b) Whether similar action is contemplated by Government with regard to rice and paddy and other essential foodstuffs ?

c) What is the financial implication for the proposed take over of the wholesale trade in wheat,

d) Whether the wholesale trade in wheat will be carried through the monopoly Agency or by the Government itself with the help of the existing Supply staff ?

Shri Sarat Chandra Sinha (Chief Minister) replied :

175. (a)—The wholesale trade in wheat and wheat products has been taken over by Government with effect from 1st June, 1973.

b)—Taking over wholesale trade in rice and paddy from the 1973-74 Kharif Season, is under consideration of the Government.

c`—It is estimated that approximately Rs. 47.77 lakhs will be required by the wholesale Co-operatives for keeping 15 days stock of wheat products with them.

d) The wholesale trade in wheat and wheat products will be carried out through wholesale Co-operative Societies.

Shri Dulal Chandra Barua : In reply to 175 (b) Hon. Chief Minister has stated that taking over of rice and paddy and other food-stuffs is under consideration of the Government. May I know from the Chief Minister why Government did not consider it fit to give priority of these items over wheat in view of the fact that our stable food-stuff here in this State is rice only ?

Shri Sarat Chandra Sinha (Chief Minister) : That was considered but the Khariff season will start from November when whole-sale trade on kharif crops will be taken over.

Shri Dulal Chandra Barua : In reply to 175 (d) the Chief Minister has stated that the wholesale trade in wheat and wheat products will be carried out through wholesale co-operatives. May I know whether to meet the situation such coperatives have already been organised ?

Shri Sarat Chandra Sinha (Chief Minister) : Some co-operatives are already in operation and if more such co-operatives are necessary they will be organised.

Shri Dulal Chandra Barua ; May I know from the Chief Minister whether it is not a defective policy of Government to organise the co-operatives after the wheat trade is

taken over, as unless the co-operatives are organised first in the different district and subdivisional levels, taking over of wheat trade is not likely to be successful ?

Shri Sarat Chandra Sinha (Chief Minister): Co-operatives which are in operation are adequate to deal with the wheat trade. So far as rice and paddy are concerned, more co-operative societies will be organised and will be sufficiently equipped to meet the situation.

Shri Giasuddin Ahmed : In view of the fact that success of the wholesale trade will be dependent on the co-operative societies concerned, whether Government has adopted any measure to streamline the co-operative societies ?

Shri Sarat Chandra Sinha (Chief Minister ): Government is taking steps to streamline the Co-operative societies.

Shri Atual Chandra Saikia : May I know from the Government who is going to finance the sum of Rs. 47.77 lakhs to the wholesale co operatives-whether by the Government itself or by some Bank, if by some Bank, what is the name of the Bank or Banks.

Shri Sarat Chandra Sinha (Chief Minister): Co-operatives will be financed partly by the Apex Bank, partly by the co-operatives themselves and partly by the State Government.

Shri Atual Chandra Saikia : What is the rate of interest ?

Shri Sarat Chandra Sinha : At the usual rate.

Shri Kabir Chandra Rai Pradhani : Whether Government

is aware of the fact that some of the Marketing societies engaged in the wholesale trade are not in a position to lift their respective allotment for shortage of funds ?

Shri Sarat Chandra Sinha (Chief Minister): Funds have been arranged for all the societies.

Shri Premadhar Bora: Financial involvement in the wholesale trade is estimated to be Rs. 47.77 lakhs. May I know what will be the estimated profit ?

Shri Sarat Chandra Sinha (Chief Minister) : Profit can be ascertained only after the scheme is put through.

Shri Renuka Devi Barkataki : Till yesterday the Co-operative societies and Co-operative movement was condemned by the Govt specially by the C.M.
Now to carry on the wholesale trade of this golden crop, wheat by the co-operatives have become very pious a noble. Anyway Sir, May I know from the Government now after 18 days of taking over of the wholesale trade of wheat, whether this trade is carried on entirely by the co-operatives or a part of the trade has been given to private parties or mill owners ?

Shri Sarat Chandra Sinha ( Chief Minister ) : It has been taken up entirely by the co-operatives. So far as the co-operative movement is concerned I did not condemn the co-operative movement as such, but I only condemned the acts of some individuals connected with some co-operative societies.

Shri Dulal Chandra Barua : Sir, in reply to the question put by the Hon. Member Shri Atul Chandra Saikia, Hon. Chief Minister had stated that the Cooperatives will be financed partly by the Apex Bank, partly by the co-operatives themselves and partly by the State Government. In this connection Sir, may I know whether Government is aware of the fact that there is not even a single co-operative society which is financially sound to bear the capital cost as suggested by the Chief Minister, and if so, will he please give us the break-up of financial assistance sought to be given to the co-operatives ?

Shri Sarta Chandra Sinha ( Chief Minister ) : Some of the co-operatives are financially strong enough. With request to the break-up of financial assistance, we expect to get from the Apex Bank Rs. 36.76 lakhs and then from the Cooperative societies] Rs. 5.5 lakhs as margin money with expectation to raise it up to Rs. 7.3 lakhs and the balance will be provided by the State Government.

Shri Giasuddin Ahmed : What is meant by wheat—the whole wheat or the resultant atta or both ?

Shri Sarat Chandra Sinha ( Chief Minister ) : Wheat means wheat and the resultant product is atta. The Govt. have taken over the trade not only on wheat but also on wheat products.

শ্ৰীকেহোৰাম হাজৰীকা : যিবিলাক সমবায়ক এতিয়া হোলচেলৰ দায়িত্ব লবলৈ দিয়া হৈছে, সেইবিলাকৰ বহুতেই আগতে টকা পইছা মিচ এপ্ৰোপ্ৰিয়েট কৰিছিল। আনকি দগা-পাল্লাও বেচি খাইছিল। গতিকে সেইবিলাক সমবায়ক আকৌ

হোলচেলৰ দায়িত্ব দিলে ফেইল নকৰিবনে ? যদি কৰাৰ কথা চৰকাৰে ভাবে তেন্তে নতুনকৈ সংগঠন কৰাৰ ব্যৱস্থা কৰিবনে ।

শ্ৰীশৰত চন্দ্ৰ সিংহ ( মূখ্যমন্ত্ৰী ) : উপাধ্যক্ষ মহোদয়, মাননীয় সদস্যই যি সমস্যাৰ কথা উত্থাপন কৰিছে দুই এখন সমবায়ৰ ক্ষেত্ৰত সেইটো নোহোৱা নহয়। কিন্তু আমি সমবায় বিলাক নতুনকৈ সংগঠন কৰি যাতে তেনেকুৱা কৰিব নোৱাৰে তাৰ ব্যৱস্থা কৰা হব ।

St. Q. 176 not put the hon.member being absent.

মাননীয় উপাধ্যক্ষ : একেলগে দুজন তিনিজন মাননীয় সদস্যই উথি প্ৰশ্ন কৰিলে ৰিপৰ্টাৰ সকলৰ অসুবিধা হয় কাৰণ কোন জনক অনুমতি দিয়া হয় আগতে ধৰা টান কেতিয়াবা হয়টো যাক অনুমতি দিয়া হয় তেখেতৰ প্ৰশ্ন লিখাই নহয় পিচত সুৰঁৰি লিখিব লগা হয় । গতিকে যাৰ নাম কোৱা হয় সেইজন সদস্যইহে যেন প্ৰশ্ন কৰে ।

শ্ৰীমতী ৰেণুকাদেবী বৰকটকী : সেইকাৰণেই আমি ঠিয়হে আপোনাৰ দৃষ্টি আকৰ্ষণ কৰো ।

Shri Giasuddin Ahmed : Sir, there is one Point of Order regarding your kind ruling. The hon.members stand on their legs to catch the eyes of the hon.Speaker. Will you kindly spread your eyes towards all the members so that the intending members can catch your eyes easily. ( Laughter ).

Mr. Deputy Speaker : Yes, Yes.

## বিঃ ঘেঁহুৰ পৰিমাণ

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানীয়ে সুধিছে :

*১৭৭। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) আমাৰ চৰকাৰে ১৯৭১-৭২ চনত মুঠ কিমান ঘেঁহু কিনিছিল আৰু ভাৰত চৰকাৰক কিমান মূল্যত দিছিল ?

(খ) ক্ৰয় কৰা ঘেঁহু কি পৰিমাণে অসমলৈ আমদানি হ'ল আৰু কি পৰিমাণে বিক্ৰী কৰি কিমান ধন পালে ?

(গ) এই ঘেঁহু কলা বজাৰত বিক্ৰী কৰা কথাটো চৰকাৰে জানেনে ?

(ঘ) এই ঘেঁহু অসমৰ বাহিৰলৈ যোৱাৰ তথ্য চৰকাৰে গম পায়নে ?

(ঙ) এই সম্পৰ্কে চৰকাৰে তদন্ত কমিটি গঠন কৰিবনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১৭৭। (ক)—১৯৭১-৭২ চনত নৱেম্বৰ, ১৯৭১ ৰ পৰা অক্টোবৰ, ১৯৭২ চনলৈ চৰকাৰৰ পক্ষৰ পৰা কোনো ঘেঁহু কিনা হোৱা নাই।

(খ)-(ঙ)— উপৰোক্ত (ক) প্ৰশ্নোত্তৰৰ সাপেক্ষত এই বিলাক প্ৰশ্ন নুঠে।

শ্ৰীকবীৰ চন্দ্ৰ ৰয় প্ৰধানী ঃ অধ্যক্ষ মহোদয়, এই সম্পৰ্কত যোৱা বছৰত কেইবাখনো গাড়ী ডিপাৰ্টমেণ্টে ডিটেক্ট কৰাৰ কথাটো মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীশৰত চন্দ্ৰ সিংহ ঃ এইটো মোৰ নটিচলৈ অহা নাই।

Starred question No. 178 was not put the member being absent.

**Re : Land acquired for temporary Capital at Dispur**

Shrimati Renuka Devi Barkataki asked:

*179. Will the Minister Revenue be pleased to state—

(a) How many acres of land have been acquired so far by the Government for the purpose of temporary Capital Construction at Dispur, Gauhati?

(b) What is the rate of compensation fixed by the Government per bigha?

(c) When the payment of land is going to be made?

(d) Whether there is any proposal to acquire more private land?

Shri Paramananda Gogoi (Minister, Revenue) replied :

179. (a)—15B—3K—8L. of land has been acquired so far by the Government for the purpose of temporary Capital at Dispur.

(b)—Rupees 17,000/- and Rs, 20,000/- per bigha according to classification of land.

(c)—Payment is being made.

(d)—Yes.

Re : Land for Temporay Capital

Shrimati Renuka Devi Barkataki asked :

*192. Will the Minister, Revenue be pleased to state—

(a) Whether the plot of land on which the Temporary Capital is being constructed belongs to Government ?

(b) Whether Government has acquired private land to complete the construction of the capital ?

(c) If so, what are areas of Government land and private land acquired for Capital construction ?

Shri Paramananda Gogoi (Minister, Revenue) replied :

192. (a)—A part of the land belongs to Government.

(b)—Yes.

| | B. | K. | L. |
|---|---|---|---|
| (c)—(i) Government land measuring an area of | 3 | 4 | 11 |
| (ii) Gauhati Development authority's land | 253 | 4 | 5 |
| (iii) Privatel and measuring | 15 | 3 | 8 |
| | 1 | 4 | 5 |
| | 113 | 4 | 4 |
| Total | 131 | 2 | 1 |

Starred question. No. 179 and 192 taken together.

Shri Dulal Chandra Barua : Sir, question Nos. 179 and 192 taken together ?

Mr. Deputy Speaker : Yes, Yes.

Shrimati Renukadevi Barkataki : Sir, the Minister has said that Compensation for land is being paid to private parties and along with that he has also said that there is a proposal to acquire more private lands. May I know what will be the actual expenditure on land to be acquired for the purpose of capital construction ?

Shri Paramananda Gogoi (Minister) : We have not yet finalised the acquisition proceedings. Only in respect of private lands measuring 15 B-3-K-8L an amount of Rupees 17,000/- and 20,000/- per bigha is being made for ordinary and bustil ands respectively. The others are still pending.

Shrimati Renukadevi Barkataki : What is the approximate expenditure the Govt. has finalised to be spent on land for the construction of the temporary capital ?

Shri Paramananda Gogoi (Minister) : It will be very difficult for me to answer often. The Revenue Deptt. is still working on it.

Shrimati Renukadevi Barkataki : Whether the Govt. has placed unlimited resource to acquire land for temporary capital ?

Shri Sarat Chandra Sinha (Chief Minister) : No Sir.

Shrimati Renukadevi Barkataki : What is the limit of allocation the Govt. has fixed for acquisition of lands ?

Shri Sarat Chandra Sinha (Chief Minister) : There is no allocation for land Sir.

Shri Dulal Chandra Barua : Whether the Govt. has prepared any project under any head of account ? Since there are different heads under which head what amount Govt. propose to spend for land acquisition ?

Shri Sarat Chandra Sinha (Chief Minister): It will be better if a separate question is put for that.

Shri Autul Saikia ; Should we understand that this is a temporary capital ?

Shri Sarat Chandra Sinha ( Chief Minister ) : It is quite a new question.

Shri Giasuddin Ahmed : Who are the owners of these private lands ? Whether they are cultivators or town dwellers ? If ther are cultivators whether instead of giving them compensation does Govt. consider to give them similar lands elsewhere for cultivation ?

Shri Paramananda Gogoi (Minister) : So far as this 15B-3K-8L is concerned it is a very small portion of lands and I do not know exactly whether they are cultivators or not. This area in question does not belong to one. In one place it may one 1 bigha and in another 4b and odd.

Shri Giasuddin Ahmed : Whether there is any such private

owners who become landless? If So, whether they have been provided with similar lands elsewhere for cultivation purposes?

Shri Paramananda Gogoi (Minister): They are given adequate compensation at the rate mentioned earlier so that they can purchase some lands elsewhere.

Shrimati Renuka Devi Barkataki : I have asked to give an account of the total area of land to be taken from the private parties for the capital construction. May I know from Minister how much land Govt. is going to acquire from the private parties?

Shri Paramananda Gogoi (Minister): In answer to 192 (c) I have said that 131b-2k-1L have been acquired from the private parties out of which 15b-3k-8L has been finalised and other are yet to be finalised.

Shri Dulal Chandra Barua : For this capital project what will be total area of land to be required?

Shri Sarat Chandra Sinha (Chief Minister): That is a new question.

Shrimati Renuka Devi Barkataki: Sir, I would like to put a question that the poor people who are affected by this acquisition wanted an alternative arrangement for land and at that time when approached the Chief Minister gave a Press Note stating that no more lands will be taken away from private praties for capital construction. Now, may we know under what circumstances the Govt. to going to acqire more lands from the private parties?

Shri Sarat Chandra Sinha (Chief Minister): Due to exigency that has arisen.

Shrimati Renuka Devi Barkataki: Sir, may I know from the Hon'ble Chief Minister why it was not decided earlier about the requirement of land and the amount involved therein:

Shri Sarat Chandra Sinha (Chief Minister): Sir, that arises according to the exigencies of the situation. As I have stated, this is not Static, In such cases when the process of work continues, it may expand.

Shri Dulal Chandra Barua: Sir, are we to understand that this was done without any plan and programme?

Shri Sarat Chandra Sinha (Chief Mtnister): That is not true, Sir. That was according to the plan and programme.

Shri Dulal Chandra Barua: Sir, if it is so, then all these things should have taken into consideration. May I know from the Hon'ble Chief Minister whether Government have taken any steps at the time of preparing the project report about the requirement of land and the amount involved therein?

Shri Sarat Chandra Sinha (Chief Minister): Sir, that was taken in to consideration. As I have stated that this is not static and in such cases when the process of work continues it may expand, according to the requirement.

Shri Giasuddin Ahmed: Sir, two sets of words are used -one is temporary and the other one is purely temporary.

May I know Sir, what is the difference between the two ?

Shri Sarat Chandra Sinha (Chief Minister): Sir, grammatically "Purely temporary" is wrong, but factually it is correct.

Shrimati Renuka Devi Barkataki : Sir, may I know from the Hon'ble Chief Minister whether Govt's requirement of land depends upon the manipulation of the influential officers ?

Shri Sarat Chandra Sinha (Chief Minister): No, Sir. That is not correct.

## বিঃ পিচপৰা অঞ্চলৰ মহিলা

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰে সুধিছে :

*১৮০। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) পিচপৰা অঞ্চলৰ মহিলা সকলৰ উন্নয়নৰ বাবে সমাজ কল্যাণ বিভাগৰ পৰা কি ব্যৱস্থা গ্ৰহণ কৰা হৈছে ?

(খ) সমাজ কল্যাণ বিভাগৰ পৰা মহিলা প্ৰশিক্ষণ আৰু উৎপাদন কেন্দ্ৰ খোলাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (সমাজ কল্যাণ মন্ত্ৰী) য়ে উত্তৰ দিছে :

১৮০। (ক)—পিচপৰা অঞ্চলৰ মহিলা সকলৰ উন্নয়নৰ কাৰণে সমাজ কল্যাণ বিভাগৰ পৰা বিশেষ আঁচনি গ্ৰহণ কৰা হোৱা নাই।

(খ) তলত উল্লেখ কৰা শ্ৰেণীৰ মহিলা সকলৰ কাৰণে যি তিনিটা (৩) নাৰীগৃহ, সমাজ কল্যাণ বিভাগৰ দ্বাৰা পৰিচালিত কৰা হয় তাৰ লগতে সেই বিশেষ শ্ৰেণীৰ মহিলা সকলৰ কাৰণে প্ৰশিক্ষণ আৰু উৎপাদন কেন্দ্ৰ দুটা খোলা হৈছে—

| নাৰীগৃহ | মহিলা শ্ৰেণী | প্ৰশিক্ষনৰ বিষয় |
|---|---|---|
| ১। ৰাজ্যিক নাৰীগৃহ, নগাওঁ। | (ক) জেল-মুক্ত নাৰী কয়দী, | (ক) তাঁত শিল্প, |

(খ) আশ্ৰয়হীনা নাৰী (খ) দৰ্জিৰ কাম

(গ) পুতলা তৈয়াৰী কৰা শিল্প,

(ঘ) উলৰ আৰু বেজীৰ কাম।

২। ৰাজ্যিক নাৰীগৃহ জালুক বাৰী (ক) পতিতা আৰু সমাজ বহিভুৰ্ত নাৰী (ক) পুতলা তৈয়াৰী কৰা শিল্প,

(খ) চামৰাৰ কাম।

৩। নিৰাশ্ৰয়া নাৰীগৃহ, জালুক বাৰী (ক) আশ্ৰয়হীনা দুৰ্ভগীয়া নাৰী আৰু আশ্ৰয়হীনা বিধবা (ক) তাঁত বোৱা শিল্প,

(খ) দৰ্জিৰ কাম

(গ) উলৰ আৰু বেজীৰ কাম,

ইয়াৰ ওপৰিও শিলচৰ কেন্দ্ৰীয় আশ্ৰয় গৃহ যিটো সমাজ কল্যাণ বিভাগৰ জৰিয়তে পৰিচালিত বাসিন্দা সকলক তলত উল্লেখ কৰা বিষয় দুটাত প্ৰশিক্ষণ দিয়া হয়—

(১) তাঁত শিল্প, (২) দৰ্জিৰ কাম।

শ্ৰীমতী আনোৱাৰা টাইমুৰ : মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ মন্ত্ৰী মহোদয়ে কৈছে যে, সেই বিশেষ শ্ৰেণীৰ মহিলাসকলৰ কাৰণে তিনিটা প্ৰশিক্ষণ আৰু উৎপাদন কেন্দ্ৰ খোলা হৈছে। যি তিনিটা নাৰীগৃহ সমাজ কল্যাণ বিভাগৰ দ্বাৰা খোলা হৈছে এই নাৰীগৃহ কেইটা কিমান চনত খোলা হৈছিল এইটো মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (মন্ত্ৰী) : উপাধ্যক্ষ মহোদয়, ইয়াৰ সঠিক তাৰিখ মোৰ হাতত নাই।

শ্ৰীমতী আনোৱাৰা টাইমুৰ : মাননীয় উপাধ্যক্ষ মহোদয়, যি সকল আশ্ৰয়হীনা ঘুৰি ফুৰা মহিলা সেইসকল মহিলাক আশ্ৰয়হীনা মহিলা হিচাবে অসমৰ বিভিন্ন জেগাৰ পৰা বুটলি আনি এই ষ্টেট হমত ৰক্ষা হয়। এই যি তিনিটা উৎপাদন কেন্দ্ৰ আৰু প্ৰশিক্ষণ কেন্দ্ৰ খোলা হৈছে তাৰ স্থাপন কৰাৰ তাৰিখ বহুত পুৰণি ইয়াৰ পিছত সমাজ কল্যাণ বিভাগে বহুতো টকা খৰছ কৰিছে। মই মাননীয়

মন্ত্ৰী মহোদয়ৰ পৰা এইটো কথা জানিব পাৰোনে যে, আমাৰ সমাজৰ নিবনুৱা মহিলা সকলৰ প্ৰতি লক্ষ্য ৰাখি তেনেকুৱা কিবা প্ৰশিক্ষণ আৰু উৎপাদন কৰা কেন্দ্ৰ কৰিবৰ কাৰণে কিবা নতুন আঁচনি আমাৰ চৰকাৰৰ আছেনে আৰু যদি তেনেকুৱা কোনো আঁচনি নাই তেনেহলে, তেনেকুৱা আঁচনি কৰাৰ কাৰণে চৰকাৰে ব্যৱস্থা কৰিবনে ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (মন্ত্ৰী) : উপাধ্যক্ষ মহোদয়, সমাজ কল্যাণ বিভাগৰ ফালৰ পৰা নিবনুৱা মহিলা সকলৰ কাৰণে তেনে কোনো আঁচনি গ্ৰহণ কৰা হোৱা নাই। এই বিভাগৰ ফালৰ পৰা যিসকল বিপদগ্ৰস্তা আৰু আশ্ৰয়হীনা নাৰী সেইসকলৰ কাৰণেহে ব্যৱস্থা কৰা হয়।

শ্ৰীমতী আনন্দীবালা ৰাভা : মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ মাননীয় মন্ত্ৰী মহোদয়ে এইটো জনাবনে যে, এই চাৰিটা নাৰীগৃহত কিমান জনী আশ্ৰয়হীনা আৰু বিপদগ্ৰস্তা নাৰীক আশ্ৰয় দিয়া হৈছে ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (মন্ত্ৰী) : মাননীয় উপাধ্যক্ষ মহোদয়, এইটো হিচাব মোৰ হাতত নাই।

শ্ৰীমতী আনন্দীবলা ৰাভা : মাননীয় উপাধ্যক্ষ মহোদয়, এইটো এটা 'ৰেলিভেণ্ট' প্ৰশ্ন হিচাবেও মন্ত্ৰীমহোদয়ে জনাব পাৰিলেহেঁতেন। প্ৰত্যেকটো নাৰীগৃহতে কিমান গৰাকীকৈ মহিলা থাকিব পাৰে এইটো জনাবৰ কাৰণে মাননীয় মন্ত্ৰীমহোদয়ে এইটো প্ৰশ্ন পেণ্ডিং কৰি ৰাখিব লাগে। আৰু এটা প্ৰশ্ন হৈছে যে, এতিয়ালৈকে নাৰীগৃহ বিলাকত আৰু উৎপাদন কেন্দ্ৰ বিলাকত যি বিলাক বস্তু উৎপাদন হয় সেই উৎপাদিত বস্তুবিলাক বিক্ৰী কৰি দিয়া হয়নেকি আৰু যদি বিক্ৰী কৰি দিয়া নহয় তেতিয়াহলে, সেই বস্তুবিলাক কি হিচাবে খৰছ কৰা হয় সেইটো আমাক মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম ( মন্ত্ৰী ) : মাননীয় উপাধ্যক্ষ মহোদয়, এই কেন্দ্ৰবিলাকত উৎপাদিত বস্তুবিলাক সেই কেন্দ্ৰবিলাকতেই বিক্ৰী কৰি দিয়া হয়। সেইবোৰ বস্তু বজাৰত বিক্ৰী কৰাৰ কাৰণে তেনেকুৱা কোনো আঁচনি চৰকাৰৰ নাই। এই বস্তুবিলাক কিধৰণে ব্যৱহাৰ আৰু বিক্ৰী কৰিব পাৰি সেইবিষয়ে অহা পঞ্চবাৰ্ষিক পৰিকল্পনাত চিন্তা কৰি চোৱা হব।

**M. A. Jalil Choudhury :** স্যার, সরকার আজ পর্যন্ত যেসব প্রশ্নের উত্তর দিয়েছেন, তা আমরা তাৎপর্যপূণ্ বলে ভাবিনা, এই তিনটা আশ্রম কবে সৃষ্টি হয়েছে ? এই তিনটা আশ্রমে কতজন স্ত্রীলোক আছেন এবং ভবিষ্যতে এগুলিকে সরকারের হাতে নেওয়ার কি কোন পৰিকল্পনা আছে ?

**Shri Uttam Chandra Brahma ( Minister ) :** এই সব আশ্রম কয়েক ৰৎসর আগে স্থাপিত হয়েছে, বিশেষ করে দেশ বিভাগের পর যখন সাম্প্রদায়িক দাঙ্গা তখন থেকে এই মহিলাদের রক্ষার দায়িত্ব আমরা আমাদের হাতে নেই। কতজন আছেন যে প্রশ্নের উত্তরে আমি আগেও ৰলেছি যে বর্ত্তমানে এই হিচাৱ আমার হাতে নাই।

**Maulana Abdul Jalil Chaudhuri :** हमारे राज्य में कितनी आश्रयहीना औरतें हैं और उनके लिये जो तीन केंन्द्र बनाये गये है, उनमें कुल कितनी आश्रयहीन औरतें हैं ?

**Shri Uttam Chandra Brahma :** हमारे राज्य में कितनी आश्रयहीन औरतें है, उसका हिसाब हमारे पास नही हैं ।

শ্ৰীমতী তৰুলতা বৰা : উপাধ্যক্ষ মহোদয়, যেহেতুকে প্ৰত্যেক জিলাতে এনে ধৰণৰ আশ্ৰয়হীনা আৰু বিপদগ্ৰস্তা মহিলা আছে, গতিকে প্ৰত্যেক কেন্দ্ৰতে কেন্দ্ৰ খোলাৰ ব্যৱস্থা চৰকাৰে কৰিবনে ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম : সেই সম্পৰ্কে পঞ্চম পৰিকল্পনাত যদি সম্ভৱ হয়, তেন্তে আঁচনি কৰাৰ কাৰণে চিন্তা কৰিছো।

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ : উপাধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনাইছে যে পিচপৰা আৰু আশ্ৰয়হীনা মহিলা সকলৰ কাৰণে সমাজকল্যান বিভাগৰ পৰা আচুতীয়া আঁচনি গ্ৰহণ কৰা নাই আমাৰ জনজাতীয় মহিলাসকল শিক্ষাই-দীক্ষাই আন মহিলা সকলতকৈ পিচপৰা, এই কথালৈ লক্ষ্য ৰাখি জনজাতীয় মহিলাসকলৰ হস্তশিল্পৰ প্ৰশিক্ষণ আৰু উৎপাদন কেন্দ্ৰ বিশেষভাবে খুলিবৰ কাৰণে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিবনে ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম ( সমাজকল্যান মন্ত্ৰী ) : সমাজকল্যান বিভাগৰ পৰা তেনে আঁচনি গ্ৰহণ কৰা নাই আৰু ভৱিষ্যতেও কৰাটো সম্ভৱ নহব বুলি মই ভাবোঁ।

শ্ৰীপ্ৰেম বৰা : জেলমুক্ত নাৰী, আশ্ৰয়হীনা নাৰী আৰু পতিতা নাৰীৰ কাৰণে সমাজকল্যান বিভাগৰ পৰা আঁচনি কৰা হৈছে, আমাৰ যিসকল বিধবা আছে সেইসকলৰ কাৰণে কিবা ফলপ্ৰসু আঁচনি চৰকাৰে কৰিবনে ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম ( মন্ত্ৰী সমাজকল্যান বিভাগ ) : বিধবাসকল যদি আশ্ৰয়হীনা হয় তেন্তে তেওঁলোকে প্ৰশিক্ষণ আৰু উৎপাদন কেন্দ্ৰত কাম কৰিব পাৰিব।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী : উপাধ্যক্ষ মহোদয়, আশ্ৰয়হীনা বুলিলে দুটা পৰ্য্যায় হয়, এটা হৈছে স্বামীৰ আশ্ৰয়হীন আৰু আনটো হৈছে সম্পত্তিৰ আশ্ৰয়হীন, কিন্তু আশ্ৰয়হীনা বিধবা মহিলা শ্ৰেণীৰ কথাটো বেলেগ। এই ক্ষেত্ৰত মই মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব খোজোঁ যোৱা কেইবাবছৰৰ আগতে মই বিধান সভাৰ সন্মুখত অনশন কৰিছিলোঁ, আজি হয়তো মোক বিধানসভাত হাঁহিব পাৰে, কিন্তু বিধবা সকলৰ অন্তৰৰ বেথা আৰু বেদনা কোনেও উপলব্ধি কৰিব নোখোজে। তেওঁলোকে পেটৰ দায়ত শ্ৰমিক কাম কৰি চলিব লগা হৈছে। অনশণ ভঙ্গকৰাত চৰকাৰে তেওঁলোকৰ উন্নতিৰ কাৰণে চৰকাৰে প্ৰতিশ্ৰুতি দিয়া স্বত্বেও কিয় তেওঁ-লোকৰ উন্নতিৰ কাৰণে চৰকাৰে কোনো আঁচনি কৰা নাই এই কথাৰ জবাব দিবনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰী ) : উপাধ্যক্ষ মহোদয়, নাৰীসকলৰ উন্নতিৰ দুটা ধাৰা আছে, এটা হৈছে সামাজিক আৰু আনটো হৈছে অৰ্থনৈতিক, এইমতে তেওঁলোকৰ সামাজিক উন্নতি হৈছে। কিন্তু অৰ্থনৈতিক উন্নতিৰ পথত কিছু জটিলতা আছে। অৰ্থনৈতিক উন্নতিৰ কাৰণেও চেষ্টা চলোৱা হৈছে। বিধবা সকল বৰ্তমান সমাজ ব্যৱস্থাৰ তলত পৰি থকাৰ কাৰণে, তেওঁলোকৰ উন্নতিৰ কাৰণে আৰু দুখীয়ালোকসকলৰ উন্নতিৰ কাৰণে কাৰ্যক্ৰমৰ ব্যৱস্থা কৰা হৈছে। আৰু বৰ্তমান সেই কাৰ্য্যক্ৰমৰ অন্তৰ্ভুক্ত হৈ আছে।

শ্ৰীগজেন তাঁতি ( মন্ত্ৰী ) : উপাধ্যক্ষ মহোদয়, "দেয়াৰ ইজ এ পইণ্ট অব অৰ্দাৰ''— প্ৰধানী ডাঙৰীয়াই কুলি বুলি কোৱা কথাটো আনপাৰ্লিয়ামেণ্টৰি হৈছে, সেইটো উঠাই লব লাগে।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী : উপাধ্যক্ষ মহোদয়, সেইটো মই উঠাই লৈছো আৰু শ্ৰমিক বুলি কৈছো।

শ্ৰীৰেণুকা দেৱী বৰকটকী : উপাধ্যক্ষ মহোদয়, মই এটা কথা মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে ২১ টা আশ্ৰম, মহিলা গৃহ, নাৰী গৃহ খোলাৰ কথা চৰকাৰে কৈছে পঞ্চম পৰিকল্পনাত হয়তো আৰু নাৰী গৃহ কৰা হব, কিন্তু মন্ত্ৰী মহোদয়ে এই কথা জানেনে যে বয়সীয়া মহিলা সকলে কাম আৰু শ্ৰম কৰি খায় কিন্তু দেকা মহিলা সকল হোটেলে হোটেলে যায় ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম ( মন্ত্ৰী ): সেইটো ইনফৰমেশ্যন মোৰ নাই।

## বি: মজলীয়া উদ্যোগ

শ্ৰীনগেন্দ্ৰ বৰুৱাই সুধিছে :

১৮১। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমত হৈ যোৱা চাৰিটা যোজনাত কেইটা মজলীয়া উদ্যোগ গঢ়ি তোলা হ'ল আৰু এই সময়ছোৱাত চৰকাৰে পৰিকল্পনা আয়োগৰ ওচৰত কি কি মজলীয়া উদ্যোগ অসমত স্থাপনৰ প্ৰস্তাৱ কৰিছিল ?

(খ) কেন্দ্ৰীয় চৰকাৰে অসমত এতিয়ালৈকে কিবা উদ্যোগ স্থাপনৰ প্ৰস্তাৱ কৰিছে নে ?

(গ) তেলৰ বাহিৰে অন্য ধৰণৰ বৃহত উদ্যোগ স্থাপনৰ বাবে অসম চৰকাৰৰ কিবা প্ৰস্তাৱ আছিলনে নাইবা বৰ্ত্তমান ৫ম যোজনাৰ বাবে অসমৰ কিবা প্ৰস্তাৱ আছেনে ?

শ্ৰীমহম্মদ ইদ্ৰিচ (উদ্যোগ মন্ত্ৰীয়ে) উত্তৰ দিছে :

১৮১। (ক)—অসমত হৈ যোৱা চাৰিটা যোজনাত গঢ়ি উঠা মজলীয়া উদ্যোগৰ এখন তালিকা সদনৰ মেজত ৰখা হৈছে।

এই উদ্যোগ সমূহ গঢ়ি তুলিবলৈ পৰিকল্পনা আয়োগৰ ওচৰত প্ৰস্তাৱ দিয়াৰ নিয়ম নাছিল।

(খ)—হয়, কৰিছে ।

(গ)—হয়, আছিল। ৫ম যোজনাৰ কাম এতিয়াও ঠিৰাং হোৱা নাই ।

শ্ৰীনগেন্দ্ৰ বৰুৱা : উপাধ্যক্ষ মহোদয়, মই চৰকাৰৰ পৰা জানিব বিচাৰিছো যে চাৰিটা যোজনাৰ কালত কিমান মজলীয়া যোজনা গঢ়ি উঠিছে আৰু কিমান মৰিছে ?

শ্ৰীমহম্মদ ইদ্ৰিচ (উদ্যোগ মন্ত্ৰী) : কিমান গঢ়ি উঠিছে তাৰ এখন তালিকা সদনৰ মেজত দিয়া হৈছে আৰু কিমান মৰিছে সেই তালিকা মোৰ হাতত নাই।

শ্ৰীসোণেশ্বৰ বৰা : উপাধ্যক্ষ মহোদয়, ১৩৪ টা তালিকাখনত পাইছো, মন্ত্ৰী মহোদয়ে এই উদ্যোগ প্ৰতিস্থাপক সকলৰ স্থায়ী আৰু অস্থায়ী ঠিকনা বিতংকৈ জনাবনে ?

শ্ৰীমহম্মদ ইদ্ৰিচ (মন্ত্ৰী) : বেলেগাই প্ৰশ্ন কৰা হলে উত্তৰ দিব পৰা হলহেতেন।

শ্ৰীসোণেশ্বৰ বৰা : যিসকলক উদ্যোগ কৰিবলৈ দিয়া হল সেইসকল উদ্যোগ পতিয়ে উদ্যোগ বিলাকত নিজৰ কিমান ধন খৰচ কৰিছে আৰু চৰকাৰে কিমান দি সহায় কৰিছে ?

শ্ৰীমহম্মদ ইদ্ৰিচ (মন্ত্ৰী) : এইবিলাকৰ বেছিভাগেই ব্যক্তিগত পুজিঁৰ দ্বাৰা গঢ়ি উঠিছে, দুই এটাত হয়তো চৰকাৰৰ ফালৰপৰা ঋণ আদি পাৰটিচিপেশ্যন আছে।

শ্ৰীঅতুল চন্দ্ৰ শইকীয়া : উপাধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰণৰা জানিব বিচাৰিছো যে অসমত পৰিচালনাধীন যিবিলাক নিগম আছে সেই নিগম বিলাকত মজলীয়া উদ্যোগ সৃষ্টি কৰিছে, সেইবিলাক চৰকাৰে ব্যক্তিগত মানুহৰ হাতলৈ হস্তান্তৰ কৰাৰ নীতি গ্ৰহণ কৰিছিল নেকি ? যদি কৰা নাই তেন্তে বদৰপুৰৰ চামৰাৰ কাৰখানাটো ব্যক্তিগত মানুহৰ হাতলৈ কেনেকৈ যাবলৈ পালে ?

শ্ৰীমহম্মদ ইদ্ৰিচ (উদ্যোগ মন্ত্ৰী) : এই প্ৰশ্নটো চাৰ সমূলি নতুন হৈছে, তথাপি চাৰ আমাৰ অসমৰ ক্ষুদ্ৰ উদ্যোগ নিগমে পৰিচালনা কৰা উদ্যোগ সমূহ আমি ভবামতে ব্যক্তিগত কাৰোবাক দিব পৰা যায় নেকি তাৰ চিন্তা কৰা হৈছে সেই কাৰণে দুই এটা উদ্যোগ ব্যক্তিগত উদ্যোগীক দিয়া হৈছে।

শ্ৰীঅতুল চন্দ্ৰ শইকীয়া : উপাধ্যক্ষ মহোদয়, ৮০ হাজাৰ টকাত বন্দৰস্ত হোৱাৰ পিচত ১৬ হেজাৰ টকাত চামৰাৰ কাৰখানাটো ব্যক্তিগত মানুহৰ হাতলৈ কিয় গল জনাবনে ?

শ্ৰীমহম্মদ ইদ্ৰিচ (উদ্যোগ মন্ত্ৰী) : নতুনকৈ প্ৰশ্ন দিলে জনাব পাৰিম।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা : উপাধ্যক্ষ মহোদয়, এই লিষ্টখনত ৩৫ টা উদ্যোগৰ কথা

কোৰা হৈছে। কিন্তু এই উদ্যোগ বিলাকত থলুৱা মানুহ এজনো নাই। ইয়াৰ কাৰণ মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীমহম্মদ ইদ্ৰিচ (মন্ত্ৰী): এজনো নাই বুলি মই কব নোৱাৰো। এইটো চাব লাগিব।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা: উপাধ্যক্ষ মহোদয়, এই চাৰিটা পৰিকল্পনাত অসমত যিখিনি উদ্যোগ প্ৰতিস্থা কৰা হল তাত থলুৱা মানুহ এজনো নাই। খাৰ খোৱা অসমীয়া মানুহ উদ্যোগৰ কাৰণে উপযুক্ত নহয় নেকি ? এই কথা মন্ত্ৰী মহোদয়ে জনাবনেকি ?

মহৰ্ম্মদ ইদ্ৰিচ (মন্ত্ৰী): মোৰ পক্ষে অতীতৰ কথা বৰ্ণনা কৰা টান। এতিয়ালৈকে যিবিলাক উদ্যোগ প্ৰতিষ্ঠা হৈছে তাত থলুৱা ব্যক্তি নাই বুলিয়েই যে থলুৱা ব্যক্তি থাকিব নালাগে তাৰ কোনো কথা নাই। আমি বৰ্ত্তমানে থলুৱা ব্যক্তিক উদ্যোগত সংস্থাপন কৰিবলৈ সকলো প্ৰকাৰে সহায় কৰিবলৈ সাজু আছো যদিহে তেখেতসকল আগুৱাই আহে।

মৌলানা আব্দুল জেলিল চৌধুরী: উপাধ্যক্ষ মহাশয়, মন্ত্রী মহোদয় জানেন কি যে বদরপুরের চামড়ার কারখানটি যে ব্যক্তির হাতে দেওরা হয়েছে, তিনি তা নেওয়ার আগেই ৫০ হাজার টাকা সরকার থেকে নিয়েছেন, কিন্তু আজপর্যন্ত্য এই কারখানার কোন কর্ম্মচারী বেতন পান নাই ? তারা বলেছে, সরকার থেকে অৱশিষ্ঠ ঋণ টাকা পালে তারা বেতন দিতে পারবে ?

শ্ৰীমহৰ্ম্মদ ইদ্ৰিচ: উপাধ্যক্ষ মহোদয়, মই আগতে কৈছো যে, বদৰপুৰৰ প্ৰশ্নটো বেলেগে দিলে মোৰ সুবিধা হয়!

শ্ৰীজগদিশ দাস: বৰ্ত্তমানে যিবিলাক উদ্যোগ প্ৰতিষ্ঠা কৰা হৈছে সেই উদ্যোগ কেইটা জাতীয় উদ্যোগ বুলি ঘোষণা কৰি চৰকাৰৰ হাতলৈ আনিবনে ?

শ্ৰীমহৰ্ম্মদ ইদ্ৰিচ (মন্ত্ৰী): উদ্যোগ জাতীয়কৰণ কৰাটো এটা নীতিগত কথা। তেনে নীতি গ্ৰহণ কৰিলে সেইবিলাক আনিব লাগিব।

শ্ৰীনগেন বৰুৱা: উপাধ্যক্ষ মহোদয়, দ্বিতীয় প্ৰশ্নৰ উত্তৰত মন্ত্ৰী মহোদয় কেন্দ্ৰীয় চৰকাৰে অসমত উদ্যোগ স্থাপনৰ প্ৰস্তাব কৰিছে বুলি কৈছে। যদি কৰিছে তেন্তে কি কি উদ্যোগ স্থাপনৰ প্ৰস্তাৱ কৰিছে তাৰ নাম জনাবনে ?

শ্ৰীমহম্মদ ইদ্ৰিচ (মন্ত্ৰী) : উপাধ্যক্ষ মহোদয়, কেন্দ্ৰীয় খণ্ডত প্ৰথম পৰিকল্পনাত কোনো উদ্যোগ অসমত প্ৰতিষ্ঠা হোৱা নাছিল। যদিও এতিয়ালৈকে নিম্ন উল্লেখিত উদ্যোগ সমূহ স্থাপনৰ প্ৰস্তাৱ কৰিছে।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা : এই উদ্যোগ বিলাকত চৰকাৰে কিমান টকা বিনিয়োগ কৰা হৈছে ।

শ্ৰীমহম্মদ ইদ্ৰিচ (মন্ত্ৰী) : এই প্ৰশ্নৰ নটিশ লাগে।

## Re : Procurement of Salt

Shri Girindra Choudhury asked :

*182. Will the Chief Minister be pleased to state—

(a) Whether Salt is procured from West Coast or from Calcutta ?

(b) What is the total quantity of salt procured for Assam during a year and what is the financial involvement thereof ?

(c) What is the price per bag of salt in the West Coast and that in Calcutta ?

(d) What is the price of bag of salt now sold in Assam ?

(e) Whether Government proposes to procure salt from West Coast where it is cheaper ?

(f) What is the difference in landing cost of salt in Assam procured from West Coast and from Calcutta ?

Shri Sarat Chandra Sinha (Chief Minister) replied :

182. (a)—Salt is procured from both West Coast and Calcutta.

(b)—The total quantity of Salt procured for Assam State

varies from year to year depending on the demand. There is no financial implication to Government thereunder as Government of Assam do not purchase any salt on Government account.

(c)—The price of salt per bag in the West Coast is reported to vary from about Rs. 6·00 to Rs. 9.00 and the price per bag of salt in Calcutta is reported to vary from about Rs. 12.50 to 14·00

(d)—The price per bag of salt at wholesale level in Assam varies from Rs. 17·00 to Rs. 19·00.

(e)—Government have no prosposal to procure salt on their own acount from the West Coast but are trying to persuade Central Government to direct the Salt Commissioner to Government of India to allot salt to the traders of Assam from the West Coast ?

(f)—Local enquiry reveals that the difference in the landed cost of salt procured from West Coast and from Calcutta ranges from about Re. 1 to Rs. 4.

Shri Girindra Choudhury : Will the Chief Minister be pleased to let us have the percentage of salt brought from Calcutta and the percentage brought from the West Coast ?

Shri Sarat Chandra Sinha (Chief Minister) : That figure is not with me, Sir. Some salt is brought from Calcutta and some from the West Coast.

Shrimati Renuka Devi Borkataki : Sir, in the last Budget Session of the Assembly a similar question was put when Shri mohitosh Purkaystha was the Supply Minister, regar-

ding procurement of salt. At that time he assured that the Government of India and the Salt Commissioner would be persuaded to allow our traders to bring salt from the West Coast. Sir, the price of salt per bag in Assam varies from Rs. 17 to Rs. 19. May I know from the Chief Minister whether during this one year the Government of Assam has written any letter to the Government of India and the Salt Commissioner to allow our trades to lift salt from the West Coast ?

Shri Sarat Chandra Sinha (Minister) : We have written and we are pursuing the matter.

Shri Dulal Chandra Barua : What is the result ?

Shri Sarat Chandra Sinha (Minister) : The Government of India has not agreed.

Shrimati Renuka Devi Barkataki : Sir, it is a vicious circle in the Office of the Salt Commissioner and they are manipulating that Assam salt or the requirement of salt for N.Eastern states should be procured from Calcutta so that the Calcutta businessmen may get more profit. May I know from the Chief Minister whether he will take up the matter directly with the Government of India bypassing the Salt Commissioner to allow Assam businessmen to lift salt from the West Coast ?

Shri Sarat Chandra Sinha ( Chief Minister ) : That we are trying to do.

Shri Girindra Chaudhury : Sir, people of Assam are required to pay Rs.1 crore extra for importing salt from Calcu-

tta. Is it not a serious matter ? Therefore, the Government of Assam should pay whole-hearted attention to it to see that this drainage of Rs. 1 crore extra from the poor people of Assam is stopped ?

Shri Sarat Chandra Sinha ( Chief Minister ): That is true. So far as the amount is concerned, I am not sure whether it is Rs. 1 crore or not. But it is a fact that the people of Assam are paying more, and therefore, we are trying to impress upon the Government of India that it should allow our traders to lift salt from the West Coast.

Shri Girindra Chaudhury : (Rose to speak)

Mr. Deputy Speaker : Mr, Choudhury, the question hour is over. Do you want to keep it pending ?

Shri Syed Ahmed Ali (Minister) : No, Sir, sufficient number of supplementaries have been put.

Mr. Deputy Speaker : Yes, sufficient supplementaries have been put.

**Re : Creation of Civil Subdivision**

Shri Romesh Mohan Kouli asked :

*183. Will the Minister, Revenue be pleased to state —

(a) Whether the Government is aware of the fact that even after the creation of Civil Sub-divisiona at Dhemaji the Office of the A. S.O. for Dhemaji is still run at Dibrugarh which has caused much inconvenience and hardship to the public of Dhemaji ?

(b) Whether the Government has received any represention

from the public for shifting the A. S. O's Office to Dhemaji proper ?

(c) If so, what are the reasons for delay in shifting the Office ?

Shri Paramananda Gogoi (Minister, Revenue) replied :

183. (a)—In the interest of resettlement operation the office of the Assistant Settlement officer of Dhemaji Circle is running from Dibrugarh.

(b)—Yes;

(c)—At this stage of resettlement operation the shifting of the Office of the Assistant Settlement Officer, Dhemaji from Dibrugarh does not arise. However, instruction has been given to the Senior Assistant Settlement Officer for Dhemaji to hold his Office at Dhemaji three days a week.

## Re : Rural Electrification

Shrimati Pranita Talukdar asked :

*184. Will the Minister, Power (Electricity) be pleased to state—

a) Whether it is a fact that a Scheme for Rural Electrification has been received from the Central Government for Assam ?

(b) If so, what are those schemes ?

Shri Mahammad Idris (Minister, Electricity) replied :

184. (a)—No.

(b)—Does not arise.

## বিঃ সাহায্য প্ৰাপ্ত কলেজ আৰু স্কুল

শ্ৰীবদনচন্দ্ৰ তালুকদাৰে সুধিছে ঃ

*১৮৫। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমৰ সাহার্য্যপ্ৰাপ্ত কলেজ, উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয় বিলাক চৰকাৰী কৰিবৰ বাবে চৰকাৰে সিদ্ধান্ত কৰিছে নেকি ?

(খ) যদি কৰিছে, কেতিয়াৰ পৰা সিদ্ধান্ত কাৰ্য্যকৰী কৰা হব ?

(গ) এই সকলোবোৰ শিক্ষানুষ্ঠান একে বছৰে চৰকাৰী কৰা হবনে, পৰ্য্যায়ক্ৰমে কৰা হব ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১৮৫। (ক)—শিক্ষক সকলক চৰকাৰী কৰ্ম্মচাৰী হিচাবে গণ্য কৰা কথাটো চৰকাৰৰ বিবেচনাধীন হৈ আছে। এতিয়াও কোনো সিদ্ধান্ত লোৱা হোৱা নাই।

(খ)—প্ৰশ্ন নুঠে।

(গ)—প্ৰশ্ন নুঠে।

## বি ঃ কমলা টেঙাৰ খেতি

শ্ৰীমতী তৰুলতা বৰাই সুধিছে ঃ

১৮৬। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমত কমলাটেঙাৰ খেতিৰ সম্প্ৰসাৰণৰ বাবে চৰকাৰৰ ওচৰত কিবা আচনি আছে নেকি ?

(খ) যদি আছে এই আঁচনি কেনে ধৰণে প্ৰবৰ্ত্তন কৰিব ?

(গ) কমলা টেঙাৰ খেতিয়ক সকলৰ সহজ ঋণ দিবলৈ এই আঁচনিত ধৰা হৈছে নেকি ?

(ঘ) অসম চৰকাৰে ৪ৰ্থ পঞ্চবাৰ্ষিক পৰিকল্পনাত অসমত কমলা খেতিৰ বাবে ভাৰত চৰকাৰৰ পৰা আৰ্থিক অনুদান পাইছে নেকি ?

(ঙ) যদি পাইছে ইয়াৰ বাবে কিবা পৰিকল্পিত আঁচনি দাঙি ধৰা হৈছে নেকি ?

(চ) এই আঁচনি সমূহ কিমান দূৰ সম্প্ৰসাৰিত কৰিব ?

শ্ৰীউপেন্দ্ৰ দাস (কৃষি বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

১৮৬। (ক)—হয়, আছে। উদ্যান বিকাশ (Horticulture Development) আঁচনিৰ জৰিয়তে কমলা টেঙাৰ সম্প্ৰসাৰণৰ ব্যৱস্থা হাতত লোৱা হৈছে।

(খ)—এই মূল আঁচনি খনৰ অন্তগত দুখন শাখা আঁচনি কৰা হৈছে যেনে –

১। পুৰণি কমলা বাগান সজীব কৰি তোলা প্ৰদৰ্শনী মূলক খেতি আৰু

২। নতুন আদৰ্শমূলক বাগান স্থাপনৰ আঁচনি

(গ)—চৰকাৰৰ ফালৰপৰা ঋণ দিয়া আঁচনি লোৱা নাই। অৱশ্যে বেঙ্ক বা সমবায়ৰ পৰা ঋণ পোৱাৰ সুবিধা আছে।

(ঘ)—পোৱা নাই।

(ঙ) আৰু (চ)—প্ৰশ্ন নুঠে।

## Re : Post of Inspector of Supply

**Shri Dulal Chandra Barua asked :**

*187. Will the Chief Minister be pleased to state—

(a) The total number of posts of Inspector of Supply, created for Mizo Hills by the Government till 1971 ?

(b) How the posts were filled up ?

(c) Whether those officers have been still there or returned to the State of Assam and if so, in what capacity, they have returned to the State Government ?

(d) Whether it is a fact that the post of Inspector of Supply created for Mizo Hills were filled up by promotion from the Sub-Inspector of Supply and no incumbent from the Ministerial cadre was promoted to those posts of Inspector of Supply ?

(e) If so, whether the Government will make an investigation to ascertain the circumstances as to why the personnel of the Ministerial cadre were deprived of their legitimate claim ?

Shri Sarat Chandra Sinha ( Chief Minister ) replied :

187. (a)—Sixteen posts.

(b)—Partly by promotion and partly by transfer from other districts.

(c)—Some of them have since been transferred to Assam in the same capacity and some are still continuing there in the existing capacity.

(d)—Yes, Sir.

(e) -The question of appointment of Ministerial staff as Intspectors of Supply was under consideration of Government for a long time and ultimately the Assam Supply Service Rules were framed in 1970 in which provision has been made for recruitment of Inspectors of Supply under Rule 10 (2) of the Assam Supply Service Rules, 1970 from amongst the Ministerial staff and Accounts staff in the Office of the Director of Supply and in the Supply Offices in Districts and Subdivisions. Since the formulation of the Assam Supply Service Rules, 1970 in 1970, there has been no promotion to the rank of Inspector of Supply, since 1970 and hence the question of investigation of this matter does not arise.

## বিঃ বিজুলী বাতিৰ ব্যৱস্থা

শ্ৰীমতী চৈন্নদা আনোৱাৰা টাইমুৰে সুধিছে :

*১৮৮। মাননীয় বিদ্যুৎ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) মঙ্গলদৈ মহকুমাৰ দলগাওঁ, শিয়ালমাৰী ব্লকৰ ভিতৰত কেইখন গাওঁত এতিয়ালৈকে বিজুলী বাতিৰ ব্যৱস্থা কৰা হৈছে ?

(খ) কৃষি উন্নয়নৰ বাবে মহকুমাৰ ভিতৰত সকলোতকৈ পিচপৰা অঞ্চল হিচাবে আৰু কৃষিৰ প্ৰতি অতি আগ্ৰহশীল কৃষক সকলৰ মনোবৃত্তিলৈ লক্ষ্য ৰাখি বিজুলী শক্তিৰ ব্যৱস্থা কৰিবলৈ চৰকাৰে এই অঞ্চলটোক অগ্ৰাধিকাৰ দিবনে ?

(গ) মঙ্গলদৈ মহকুমাৰ কোনাকাতা পাৰা, শিলবাৰী, বেলতলী, হীৰাপাৰা, বাল্লাবৰী অঞ্চলৰ খেতিয়ক ৰাইজে বিজুলী শক্তিৰ কাৰণে আবেদন কৰা কিমান দিন হল আৰু এই অঞ্চলত বৈদ্যুতিকৰণ কেতিয়া কৰা হব ।

শ্ৰীমহম্মদ ইদ্ৰিছ ( বিদ্যুৎ বিভাগৰ মন্ত্ৰীয়ে ) উত্তৰ দিছে :

১৮৮। (ক —২ খন গাঁৱত কৰা হৈছে ।

(খ)—হয় । যদি সেই এলেকাত যথাযোগ্য আঁচনি ৰাজ্যিক কৃষি বা জলসিঞ্চন বিভাগে বা কোনো ব্যক্তিৰ পৰা পোৱা যায় ।

(গ) —সময়ে সময়ে এনেকুৱা আবেদন পোৱা গৈছে। বৰ্তমান ৰাজ্যিক বিদ্যুৎ বোৰ্ড এই ঠাই কেইখনত বিজুলী যোগানৰ কাৰণে পৰীক্ষা কৰি আছে আৰু যথাসম্ভৱ ক্ৰমান্বয়ে বিজুলী যোগান ধৰা হব ।

## Re : Gauhati Municipal Corporation

Shrimati Renuka Devi Barkataki asked :

*189. Will the Minister, Municipal Administration be pleased to state—

(a) When the election for the Gauhati Municipal Corporation is going to be held ?

(b) Whether a Commissioner for the Corporation has been appointed ?

(c) Whether the Office of the Commissioner has started functioning and if so since when and where ?

(d) Whether the staff of the present Gauhati Municipality will be absorbed in the Corporation ?

Shri Syed Ahmed Ali ( Minister, Municipal Administration ) replied :

189. (a)—The election of Gouhati Municipal Corporation will held as early as possible.

(b)—Yes.

(c)—Yes. It functioned in the Office of the Director, Mnnicipal Administration at Bharalumukh from 28th February, 1973 to 1st April, 1973 and from 2nd April, 1973 it has been functioning in a rented house at Bamunimaidan, Gauhati—21.

(d)—Yes, as per provisions of the Gauhati Municipal Corporation Act, 1969.

Re : Price of Food Commodities

Shrimati Pranita Talukdar asked :

*190. Will the Chief Minister be pleased to state—

(a) Whether Government is aware to the fact that the price of the food commodities is rising constantly ?

(b) If so, what steps have been taken by Government to arrest such rise of price ?

Shri Sarat Chandra Sinha ( Chief Minister ) replied :

190. (a)—Yes Sir.

(b)—(i) The local officers have been alerted to take strick action against hoarders, profiteers and other antisocial

elements who try to create artificial scarcity, etc. for sending up prices ;

(ii) A liasion committee with the Railways has been set up with the Secretary, Supply, a senior officer of North Frontier Railway and others to look after smooth and continuous flow of essential commodities into Assam by Rail for preventing rise in prices due to shortages caused by transport difficulties ;

(iii) Whenever shortage in supply at source is apprehended the matter is taken up with Government of India for rushing supplies to Assam for preventing rise in price due to shortage in supply in Assam because of shortage at source.

### বিঃ হুইট ব্রেন উৎপাদন

শ্ৰীনগেন্দ্ৰ বৰুৱাই সুধিছে:

*১৯১। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে যে শিৱসাগৰ ফ্লুৰৰ মিলৰ বছৰি কিমান হুইট ব্ৰেন পোৱা হয় আৰু ইয়াক ক'ত বিক্ৰী কৰা হয়?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ ( মুখ্য মন্ত্ৰী ) য়ে উত্তৰ দিছে:

১৯১। ফ্লুৰৰ মিলৰ বছৰি হুইট ব্ৰেন উৎপাদন সেই মিলে গুৰি কৰিবলৈ পোৱা হুইটৰ ওপৰত নিৰ্ভৰ কৰে।

চৰকাৰে জনামতে হুইট ব্ৰেন অসমৰ ভিতৰতে বিক্ৰী হয়।

### Re : Grievances of Assam Abkari Karmachari Sangha

Shri Dulal Chandra Barua asked :

*193. Will the Chief Minister be pleased to state—

(a) Whether it is a fact that the Assam Abkari Karmachari Sangha submitted a memorandum to the Govern-

ment in June, 1972 for the settlement of the legitimate grievances of the employees of the Excise Department ?

(b) If so, what steps the Government has taken to meet their legitimate demands ?

(c) If no, why ?

Shri Sarat Chandra Sinha (Chief Minister) replied :

193. (a)—Yes.

(b) & (c)—All of them are of complicated nature having far reaching effects on the State Revenue and these are under active consideration of the Government.

Re : Supply of Cement

Shrimati Pranita Talukdar asked :

*194. Will the Chief Minister be pleased to State what is the present position of supply of cement in the State ?

Shri Sarat Chandra Sinha (Chief Minister) replied :

194.—The supply is very much less than the demand.

Re : State Institute for Science

Shrimati Renuka Devi Barkataki asked :

*195. Will the Minister, Education be pleased to state—

(a) Whether it is a fact that the State Institute for Science Education, Gauhati had recently taken a Pilot Project to teach Scicnce in the Schools ?

(b) If so, what was the salient features of the Project ?

(c) Who is going to finance the Project ?

Shri Harendra Nath Talukdar (Minister, Education) replied :

195. (a) – Yes.

(b)—(i) Teaching of science in L. P. & Middle Schools.

(ii) Development of new syllabi ;

(iii) Training of Science educators and science teachers at different levels ;

(iv) Equiping the Institution with necessary science materials ;

(v) Introduction of the revised syllabi and instructional materials in the Schools ;

(vi) Learning of Scientific fact by students through practical experiments.

(c)—Government of India and UNICEF on 50·50 basis. The administrative cost is to be borne by the State Government.

## Re: Construction of Beki Bridge

Shrimati Pranita Talukdar asked :

*196. Will the Minister, Revenue be pleased to state—

(a) How many bighas of land were acquired by the Government for construction of Beki bridge under Barnagar Circle ?

(b) What is the total amount estimated ?

(c) Why the compensation for acquisition of land has not yet been paid to the poor cultivators ?

Shri Paramananda Gogoi (Minister, Revenue) replied :

196. (a)—324B.—O K.—12L.

(b)—Rupees. 2,00, 433. 06P.

(c)—Compensatin of Rs. 1,53, 208·48 paise has already been paid. Only Rs. 47,224.58 paise is left to be paid for non receipt of fund.

Re: Amount of Collection

Shrimati Renukadevi Barkataki, asked :

*197. Will the Minister, Revenue be pleased to state—

(a) Whether it is a fact that the Mouzadars of Santoli, Nagarbera and Chamaria Mouza of Kamrup District have kept a huge amount of collection without depositing the same to the Government ?

(b) If so what is the amount collected but not deposited ?

(c) What action Government has taken to realise the amount from the Mouzadars ?

(d) Whether any enquiry in the accounts of these Mouzadars have been made ?

Shri Paramananda Gogoi (Minister, Revenue) replied :

197. (a)—Yes.

(b)—The amounts of collected revenue found to have been retained by the Mouzadars are shown below—

(1) Santoli Mouza Rs. 35,113·10.

(2) Nagarbera Mouza Rs. 62,409.39

(3) Chamaria Mouza Rs. 63,288·55.

(c)—The Mouzadars have been warned and asked to deposit the entire excess cash in-hand immediately and to

reduce the same to the permissible limit, failing which drastic action will be taken against them. D/Ws have been issued against them for recovery of collected amount retained in their hands. The S. D. C. Chaygaon has also been asked to watch the performance of these Mouzadars. Revenue fine of Rs. 50 each have been imposed on them for non submission of weekly collection returns.

(d)—Yes, the accounts of the mouzadars have been inspected by the S. D. C., Chaygaon.

**Re : Scarcity of Atta**

Shrimati Pranita Talukdar asked :

*198. Will the Chief Minister be pleased to state—

(a) The reasons for scarcity of atta at present ?

(b) When position of atta will be improved ?

Shri Sarat Chandra Sinha (Chief Minister) replied :

198. (a)—No reports have been received of any scarcity of atta at present.

(b)—Does not arise.

**Re : Panchayat Election**

Shrimati Renukadevi Barkataki asked.

*199. Will the Minister, Panchayat be pleased to state—

(a) Whether Government is going to hold Panchayat Election ?

(b) Whether the Assam Panchayati-Raj Bill has got President's assent ?

(c) If not, what is the reason for not obtaining the assent ?

(d) Whether the old Panchayats are still functioning and if so, how long ?

Shri Syed Ahmed Ali (Minister, Panchayat and C. D.) replied :

199. (a)—Yes.

(b)—Yes, On 4th May 1973.

(c)—Does not arise.

(d)—No.

Shri Dulal Chandra Barua : Mr. Deputy Speaker, Sir, I have got a submission. It seems that the flood situation in the State is very alarming and our Revenue Minister visited some of the places. As we are hearing the news of flood throughout the State we are feeling quite uncomfortable. It will be very improper on our part to remain engaged in the transaction of business of this House when our people are suffering. The Minister in charge of Revenue is likely to narrate the situation as he has seen and if it is warranted, I suggest that we should have an adjournment for a few days so that we can go round our respective areas and then come back. It is, of course, my suggestion, there may be other speakers also. Will you kindly take up the matter with the Business Advisory Committee after hearing the Revenue Minister about the entire situation ?

Shri Paramananda Gogoi, (Minister) : Sir, I shall make a statement after the session today.

Mr. Deputy Speaker : Next item - discussion on Cut Motion

*শ্ৰীৰেণুকা দেৱী বৰকটকী ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ ৰাজহ শিতানৰ ওপৰত যিটো কৰ্ত্তন প্ৰস্তাৱ অনা হৈছে তাক সমৰ্থন কৰি মই দুষাৰ কব খুজিছো। প্ৰত্যেক বছৰে আমি টকা দি আছো আৰু এইবাৰো দিয়া হব। মহোদয়, চৰকাৰৰ বাজেটৰ টকা প্ৰধানকৈ ৰাজহ বিভাগে দিয়ে। এই ৰাজহ বিভাগ আজি স্বাধীনতাৰ ২৫ বছৰৰ পিছতো কোনো সংস্কাৰ হোৱা নাই। এই ৰাজহ বিভাগটো সংস্কাৰ কৰি উন্নত কৰিবলৈ চৰকাৰৰ পক্ষৰ পৰা আজিও কোনো ব্যৱস্থা হোৱা নাই। গৰীৱ জনসাধাৰণক এই বিভাগৰ বিষয়াৰ প্ৰধানকৈ মন্দল কানুনগু আদি যিসকল আছে তেওঁলোকৰ কৱলতে পেলাই থোৱা হৈছে। এই গৰীৱ জনসাধাৰণক তেওঁলোকৰ হাতৰ পৰা ৰক্ষা কৰিবলৈ চৰকাৰে একোকে কৰিব পৰা নাই। আমাৰ ৰাজহৰ প্ৰধান অংশতোৰেই হৈছে ভূমি ৰাজহ। আজি দেশ উন্নয়ণৰ কৰ লাগিলে সকলো কাম এই ভূমি ৰাজহৰ দ্বাৰাই হৈছে। সেই ৰাজহ যথা-যথ ভাবে যাতে আদায় কৰিব পাৰে তাৰ যি ব্যৱস্থা লব লাগে সেই ব্যৱস্থাও চৰকাৰে লব পৰা নাই। এতিয়ালৈকে বহুতো ৰাজহ অনাদায় হৈ পৰি আছে। মই মুখ্যমন্ত্ৰী ডাঙৰীয়াক কৈছো যে, তেখেঁতৰ আগৰ যিবিলাক চৰকাৰৰ আছিল সেই চৰকাৰ বিলাকে যেনেকৈ অৰ্থ নাটনিৰ সন্মুখীন হবলগীয়া হৈছিল, আৰু পুজিৰ কাৰণে সংগ্ৰাম কৰিছিল আজিৰ মুখ্যমন্ত্ৰীয়ে সেই অৰ্থনাটনিৰ সন্মুখীন হব লাগিব আৰু সেই একে সংগ্ৰামকেই কৰিব লাগিব।

উপাধ্যক্ষ মহোদয়, ৰাজহ সংগ্ৰহৰ ক্ষেত্ৰত যি ২।১ টা অসুবিধা আছে, সেইবিলাকৰ মই দৃষ্টিগোচৰ কৰিবলৈ বিচাৰিছো। প্ৰথমতে ৰাজহ আদায়ৰ ক্ষেত্ৰত মূল বিষয়া হল উপপ্ৰতি সমাহৰ্ত্তা অৰ্থাৎ এচ, ডি, চি। এতিয়া দেখা গৈছে যে তেওঁৰ অফিচে কিমানৰ ৰাজহ আদায় কৰিলে তাৰ হিচাবো চৰকাৰৰ হাতত নাই। বহু ক্ষেত্ৰত দেখা গৈছে যে এচ, দি চিয়ে ৰাজহ আদায় কৰি বহুদিনলৈ সেই ৰাজহ নিজৰ হাততে ৰাখি অন্যান্য কামত খৰচ কৰে তাৰ বহুতো নমুনা আছে। এইবিলাক বিষয়ত চৰকাৰ তৎপৰ হব লাগে। মই এচ, দি, চি সকলোকো দোষ নিদিও। কাৰণ এই এচ, দি, চি সকলৰ অফিচৰ ঘৰৰ যি ব্যৱস্থা চৰকাৰে কৰি দিব লাগিছিল সেইটোত চৰকাৰ ব্যৰ্থ হৈছে। আজি ৯০ বছৰৰে পৰা কলাইগাওৰ এচ, দি, চি অফিচৰ ঘৰ নাই বেৰত চুন

*Speech not corrected

নাই, খেৰ নাই। গতিকে সেই অফিচৰ কাম কেতিয়াবা নিজৰ ঘৰতে বা অন্য কৰবাত কৰিব লগা হয়। ইয়াৰ বাহিৰেও চৰকাৰে নতুনকৈ কামৰ সুবিধাৰ কাৰণে নানা ঠাই চাৰ্কোল অফিচ স্থাপন কৰাৰ কথা ঘোষণা কৰিছে। কিন্তু তাত কোনো ঘৰবাৰীয়েই হোৱা নাই। এই থিমা টেটেলা অৱস্থাৰ কাৰণে ৰাজহৰ এই অৱস্থা।

মহোদয়, এই এচ, দি, চি সকলক ৰাজহ আদায়, মাটি বিতৰণ আদি কামৰ ওপৰিও বহুতকে মেজিষ্ট্ৰেটৰ ক্ষমতা দিছে কিন্তু চৰকাৰে যিখিনি সুবিধা এচ, দি, চি সকলক দিব লাগিছিল সেই সুবিধা তেওঁলোকক দিয়া হোৱা নাই। তাকে নকৰিলে অসমৰ মাটি বিতৰণৰ ক্ষেত্ৰতে হওঁক বা ৰাজহ আদায় কৰাৰ ক্ষেত্ৰতে হওক, যি বেমেজালীৰ সৃষ্টি হৈছে সেইটো আৰু জটিলতৰ হব। এই এচ, দি, চি সকলৰ তলত থকা মন্দল আৰু কাননগু সকলৰ স্বাৰ্থ চৰিতাৰ্থ কৰিবলৈহে মাটি পট্টনৰ কাম কৰি দুখীয়া ৰাইজক হাৰাশাস্তি কৰিব। গতিকে এই মণ্ডল কাননগু সকলৰ আমোল সংস্কাৰ নকৰিলে দুখীয়া ৰাইজক মণ্ডল কাননগুৰ কবলৰ পৰা ৰক্ষা কৰিব পৰা নহব। তৌজিবাহী খাজনা আদায়ৰ ক্ষেত্ৰত ৰায়ত সকলক পৰোৱানা দিয়া হৈছে আৰু তাৰ পিছত অনাদায় খাজনাৰ কাৰণে দুখীয়া ৰায়ত সকলৰ সোন, কাপোৰ কানি আদি সামগ্ৰী লৈ আহিছে আৰু ধনী ৰায়ত সকলৰ টকা চৰকাৰে আদায় কৰিব পৰা নাই। ইয়ালৈ চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো।

উপাধ্যক্ষ মহোদয়, মই উপায়ুক্ত আৰু তেওঁৰ অফিচৰ বিষয়ে কেইটামান কথা কওঁ। উপাযুক্তৰ হাতত বহুতো ক্ষমতা দিয়া হৈছে। তেওঁ সমগ্ৰ জিলা-খনত প্ৰশাসনৰ ভাৰৰ ওপৰিও ৰাজহ আৰু মাটি পট্টনৰ কামো কৰিব লাগে। ইয়াৰ ওপৰিও মহিলা সকলক সূতা দিয়াৰ কাম, বানপানীত সাহায্য দিয়াৰ কাম, বিয়া বাৰু হলে চেনি চাহপাত আদিৰ যোগানৰ কাম সকলো বিলাক এই উপাযুক্তই কৰিব লাগে। ইয়াৰ ওপৰিও ভি, আই পি সকল যেতিয়া অসমলৈ আহে তেওঁ ৰাতিপুৱাই এই ভি, আই, পি সকলক অভ্যৰ্থনা কৰিবলৈ এৰোড্ৰমলৈকো যাব লাগে। বহুত সময়তে দুৰণি গাৱৰ দুখীয়া জনসাধাৰনে দি, চি, ক লগ ধৰিবলৈ আহি দি, চিক লগ নাপাই দিনৰ পাছত দিন আহি ফিৰি যাব লগা হয়। দি, চিয়েই যে অকল ব্যস্ত থাকে সেইটো নহয় তেওঁৰ তলত থকা এ, দি, চি

সকলেও সেই কামতে ব্যস্ত থাকিব লাগে। গতিকে উপায়ুক্ত আৰু তলৰ বিষয়া সকলৰ প্ৰধান কৰ্ত্তব্যত কৰিও বহুত এক্সট্ৰা কেৰিকুলাৰ একটিভিটিজ তেওঁলোকৰ ওপৰত অৰ্পণ কৰা হৈছে। তাৰ পিছত অসমৰ তিনিজন কেন্দ্ৰীয় মন্ত্ৰী আছে তেওঁলোকে ওৰাহে ওৰাহে অসমলৈ আহে। তেওঁলোকক অভ্যৰ্থনা কৰোতে দি, চিৰ মুখ্য কৰ্ত্তব্য বিলাক বাদ পৰি যায়। গতিকে এই কামৰ কাৰণে দি, চিৰ ঠাইত এজন লিয়াইচন অফিচাৰ নিয়োগ কৰিব লাগে। নহলে আমি দি চি, অফিচৰ পৰা একো আশা কৰিব নোৱাৰো।

ৰাজহৰ ক্ষেত্ৰত আমি উপায়ুক্তৰ অফিচৰ পৰা একো আশা কৰিব নোৱাৰো। আনহাতে ভৈয়ামৰ আয়ুক্তৰ এটা অফিচ আছে হয় কিন্তু এই ৰাজহ সংগ্ৰহৰ ক্ষেত্ৰত বিশেষ একো নকৰে। আন নহলেও সমাহৰ্ত্তাৰ অফিচ পৰিদৰ্শন কৰি খাজনা আদায় কৰিবলৈ বুদ্ধি ভাৰষা দিব পাৰে। এই অফিচ বিলাক কেনেকৈ চলিছে সেইটো জানিবৰ কাৰণেই অন্ততঃ আয়ুক্ত জন মাজে মাজে সমাহৰ্ত্তাৰ অফিচলৈ যাব লাগে।

উপাধ্যক্ষ মহোদয়, ভৈয়ামৰ আয়ুক্ত আৰু বোৰ্ড অব ৰেভিনিউ এই দুটা অফিচৰ কি কাম মানুহে কব নোৱাৰে। বোৰ্ড অব ৰেভিনিউ হোৱাৰ আগতে আয়ুক্তই উপায়ুক্তৰ অফিচ আদি পৰিদৰ্শন কৰিছিল। কিন্তু এতিয়া তেও ৰেভিনিউৰ কামত লাগি থাকোতেই সময় পাৰ হৈ যায়। মাটিৰ ক্ষেত্ৰত চৰকাৰে বৈপ্লবিক নীতি লৈছিল। অসমৰ মঠ মন্দিৰৰ মাটি অধিগ্ৰহণ কৰি মাটিহীন খেতিয়কক মাটি দি যেনেকৈ মাটিহীনৰ সমস্যা সমাধান কৰিব খুজিছিল, সেই দৰে মঠ মন্দিৰ চলাবৰ বাবেও দিহাকৰা সংকল্প লৈছিল। কিন্তু এই দুটাৰ এটা কামো চৰকাৰে সমাধা কৰিব নোৱাৰিলে। অসমত এনেকুৱা এখন দেৱালয় নাই যি খন চৰকাৰে মাটি অধিগ্ৰহণ কৰাৰ পিচত ভালকৈ চলিব পাৰিছে আনকি চাকি গছ জ্বলোৱাই টান হৈ আহিছে। দেবোওৰ মাটি লোৱাৰ পিচত চৰকাৰে এখন কমিটি কৰি দিছিল দেৱালয় বোৰ পৰিচালনা কৰিবৰ কাৰণে। কিন্তু চৰকাৰে চোৱা নাই সেই কমিটিখন চলিছেনে নাই। আজি ৰাইজে নিজেই ভগবানৰ ভয়তে হওঁক বা ঈশ্বৰৰ নামতে হওঁক এই দেৱালয়বোৰলৈ গৈ তেল বন্তি আৰু খৰ আদি দি চলাই আছে। যি উদ্দেশ্যৰে দেৱালৰ মাটি অধিগ্ৰহণ কৰিছিল সেই দুটা উদ্দেশ্যৰ এটাও সফল হোৱা নাই। প্ৰথমতে দেৱালয়ো ভালকৈ চলা নাই আৰু

দ্বিতীয়তে মাটিহীনকো মাটি দিব পৰা নাই যিবিলাক সমাজৰ প্ৰতিপত্তিশীল লোক তেওঁলোকে দেৱালয়ৰ মাটি নিজৰ নামত পট্টা কৰাই লৈছে। সিদিনা বিজয় নগৰৰ মিটিঙত মুখ্য মন্ত্ৰীয়ে কৈছিল যে মাটিহীন খেতিয়কক কোনেও মাটিৰ পৰা উঠাব নোৱাৰে যি বংশানুক্ৰমে খাই আহিছে। কিন্তু পঞ্চায়তৰ মুখিয়াল সকলে যেনেকৈ দেৱালয়ৰ মাটি নামজাৰি কৰি লৈছে সেই দৰেই ছিলিং আইনৰ মাটি দখল কৰিছে। এনেকি চৰকাৰেও চিলিং আইনত যোৰ মাটি বেচি দাম দি কিনিছে। এতিয়াও গুৱাহাটীৰ ভিতৰতে চৰকাৰে চিলিঙৰ মাটি দামত কিনিছে।

উপাধ্যক্ষ মহোদয় আজি ১২-১৪ বছৰেও চৰকাৰে অধিগ্ৰহণ কৰা মাটিৰ ক্ষতিপূৰণ দিব পৰা নাই। মঠাউৰীৰ কাৰণে মাটি অধিগ্ৰহণ কৰিছে অফিচ ঘৰৰ কাৰণে মাটি অধিগ্ৰহণ কৰিছে কিন্তু টকা আজিও দিব পৰা নাই। আনহাতে সোনাপুৰৰ চাহ বাগিছাখন ৯ লাখ টকাত বন্দবস্ত কৰি ৩ দিনৰ পিচত ৬৩ লাখ হল আৰু সেই টকা ১৫ দিনৰ ভিতৰতে পেমেন্ট হল। জালান নগৰতো সেই অৱস্থাই হল। কিন্তু দুখীয়া খেতিয়কৰ মাটি অধিগ্ৰহণ কৰিলে মঠাউৰীৰ কাৰণে আৰু আজিও টকা পোৱা নাই। কাচাৰিলৈ আহি বাৰান্দাই বাৰান্দাই ঘুৰি ফুৰিছে কিন্তু টকা পোৱা নাই। যি দুই এজনে পাইছে তাৰো আধা টকা ভেটি দিওতেই যায়। ১০০০ টকাৰ ভিতৰত ২০০ টকাহে ঘৰলৈ নিব পাৰিছে ৮০০ টকা অত তত ভাগ বতৰা কৰোতেই যায়। কেৰেনীক চাহ তামোল খুৱাওতে যায়। বৰ কেৰেনী ওচৰ পোৱালৈকে ৫০০ টকা যায়। তাৰ পিচত অবৰ সচিব আৰু পিচত অৰ্ডাৰ হাতত পৰালৈকে ৮০০ টকা হয়গৈ। এই খেল আজিও চলি আছে। এই কেৰোণ বিলাক দুৰী কৰা নহল।

মই গুৱাহাটী চহৰৰ মাটি বন্দবস্তি সম্পৰ্কে অলপ কব বিচাৰিছো। ৰাজহমন্ত্ৰীয়ে আজি প্ৰশ্নোত্তৰৰ সময়ত কৈছিল যে দিশপুৰৰ অস্থায়ী ৰাজধানীৰ বাবে প্ৰাইভেট পাৰ্টিৰ পৰা মাটি লোৱা হৈছে। যি বিলাকৰ পৰা মাটি লৈছে তাৰ সৰহ সংখ্যকেই অসমীয়া মানুহ। তেওঁলোকৰ বাসস্থানৰ কাৰণে, খেতিৰ কাৰণে মাটিৰ বন্দবস্তি চৰকাৰে কৰি নিদিলে। এতিয়া তেওলোকে মাটি কিনিব নোৱাৰে। ক্ষতিপূৰণৰ বাবে ১৬-২০ হেজাৰ টকা দিছে, এই টকাৰে মাটি কিনিব নোৱাৰে। গুৱাহাটীৰ আশে-পাশে ৩য় আৰু ৪ৰ্থ শ্ৰেণীৰ কৰ্ম্মচাৰী সকলে পৰ্ব্বতে প্ৰান্তৰে একঠা

তুকঠা মাটিত ঘৰ বান্ধি আছে, এতিয়া চৰকাৰে উচ্ছেদৰ আদেশ দিছে। এই কম দৰ্ম্মহা পোৱা কৰ্ম্মচাৰী সকলক চৰকাৰে থাকিবলৈ এটুকুৰা চালি দিব নোৱাৰে তেনেস্থলত তেওঁলোকে পৰ্বতে প্ৰান্তৰে মাটি ভাঙি ঘৰ সাজি আছে। এই মাটি ভাঙি উলিওৱাৰ পিচত বাসস্থানৰ বাবে উপযোগী হৈছে বাবে ডাঙৰ ডাঙৰ বিষয়া সকলে এই মাটিত চকু দিছে। তেওঁলোকে ভাবিছে এই মাটি আমাৰ বাসস্থানৰ বাবে উপযোগী হব। গতিকে উচ্ছেদৰ আদেশ দিছে। গুৱাহাটী চহৰত এতিয়া অসমীয়া মানুহ হাতৰ আঙুলিত গনিব পাৰি। এনে অৱস্থাত অসমীয়া মানুহৰ বাসস্থান কৰি দিয়াৰ দায়িত্ব চৰকাৰৰ। এইটো কৰিবই নোৱাৰে তেওঁলোকে নিজে পৰ্বতে প্ৰান্তৰে যি মাটি ভাঙি ঘৰ সাজি আছে তাৰ পৰাও উচ্ছেদ কৰাৰ দিহা কৰিছে। চৰকাৰী নিয়ম মতে তেওঁলোকক ৰেহাই মুল্যত সেই মাটি দি দিব লাগে।

উপাধ্যক্ষ মহোদয়, মই এতিয়া কৃষিপাম নিগম সম্পৰ্কে তুষাৰ কব বিচাৰিছো। আমাৰ কৃষি আৰু ৰাজহ বিভাগৰ যি বিলাক সুত্ৰ ই যদি আৰু বেচি দিন চলি থাকে তেন্তে কাকো মাটি দিব নোৱাৰে। উদাহৰণ স্বৰুপে মই লক্ষীমপুৰ গাৰৰ কথা কব খুজিছো। লক্ষীমপুৰ গাৰক আদৰ্শ গাওঁ কৰিব নোৱাৰিলে। কাৰণ তাত যি বিলাক বেদখলকাৰী আছে সেই সকলক উচ্ছেদ কৰিব নোৱাৰে। আজি যিবিলাক মাটিহীন মানুহে বেদখল কৰি বহি আছে তেওঁলোকক যদি কৰপৰেচনৰ অংশীদাৰ কৰি উত্পাদন বৃদ্ধি কৰা নহয় তেন্তে অসম দেশত কৃষি পাম নিগম কেতিয়াও কৃতকাৰ্য্য হব নোৱাৰে। তাৰ পিচত মই সংকান্তীয় এটা কেলেংকাৰীৰ কথা মুখ্যমন্ত্ৰী আৰু ৰাজহ মন্ত্ৰীক কব খুজিছো। কামৰূপ জিলাত বহুতো মাটি ব্ৰহ্মপুত্ৰই লৈ গৈছে আৰু বহুতো মাটি দি গৈছে। এই গোপচাৰ ভূমিত বহুতো ন-অসমীয়া মানুহে বাসস্থান কৰিছে। এই গোপচাৰ ভূমত গৰু-মহ ৰখাত অসুবিধা হয় বুলি ৰাইজে আবেদন কৰে আৰু চৰকাৰেও উচ্ছেদৰ নিৰ্দ্দেশ দিয়ে, পিচত আকৌ বেদখল কৰে। প্ৰত্যেক বছৰে উচ্ছেদ কৰে আৰু বেদখল কৰে। আজি ২৫ বছৰে চাহুল্লাৰ দিনৰ পৰা এই নাটক চলি আছে। গোপচাৰ ভূমিত মাটিহীনক মাটি দিয়ক নতুবা সংৰক্ষিত কৰি ৰাখক। কিন্তু তাকে কৰা নাই। এই ভূমিত ন-অসমীয়া পমুৱাৰ নামত মাটবৰ দিৱানী সকলে বেদখল কৰি আছে। তেওঁলোকে হাজাৰ হাঁজাৰ বিঘা মাটি নিজৰ অধীনত লৈ তুথীয়া ন-পমুৱাক তিনি চতুথাংশ ভাগ দি খেতি কৰিছে। এই নপমুৱা

অশিক্ষিত লোকসকলক দিৱানী সকলৰ কবলৰ পৰা ৰক্ষা কৰিব পৰা নাই। তেওঁলোকৰ এচ, ডি, চি, ডি, চি আদি অফিচৰ লগত যোগাযোগ আছে। মোৰ সন্দেহ হয় সেই টকাৰ অংশ চিলংৰ সচিবালয়লৈকো যায়। তেওঁলোকৰ টেলিফোনৰ দ্বাৰা দুখীয়া মানুহ বিলাকক উচ্ছেদ কৰা হয় আৰু দিৱানী সকলক বেদখলৰ সুবিধা কৰি দিয়া হয়। আজি কিছুদিন আগতে এই সদনৰ ৩ জন সদস্য লৈ ৰাজহ মন্ত্ৰীয়ে এটা কমিটি কৰি দিছিল। তাৰোপৰি মুখ্যমন্ত্ৰী মহোদয়ে নিজে গৈ চৰ জমি বিলাক চাই আহিছে। চৰ জমি বিলাকত কেনে ধৰণে মাটি বিতৰণ কৰিব তাক চাবৰ কাৰণে ষ্টেচুৰেৰী কমিটি কৰি দিছিল। সেই ষ্টেচুৰেৰী কমিটি আৰু তিনিজন সদস্যৰ কমিটিয়ে এমাহ আগতে পৰামৰ্শ চৰকাবৰ ওচৰত দিছে। সেই বিলাক ৰাজহ বিভাগত পৰি আছে। তাৰ ওপৰত একচন লোৱা নাই। তাত পৰামৰ্শ আছিল গোপচাৰ ভূমি সংৰক্ষিত কৰিব লাগে নতুবা যি ভূমিহীন মানুহ আছে তেওঁলোকক ব্ৰহ্মপুত্ৰৰ চৰ ভূমিত বসবাস কৰাৰ ব্যৱস্থা কৰিব লাগে। নহলে আগৰ মন্ত্ৰী সভাই যি সমস্যাৰ সন্মূখীন হৈছিল সেই সমস্যাৰ সন্মুখীন হব লাগিব।

উপাধ্যক্ষ মহোদয়, ৰাজহ বিভাগটো টনকীয়াল কৰিবলৈ হলে ৰাজহ বিভাগ সু-সংগঠন কৰি ৰাজহ সংগ্ৰহ আৰু বিতৰণৰ ব্যৱস্থা কৰিব লাগিব। তাক নকৰিলে আগৰ মন্ত্ৰী সভাৰ দৰে মাটি বিতৰণৰ ক্ষেত্ৰত ব্যৰ্থতাৰ সন্মুখীন হব লাগিব। বিজয়নগৰত মুখ্যমন্ত্ৰীয়ে উক্তি কৰিছিল বিধবাৰ মাটিত স্বত্ব নাথাকিব এই উক্তি কৰাৰ আগতে এইটো কথা চিন্তা কৰিব লাগিছিল যে বিধবাই খেতি নকৰে কিন্তু তাৰ অলটাৰনেটিভ কিবা এটা ব্যৱস্থা কৰিব লাগে। তাৰ পিচত কম দৰ্মহা পোৱা লোক সকলৰ স্বত্ব নাথাকিব। এতিয়া পে-কমিচনে ১৮০ টকাৰ নিৰীখ বান্ধি দিছে। এই ১৮০ টকাৰে ৪-৫ জন পৰিয়ালক ভৰণ পোষণ দিব পাৰিব জানো? ইফালে বস্তুৰ দাম দিনে দিনে বাঢ়ি গৈ আছে। যি বিলাকৰ ৮-১০ বিঘা মাটি আছে তেওঁলোকৰ ভায়েক ককায়েকে খেতি কৰি আছে। কিছুমানে আধি দি খাই আছে। এতিয়া সেই মাটি তেওঁলোকৰ হাতৰ পৰা যাব, গতিকে এই বিষয়ে এটা স্পষ্টীকৰণ বিচাৰিছো। মই ৰাজহ টনকীয়াল কৰাৰ ক্ষেত্ৰত, জিলা পৰ্য্যায়ত বা অন্যান্য পৰ্য্যায়ত সু-সংগঠন কৰাৰ যি তিনি চাৰিটা পৰামৰ্শ আগবঢ়াইছো তাক কাৰ্য্যকৰী কৰিব বুলি আশা ৰাখিছো। ৰাজহ মন্ত্ৰীয়ে বৈপ্লবিক

ভূমিনীতিৰ পৰিবৰ্ত্তন আনিবৰ বাবে যৎপৰোনাস্তি চেষ্টা কৰিব বুলি আশা ৰাখিছো। নহলে ভূমি ৰাজহৰ ক্ষেত্ৰত ব্যৰ্থতাৰ সন্মুখীন হব লাগিব। এই খিনিকে কৈ ৰাজহৰ শিতানৰ কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰিলো।

মিঃ ডেপুটি স্পীকাৰ : সকলোৱেই কবলৈ বিচাৰিলে মই সময় বান্ধি দিব লাগিব।

শ্ৰীকেহোৰাম হাজৰীকা : আগতেই সময় বান্ধি দিয়াহলে ভাল আছিল।

মিঃ ডেপুটি স্পীকাৰ ঃ এইটো প্ৰথম কৰ্ত্তন প্ৰস্তাৱ। ইয়াৰ পিচত সময় বান্ধি দিম। মই সেই কাৰণেই আগতেই সুধি লৈছিলো। এতিয়া দেখিছো যিমান কেইজন আছে সকলোৱেই কবলৈ বিচাৰিছে।

শ্ৰীপ্ৰেম বৰা : মাননীয় উপাধ্যক্ষ মহোদয়, ৰাজহ বিভাগৰ শিতানৰ ওপৰত যি কৰ্ত্তন প্ৰস্তাৱ উত্থাপন হৈছে সেই প্ৰস্তাৱ সমৰ্থন কৰি মই দুষাৰমান কব বিচাৰিছো। আমাৰ যি ৰাজহ বিভাগ আছে এইটো 'অৰাজহ' বিভাগ হৈছে। ৰেভিনিউৰ ক্ষেত্ৰত নন ৰেভিনিউ আৰু চেটলমেণ্টৰ ক্ষেত্ৰত নন চেটলমেণ্ট হৈছে। কাৰণ আজি আমি আচল ৰাজহ বিভাগৰ মৰ্ম আচল সমস্যা উপলব্ধি কৰিব পৰা নাই।

উপাধ্যক্ষ মহোদয়, আজি আমাৰ চৰকাৰৰ হাতত আমাৰ খিলঞ্জীয়াকৈ খেতিয়ক মানুহৰ যি পৰিসংখ্যা থাকিব লাগে সেই পৰীসংখ্যা নাই। আজি আমাৰ প্ৰদেশত কিমান খেতিয়ক আছে, কিমান মাটি আছে সেইবিলাকৰ একো হিচাবে নাই। বাগান বিলাকত খেতিৰ উপযোগী মাটি কিমান আছে, কিমান অধিগ্ৰহণ কৰি খেতিয়কক দিবপৰা হব সেইবিলাকৰ একো হিচাব আমাৰ চৰকাৰৰ হাতত নাই। আজি ৰাজহ নীতিত চৰকাৰে বাস্তবিকতে যি দৃষ্টি ৰাখিব লাগে সেই দৃষ্টি ৰখা হোৱা নাই। এইটো কথা মই, উপাধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে ৰাজহ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো।

আজি ভূমি সমস্যাৰ কথা দুটা ভাগত ভগাবলগীয়া হৈছে। এটা হৈছে হ্ৰস্য কালিন ব্যৱস্থা আৰু আনটো হৈছে দীৰ্ঘ কালিন ব্যৱস্থা। আজি হ্ৰস্য কালিন ব্যৱস্থা অসমত এই হিচাবে কৰিব লাগে যিবিলাক মানুহ অসমত বাস কৰি আছে যিবিলাকৰ দুবেলা দুমুঠি খাবলৈ নাই, বাৰিষা থাকিবলৈ এডোখৰ ঘৰ নাই, বাহিৰত থাকিব লাগে সেইবিলাকক অগ্ৰাধিকাৰ দি হ্ৰস্য কালিন পৰিকল্পনাৰ

যোগেদি বাস্তব দৃষ্টি ভঙ্গীৰে দুখীয়া মানুহবিলাকক থাকিবলৈ এডোখৰ ঘৰ আৰু মাটি দিব লাগিব । দীৰ্ঘ কালিন ব্যৱস্থা কৰিবলৈ হলে ভবিষ্যতে অসমত কিমানটা পৰিয়াল থাকিব লাগিব, কিমান মাটি ওলাব, বাগান বিলাকৰ পৰা কিমান মাটি অধিগ্ৰহণ কৰিব পৰা হব, কিমান বিলাক পতিত মাটি অসমত পৰি আছে সেই সেই আটাইবিলাকবে পৰিকল্পনা লৈ এই দীৰ্ঘ ম্যাদি ব্যৱস্থা লব লাগিব ।

উপাধ্যক্ষ মহোদয়, আমাৰ খিলঞ্জীয়া মানুহে দুবেলা দুমুঠি খাবলৈ নাপায় পেট বান্ধি থকাৰ কথাটো অতি আচৰিত আৰু দুখলগা । আমাৰ সমাজ বাদী মুখ্যমন্ত্ৰী আৰু সমাজবাদী নেতা ৰাজহ মন্ত্ৰী ডাঙৰীয়া । আমি আশা কৰো তেখেতসকলে অন্ততঃ খাবলৈ নোপোৱা মানুহখিনিৰ এখন তালিকা কৰি এখেত সকলৰ সমস্যা সমাধান কৰিবলৈ চেষ্টা কৰিব লাগে । আমি আগতে দেখিবলৈ পাইছো যে বিধান সভাত কিবা প্ৰশ্ন কৰিলে সেই প্ৰশ্নৰ পৰা ফালৰি কাটি ৰাজহমন্ত্ৰী আতৰি যায় । কিন্তু এইটো এটা দীৰ্ঘ দিন চলি থকা সমস্যা । অসমত যি বনজ সম্পদ, ভুমি সম্পদ আৰু কিমান খেতিকৰা মানুহ আছে সেইবিলাকৰ সংখ্যা উলিয়ালে এই সমস্যাটো সমাধান কৰা টান নহয় । যদি ৰাজহ মন্ত্ৰী ডাঙৰীয়াই জিলাই জিলাই শিবিৰ পাতি বিভাগীয় কৰ্মচাৰী সকলক লৈ কাম কৰে তেতিয়াহলে হস্য কালিন ব্যৱস্থা লোৱাত একো টান নহয় । আনহাতে এই সমস্যাটো সমাধান কৰিবলৈ একবছৰৰ বেচি সময় নালাগে । যদি ৰাজহ মন্ত্ৰী ডাঙৰীয়াই জিলাই জিলাই মহকুমাই মহকুমাই শিবিৰ পাতি একোমাহকৈ পৰিভ্ৰমণ কৰে তেতিয়া একোখন জিলাৰ কাম কৰিবলৈ এমাহৰ বেচি সময় নালাগিব । এইখিনি কাম চৰকাৰে কিয় কৰিব নোৱাৰে আমি বুজি নাপাও ।

উপাধ্যক্ষ মহোদয়, মই এটা কথা ইয়াৰ লগতে কব খুজিছো যে টেমপৰাৰি চেটেলমেণ্ট টেনানচি বিলখনৰ লগে লগে সাধাৰণ ৰাইজ বিলাকক ভুমিৰ সমস্যা সমাধান হব বুলি আমি আশা কৰিছিলো । এই বিলৰ পিচত দেখা গৈছে যে বহিৰাগত কিছুমান মানুহে বনানঞ্চল আৰু গৰু চৰনীয়া পথাৰ বিলাক অবাধে বেদখল কৰিছে । আৰু আনহাতে জমিদাৰ সকলে মাটি খাই থকা মানুহ বিলা-কক উচ্ছেদ কৰিছে । এই উচ্ছেদ হোৱা লোকৰ সংখ্যা আৰু অবাধে বেদখল কৰা লোক সকলৰ সংখ্যা চৰকাৰৰ হাতত নাই । গতিকে মই বিভাগীয় মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰো যে যোৱা ৩।৪ বছৰৰ ভিতৰত যিবিলাক বেদখল

কাৰী আৰু উচ্ছেদ হোৱা লোক সেইবিলাকৰ হিচাপ চৰকাৰে উলিয়াৰ লাগে। আৰু এইবিলাক বেদখলকাৰীৰ সোত অতি সোনকালে বন্ধ কৰিব লাগিব নহলে শ্ৰীভূপেন হাজৰীকাই কোৱাৰদৰে "অসমতে অসমীয়া মগনীয়া হব"।

অধ্যক্ষ মহোদয়, আৰু এটা কথা মই ইয়াত উল্লেখ কৰিব খুজিছো যে বেদখলকাৰী বিলাকৰ পৰা চৰকাৰে ৰাজহ সংগ্ৰহ কৰিব পৰা নাই। আৰু তাৰফলত চৰকাৰে বহুতো ৰাজহ হেৰুৱাইছে। এই বেদখলকাৰী বিলাকক চৰকাৰে নীতিগত ভাবে মাটি দিব নোৱাৰে আৰু এই মানুহ বিলাকে চৰকাৰৰ পতিত মাটি বা চৰনীয়া পথাৰ বিলাক বেদখল কৰি আছে। এই মানুহ বিলাকৰ পৰা ৰাজহ আদায় কৰিব পাৰিলে চৰকাৰৰ ৰাজহ বাঢ়িব।

তৃতীয়তে মই অসমৰ চাৰভে বিভাগৰ কথা কব বিচাৰিছো। অসম খন আজি ভাঙি টুকুৰা টুকুৰ হৈ গল। অসমৰ চাৰভে বিভাগটো ইমান সৰু যে ই অসমৰ চাৰিসীমাটোকে ঠিক কৰি দিবপৰা নাই। আজি যিবিলাক নতুন নতুন ৰাজ্য হৈছে সেই আটাইবিলাকৰ লগতে অসমৰ সীমা বিবাদ হৈছে। আৰু সীমামুৰীয়নি ঠাই বিলাকত বাহিৰৰ মানুহে বেদখল কৰি আছে। আমাৰ অসমৰ চাৰৰ্ভে বিভাগে এইবিলাকৰ সম্পৰ্কত একো মীমাংশা দিবপৰা নাই। আমাৰ যদি চৌহদটোকে ৰাজহ মন্ত্ৰী মহোদয়ে নাজানে তেন্তে কত কিমান মাটি বেদখল কৰি আছে, কিমান মাটি কোনে খাই আছে এইবিলাক কথা নাজানিব। গতিকে আমাৰ ৰাজ্যৰ কিমানখিনি মাটি আছে সেই মাটি কালিৰ এটা হিচাব ৰাজহ মন্ত্ৰীক লবলৈ অনুৰোধ জনালো।

লক্ষীমপুৰ জিলাখন এখন সম্পূৰ্ণ জিলা হল যদিও আজিলৈকে তাত চেটোলমেণ্টৰ কাম একো হোৱা নাই। আগতে ডিব্ৰুগড় জিলাৰ লগত থাকোতে কিছু কাম হৈছিল কিন্তু ডিব্ৰুগড় জিলা ফালি যোৱাৰ পিচত আমাৰ কোনো কাম হোৱা নাই। আজি মই ৰাজহ মন্ত্ৰী মহোদয়ক অনুৰোধ কৰো লক্ষীমপুৰ পূৰ্ণ পৰ্য্যায়ৰ জিলা হোৱাৰ পিচতো কিয় আজিলৈকে তাত কোনো চেটলমেণ্ট অফিচাৰ নিযুক্তিৰ ব্যৱস্থা হোৱা নাই। বেচি সময় কৈ আৰু সময় নলও ইয়াকে কৈ মই কৰ্তন প্ৰস্তাৱটো সমৰ্থন কৰিলো।

---

*শ্ৰীকোহোৰাম হাজৰীকা : মাননীয় উপাধ্যক্ষ মহোদয়, ৰেভিনিউ শিতানৰ ওপৰত যি কৰ্ত্তণ প্ৰস্তাব আনিছে সেই প্ৰস্তাব সমৰ্থন কৰি দুষাৰ মান কথা কবলৈ বিচাৰিছো। আমি যদি আজি ৰাজহ বিভাগৰ কথা বিশ্লেষণ কৰি চাও তেনেহলে দেখিবলৈ পাও যে এই বিভাগটোৱে ধনী মানুহ খিনিৰ উপকাৰ কৰাৰ পৰিবৰ্ত্তে দুখীয়া জনসাধাৰণৰ একো উপকাৰ কৰিব পৰা নাই। ভূমিৰ ভাগ বটোৱা নীতি লৈ যদি আমি চাওঁ তেনেহলে দেখিবলৈ পাও যে ধনী মানুহ বিলাকে যাৰ মাটি আছে সেই সকলেই মাটি পাই আছে আৰু যাৰ মাটি নাই দুখীয়া মানুহ সেই সকল মাটি পোৱাৰ পৰা বঞ্চিত হৈ আহিছে। আজি চৰকাৰৰ যি ভূমি নীতি এই নীতিয়ে জটিলতাৰ সৃষ্টি কৰিছে। দুখীয়া খেতিয়কৰ মনত এই নীতিৰ প্ৰতি যি ধাৰণা সোমাইছে সেইটো এটা চিন্তা কৰিবলগীয়া বিষয় হৈ পৰিছে।

উপাধ্যক্ষ মহোদয়, আপুনি বোধ কৰো জানে আমাৰ যিবিলাক দুখীয়া খেতিয়কে খাজানা দিব নোৱাৰে সেই সকলৰ মাটি লিলামত যোৱাৰ নিৰ্দ্দেশ চৰকাৰে দিছে। যদি দুখীয়া খেতিয়কে এক বছৰ বা দুই বছৰ খাজনা দিব নোৱাৰে তেনেহলে মাটি লিলামত যায়। তাৰ পিচত দুখীয়া খেতিয়কে নানা ৰকমে চেষ্টা কৰি সেই মাটি উধাৰ কৰিবলগীয়া হয়। এই দৰেই আমাৰ দেশৰ দুখীয়া খেতিয়কৰ ওপৰত উত্‌পীড়ণ চলাই আহিছে। আৰু দুখীয়া খেতিয়কে যি টকা নানা কষ্ট কৰি খাজনা হিচাবে মৌজাদাৰৰ হাতত দিয়ে সেই টকাও মৌজাদাৰৰ হাততে থাকি যায়। সেই টকা আদায় কৰিবৰ কাৰণে কোনো ধৰণৰ চেষ্টা কৰা নাই। ইয়াৰ আগত মই কেবাৰাৰো সদনত এই বিষয়ে উত্থাপন কৰিছিলো যে খেতিয়ক সকলৰ পৰা খাজনা জোৰ-জুলুম কৰি হলেও আদায় কৰা হয় কিন্তু ১ বছৰ ২ বছৰ কাল জমীদাৰৰ হাতত জমা হৈ থকা খাজনাৰ টকা-পইচা আদায় কৰিব পৰা নাই আৰু তেনে ধৰণৰ কোনো ব্যৱস্থায়ো লোৱা দেখা নাই। গতিকে মই চৰকাৰক দাবী কৰিব বিচাৰিছোঁ। এই দুখীয়া খেতিয়ক সকলৰ পৰা মৌজাদাৰ সকলে আদায় কৰা টকা-পইচা যাতে আদায় কৰাৰ ব্যৱস্থা কৰে।

*Speech not corrected

এই সদনত বহু বাৰ আলোচনা কৰা হৈছে যে দুখীয়া খেতিয়কসকলৰ ওপৰত আগৰে পৰা খাজনা লোৱাৰ যি পদ্ধতি চলি আছিল সেই পদ্ধতিৰপৰা এতিয়া তেওঁলোকক ৰেহাই দিব লাগে। আজি আমি মাটিৰ বৈপ্লবীক ভূমি সংস্কাৰ বিচাৰিছোঁ তেনে ক্ষেত্ৰত যদি আমি আগৰ দৰেই এই দুখীয়া খেতিয়ক সকলৰ পৰা খাজনা আদায় কৰা পদ্ধতি গ্ৰহন কৰো তেতিয়া হলে সেই পদ্ধতিৰ দ্বাৰা দুখীয়া খেতিয়ক সকলে কেতিয়াও ৰেহাই নাপাব, গতিকে আগৰ খাজনা লোৱা পদ্ধতিটোৰ অবসান ঘটাব লাগে। কাৰণ যি সকল খেতিয়কৰ ২ পুৰা বা ৩ পুৰা মাটি বা ১৫ বিঘা মাটিত খেতি হয় সেইসকলে নিজৰ পৰিয়ালটো অতি কষ্টৰে পুহিব লগীয়া হয়, তেওঁলোকে আধা খাই জীৱন যাপন কৰিব লগীয়া হয়। গতিকে সেইসকল দুখীয়া খেতিয়কৰ ওপৰত যি খাজনা আদায় কৰা হৈছে সেই খাজনা উঠাই দিব লাগে আৰু ভূমি সংস্কাৰৰ লগত ইয়াৰ গভীৰ সম্পৰ্ক আছে। সেই কাৰণে মই চৰকাৰৰ ওচৰত দাবী জনাইছোঁ যে আজি যি ভূমি সংস্কাৰ আইন প্ৰনয়ন কৰা হৈছে সেই মতে এই দুখীয়া খেতিয়ক সকলক খাজনাৰ পৰা ৰেহাই দিব লাগে।

তাৰ পাছত মাটি বিতৰণ কৰাৰ ক্ষেত্ৰত, উপাধ্যক্ষ মহোদয় এই সদনতে কেবাবাৰো আলোচনা হৈছে, কেন্দ্ৰীয় চৰকাৰে চেণ্টেল এগ্ৰিকালচাৰেল ৰিহে-বিলেশ্যন স্কীম' 'এক্সিকিউট কৰিবৰ কাৰণে কেবাটাও আঁচনি লোৱা হৈছিল, আমাৰ নগাওঁ অঞ্চলতো এই আঁচনিৰ কাম লোৱা কথা আছিল আৰু তাক কাৰ্যকৰী কৰিবৰ কাৰণে ভূমিহীন খেতিয়কক মাটি বিতৰণ কৰিবৰ কাৰণে এখন উপদেষ্টা কমিটি গঠন কৰা হৈছিল, সেই উপৰেষ্টা কমিটিয়ে বহুবাৰ চেষ্টা কৰি এখন লিষ্ট তৈয়াৰ কৰিছিল। ১৯৬৮ চনতে এই লিষ্ট তৈয়াৰ কৰা হ'ল কিন্তু আজিলৈ সেই আঁচনি আৰু কাৰ্য্যকৰী কৰা নহ'ল। অসমৰ কাৰণে 'চেণ্ট্ৰেল এগ্ৰিকালচাৰেল ৰিহেবিলিশ্যন স্কীম' য়ে যি টকা-পইচা দিছে সেই টকা-পইচা বোৰ কোনোৱা ঠাইত বা কোনোৱা জিলাত ৰিফাণ্ডকৰি দিছে আৰো কোনোবা ঠাইত এনেয়ে ৰাখি দিছে কিন্তু সেই আঁচনি বিলাক কাৰ্যকৰী নহল। মই চৰকাৰক এই বিষয়ে কেবাবাৰো পৰামৰ্শ দিছিলো, 'নখুটিত' এই বিষয়ে আঁচনি লোৱা হৈছিল আৰু সেই পৰিপেক্ষিতত সেই অঞ্চলৰ মানুহ বিলাকক মাটি দিয়া হব বুলি আৰু মাটি পট্টন দিয়া হব বুলি

উপাৰুক্তই নটিচ জাৰি কৰিছিল কিন্তু কাকো তাত মাটি দিয়া নহল, কিছুমান মানুহে তাত খেতি-বাতি কৰি আছিল পাছত তেওঁলোকৰ মাজত যুজ-বাগৰ হোৱাৰ কাৰণে আৰু চৰকাৰৰ হেমাহীৰ কাৰণে সেইটো আৰু কাৰ্য্য-কৰী নহ'ল।

মই আগতেই এই সদনতে এটা কথাৰ অভিযোগ ডাঙি ধৰিছিলো হাতিচুঙৰ ওচৰতে এখন ৰিজাৰ্ভত কৃষি নিবনুৱা যুৱকক মাটি দিয়া হব বুলি কেবাজনো কলেজত পঢ়ি থকা ডেকা লৰাৰ নামত আৰু চাকৰি কৰা ডেকাৰ নামত মাটি পট্টন দিয়া হ'ল আৰু যি সকল ডেকাক সেই মাটি পট্টন দিয়া হৈছিল সেই সকলৰ বাপেকো একোজন মাটিৰ মহাজন, কোনোবা জনৰ হয়তো ১০০ বিঘা আকৌ কোনোবা জনৰ হয়তো ৮০ বিঘা মাটি আছে, সেইটো নানা কাৰণত আপত্তি কৰাৰ ফলত এই মাটি খিনি কেনচেল কৰা হ'ল। ডেপুটি কমিচনাৰৰ ওচৰত ৰাইজে বাৰে বাৰে অভিযোগ উত্থাপন কৰিছে কিন্তু উচ্ছেদ কৰিব পৰা নাই। আনহাতে দুখীয়া মানুহে দুই এবিঘা মাটি দখল কৰিলে ই নানা ভাবে জলুম কৰা হয়। আনহাতে ডাঙৰ ডাঙৰ নেতাসকলে যি মাটি দখল কৰিছে তেওঁলোকক উচ্ছেদ কৰিব পৰা নাই। নগাও জিলাৰ চিং অঞ্চলত ৰিজাৰ্ভত ডাঙৰ নেতাই মাটি বেদখল কৰিছে উচ্ছেদ কৰিব পৰা নাই। তাৰপিচত চিলিং আইনৰ ৰায়তী স্বত্ব দিয়া আইন পাচকৰা হল, তাক আজিও কাৰ্য্যকৰী কৰিব পৰা নাই। আমাৰ চাহ বাগিচাৰ স্বইচ্ছাই মাটিৰ হিচাব দাঙি ধৰিব আৰু চৰকাৰে তাক লব, সেই আশা কৰা ভুল হব। চৰকাৰী হিচাবমতে চাহবাগান বিলাকৰ যি উতৰ মাটি আছে তাক অধিগ্ৰহন কৰাৰ ব্যৱস্থা কৰক। আৰু যদি কোনোবাই আপিল কৰিব খোজে তাৰ ব্যৱস্থা কৰি দিয়ক।

তাৰপিচত নগাও জিলাৰ সম্পৰ্কে শ্ৰীমতী বৰকটকীয়ে কৈ গৈছে। এম, এল, এ সকলৰ পৰা ২৫ জনকৈ মাটিহীন খেতিয়কৰ নাম দিয়া হৈছিল। মৌদঙা ৰিজাৰ্ভত কিছুমান দুখীয়া মানুহ বহি আছিল। এই ৰিজাৰ্ভত লক্ষীমিপুৰ গাওঁ আছে। কেইবাবছৰ ধৰি তাত ফৰেষ্ট ৰিজাৰ্ভ আছিল। তাত পুলিচক এখন ফাৰ্ম্ম কৰিবলৈ দিয়া হৈছিল। পুলিচে মাজে সময়ে তালৈ যায় আৰু দুই এবিঘা মাটিত ধান ৰুই তাৰে ভোজভাত খায়। পুলিচক দিয়া মাটিৰ আশে পাশে দুখীয়া ভূমিহীন মানুহে দখল কৰিছিল। তেওলোকক উচ্ছেদ কৰা হৈছে।

আমি আশা কৰিছিলো কৰপৰেচনৰ জৰিয়তে উপযুক্ত মাটি খেতিয়ক সকলে পাব। এতিয়া শুনিবলৈ পাইছো যে মৌদঙাৰ সিদ্ধান্ত স্থগিত ৰখা হৈছে। কেৱল লুতুমাৰী ৰিজাৰ্ভৰ সিদ্ধান্ত লোৱা হৈছে। লুতুমাৰীত মাটি বেদখল কৰি বহি আছে সেইসকলক চৰকাৰে উচ্ছেদ কৰিব পৰিবনে নোৱাৰে মই কব নোৱাৰো। এইবিলাকৰ যদি ভাল ব্যৱস্থা এতিয়াই কৰা নহয় তেন্তে সোনাই ৰিজাৰ্ভৰ দৰে ব্যৰ্থ হব লাগিব। সেইকাৰণে মই পৰামৰ্শ আগবঢ়াইছো মাটি বিতৰণৰ ক্ষেত্ৰত কৰপৰেচনৰ জৰিয়তেই হওক বা ব্যক্তিগত ভাবে হওক তড়িত গতিত কাম কৰিব লাগে। শামুকৰ গতিত চলিলে কৰপৰেচনৰ কাম সম্পূৰ্ণ নহব। সেইকাৰণে মই পৰামৰ্শ দিছো এই ৰাজহ বিভাগটো পুনৰগঠন কৰিব লাগে বৃটিচৰ দিনৰ লেণ্ড মেনুয়েলৰ দ্বাৰা ভূমিহীনক মাটি দিব নোৱাৰিব। গতিকে নতুন লেণ্ড মেনুৱেল তৈয়াৰ কৰি তড়িত গতিত মাটি দিয়াৰ ব্যৱস্থা লওক এইখিনিকে কৈ মই কৰ্তন প্ৰস্তাবটো সমৰ্থন কৰিলো।

Shri Charan Narzary : Mr. Deputy Speaker, Sir, in support of the Motion on the Government demand for grants under the Head Revenue I want to make ew observations and I will finish my observations within 10 ( ten ) minutes. Mr. Deputy Speaker, Sir, the Government have never been able to give settlement of land to the landless peasants. As a matter of fact, the machinery which has been empowered to give settlement of land to the landless people is bureaucratic in character and the long chain of this bureaucratic machinery has been the cause of extreme harassment to the people who are landless. The high-ups in this particular department are never easily accessble. The poor, innocent and illiterate landless people have got no easy access to them. At the sametime the Government have also miserably failed to implement its policy of land-reform.

Mr. Deputy Speaker, sir, today the Government is frequently changing its land policy. Now, if a landless man goes to the officer or to the Minister with a petition for a plot of land, what is the answer ? The answer is that land is now not given to individual. Lands are available to the people only in the name of Agricultural Farming Corporation. Well, very good, if lands can be made available to the landless people in the name of Agricultural Farming Corporation. But Mr. Deputy, Speaker, Sir, lands will never be made available to be landless peasants. Sir, with a view to giving settlement of land to the landless people, the Govt. have enacted the Land Ceiling Act and Govt. have promised that lands will be made available to the people where they will be cultivating paddy and other crops through Agricultural Farming Corporation. But that is not possible. Our experience is clearly indicative of the fact the lands which have been made available as result of the implementation of the Ceiling Act are scattered everywhere not concentrated. Sufficient land to undertake the agricultural farming corporation is not available at a particular place. So Sir, how the Government policy on land will be successful ? There is not ray of hope.

As a matter of fact the Government machinery has ever remained bureaucratic. I will repeat it again and again. Over and above this, Sir, we have seen that the Government appears to have found pleasure in rendering the people more and more land-less and homeless. This is the summer season and many parts of the State are al-

ready affected by devastating floods and what the Government is doing ? The Government is at the same time, evicting large number of peasants. In to-day's paper I have seen a news item in Dainik Asom that in Dayang reserve 12 hundrede famlsies have been evicted by the Government. They already raised various crops on their land. But the Government, which has been advocating the slogans of "grow more food" and give land to the landless people" is rendering the innocent landless people more landless and homeless, Because during this summer season no materials are available to construct the houses. I will ask the Government whether it will give shelter to these helpless evicted people ? If the Government cannot give them protection and shelter, Sir, I will say that this Gov. vernment has no right whatsoever to continue in office. Because the Government is the guardian of the people and when the Government fails to protect and feed the people it has no moral right whatsoever to give moral instruction or sermon to the people. High sounding slogans will not solve the problem,

Sir, the fate of the Plains Tribal people is the worst. The problem of landlessness is there everywhere, but the problem of landlessness and land alienation amongst the Plains Tribals assuming more and more serious dimension. Now, what is the remedy ? Is there any remedy ? Is there any solution ? The other day I told the House, so far the Government have no definite policy on the affairs of the Plain Tribals. Sir, I do not want to prolong my

speech. What I want to say is this: this Government has miserably failed to solve the problem of landlessness and as a member of the Plains Tribal community who are now demanding homeland, I will simply pray to God, O God! The plains tribals are the Jews in this part of the world. Give them a homeland where they can live as human beings.

Thank you, Sir.

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী: মাননীয় উপাধ্যক্ষ মহোদয়, কেইটামান 'টেক্নিকেল' বিষয় সম্পৰ্কে মই কব বিছাৰোঁ। সেইটো হৈছে আমাৰ গোৱালপাৰা জিলাৰ মাটি সম্পৰ্কে হোৱা গণ্ডগোল সম্পৰ্কে। মোৰ নিজৰ চৰ্কোলত ৮ হেজাৰ এনমেলিৰ কেছ আজি বহুতদিন ধৰি পৰি আছে। এইবিলাকৰ আজিও কোনো সংসোধনী হোৱা নাই। এইবিলাক যদি সংসোধন কৰিব পৰা নহয় তেতিয়া-হলে, কেতিয়াও খাজনা আদায় কৰিব পৰা নহব। চৰকাৰে যদি নিজৰ পলিশিৰেই আয়ৰ পথবোৰ এইদৰে বন্ধ কৰি লয় তেতিয়াহলে, চৰকাৰৰ ডেফিচিট বাজেটলৈ পইছা অহাৰ পথো নাইকীয়া হৈ যাব। মোৰ নিজৰ চাৰ্কোলতে এইয়া। গোটেই চাৰ্কোলবিলাক লগ লগালে যে এনেকুৱা কিমান কেছ পৰি থাকে তাৰ অন্ত নাইকীয়া। নামজ্ঞাৰি কাৰণ এবাৰ টকা আদায় কৰি লোৱা হয়। তাৰ পিছত নতুনকৈ আকৌ নটিশ দি ৰেভিনিউ অফিচত টকা আদায় কৰা হয়। এইদৰে আমাৰ ৰাইজে সদায় দুৰ্ভোগ ভুগি আছে। এই ভিতৰুৱা কথাবিলাক আমাৰ চৰকাৰে নভৱাটো সঁচাকৈয়ে বৰ পৰিতাপৰ কথা। তাৰোপৰি মোৰ সমষ্টিৰে চাৰ্কোল অফিচটোৰ কথাই মই কব খোজোঁ যে, এই অফিচটোৰ দুখলগা অৱস্থা। আমাৰ ভূতপূৰ্ব মূখ্যমন্ত্ৰী শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী দেৱেও দেখি আহিছিল কিন্তু সেইটো হলে আজিও সেই একেধৰণেই আছে। ফলত পুৰণি অফিচৰ ৰেকৰ্ড-পাতি আদি সকলো নষ্ট হৈ গৈছে। সেইকাৰণেইহে মই চৰকাৰক এই কথা কব খোজোঁ যে, এই অফিচ ঘৰবিলাকৰ যদি ভাল অৱস্থা কৰিব পৰা নহয় তেতিয়াহলে, ইয়াৰ দ্বাৰা কেতিয়াও ভাল কাম হব নোৱাৰে। তাৰোপৰি মিছা ৰচিদ দি টকা আদায় কৰাৰ বহুতো উদাহৰণ আছে। গোলোকগঞ্জত কেইবা লাখ টকাৰ ৰেভিনিউৰ টকাৰ ক্ষেত্ৰত

গণ্ডগোল হৈ আছে। এই অফিচ বিলাকত সঘনে ডাঙৰ অফিচাৰ সকলৰ পৰিদৰ্শনৰ ব্যৱস্থা নথকাৰ কাৰণে এইদৰে আমাৰ জনসাধাৰণে নানান দুৰ্ভোগ ভোগ কৰি থাকিবলগা হৈছে। এতিয়া নকোটি টকাৰ ৰাজহ আছে কিন্তু এনেকুৱা ৯ কোটি নেলাগে কতকোটি টকা ঘোচত গৈ আছে তাৰ হিচাব নাই। মণ্ডল-কানমণ্ড বিলাকে পইছা খাই এজনৰ ৰেকড অন্য এজন মানুহৰ কৰি কত যে, অন্যায় কৰি আছে তাৰ অন্ত নাই। এই প্ৰসঙ্গতে মই কওঁ যে, যিহেতুকে কেন্দ্ৰীয় চৰকাৰৰো এটা ডিক্টেশ্যন' আছে সেইফালৰ পৰা ৰাইজৰ হিয়েৰিং শুনিবৰ কাৰণে এড্‌ভাইজৰি কমিটিয়েই হওঁক বা তেনেধৰণৰ অন্যকোনো কমিটিয়েই হওঁক চৰকাৰে অনতি পলমে পাতি দিব লাগে। তেতিয়াহলে এই সংসোধনী বিলাক সোনকালে কৰাৰ বৰ সুবিধা হব। গতিকে অতিসোনকালে এইবিলাক সংসোধনী কৰিবৰ কাৰণে মই আমাৰ চৰকাৰক অনুৰোধ জনাইছোঁ। এইখিনিকে কৈ মই সামৰিছোঁ।

শ্ৰীনগেন বৰুৱা : উপাধ্যক্ষ মহোদয়, মই দীঘলীয়া কথা কব নোখোজো, মাত্ৰ কেইটামান কথাৰ কাৰণে চৰকাৰৰ ওচৰত দাবী জনাব বিচাৰিছো। এটা হ'ল আমাৰ বৰ্ত্তমান যি ভূমি নীতি সেই মতে আমাৰ যিবিলাক ভূমিহীন মানুহ আছে যিবিলাক বান-বিদ্ধস্ত লোক আছে নাইবা যিসকল লোক গড়াখহনীয়াৰ কাৰণে বিপদত পৰিছে সেইবিলাক মানুহক কৃষি পাম নিগম কৰি নিগমৰ জৰিয়তে মাটি দিয়াৰ কথা চৰকাৰে চিন্তা কৰিছিল। কিন্তু সেই লোকসকলক মাটি দিয়াৰ কাৰণে আমাৰ ফালৰ পৰা আৰু ৰাইজৰ ফালৰ পৰাও দাবী কৰি থকা হৈছে যদিও আজিলৈকে সেই লোকসকলক মাটি দিয়াৰ কোনো ব্যৱস্থা হৈ উঠা নাই। নিগমৰ জৰিয়তে মাটি দিয়াৰ আগতে অৰ্থাৎ নিগম তৈয়াৰ কৰাৰ সময়লৈকে বাৰিষা এই ছয় মাহ তেওঁবিলাকে কি অৱস্থাত থাকিব এই বিষয় চৰকাৰে চিন্তা কৰা উচিত। যোৱা ১৭ মে তাৰিখে মই ব্যক্তিগত ভাৱে মুখ্যমন্ত্ৰী মহোদয়ৰ লগত আলোচনাও কৰিছো। গোলাঘাট আৰু অন্যান্য অঞ্চলৰ যি বিলাক মানুহ গড়াখহনীয়া আৰু বান বিধ্বস্ত হৈছে তেওঁলোকক নিগমৰ জৰিয়তে মাটি দিয়াৰ আগতে কিবা এটা বিকল্প ব্যৱস্থাৰ জৰিয়তে মাটি দিয়াৰ কাৰণে আনকি দৰকাৰ হলে মাটি অধিগ্ৰহণ কৰি হলেও তেওঁলোকক মাটি দিয়াৰ সুবন্দোবস্ত কৰিব লাগে নহলে ইমান দিন তেওঁবিলাক কেনেকৈ থাকিব আনকি ব্ৰহ্মপুত্ৰৰ গড়াখহনীয়াত পৰা লোক

সকলকো কর্তৃপক্ষই বসতিৰ ব্যৱস্থা কৰিব পৰা নাই। নিগম কৰাৰ আগতে এই বান-বিধ্বস্ত লোক সকলক আন কিবা নীতি কৰি হলেও মাটি দিয়াৰ ব্যৱস্থা কৰিব লাগে তেওঁলোকৰ বসতিৰ দিহা কৰিব লাগে। আৰু যদি সেইটো কৰা নহয় তেন্তে এই লোকসকল ছয় মাহ ধৰি কি বিপদৰ সন্মুখীন হব তাক সদনৰ সকলো মাননীয় সদস্যই উপলব্ধি কৰা উচিত। দ্বিতীয় কথা হৈছে যিবিলাক বান-বিধ্বস্ত অঞ্চল সেই বিলাকৰ খেতি বাতি নহয় নতুবা খেতি বাতি নষ্ট হৈ থাকে বছৰে বছৰে সেই অঞ্চলৰ ৰাইজ সকলক তেওঁলোকৰ বছৰৰ খাজনা মাফ দিব লাগে। কিয়নো শালিখেতি কৰিব নোৱাৰিলে বতৰৰ বাবে আৰু আহু খেতিও কৰিব নোৱাৰিলে বানপানীৰ কাৰণে। যিওবা কৰিছিল বানপানীয়ে উটুৱাই লৈ গ'ল। গতিকে সেই লোকসকলৰ কাৰণে জীয়াই থকাৰ এটা উপায় দিব লাগে। মাটিৰ খাজনা সম্পূৰ্ণৰূপে ৰেহাই দিয়াৰ লগতে তেওঁলোকক পুনৰ সংস্থাপন কৰিব লাগে কাজিৰঙা অঞ্চলৰ বোকাখাটৰ পৰা জখলাবন্ধালৈকে যিবিলাক অঞ্চলত ৰাষ্ট্ৰীয় পাৰ্ক কৰা হৈছে আৰু যোৱা ৪০ বছৰৰ ভিতৰত ব্ৰহ্মপুত্ৰৰ গড়াখহনীয়াৰ প্ৰকোপত থাকিব নোৱাৰি যিবিলাক লোক অন্যান্য ঠাইৰ পৰা আহি তাত বসবাস কৰিছিল তেওঁবিলাকৰ কাৰণে কেনো ৰাস্তা ঘাট নাই আৰু ৰাষ্ট্ৰীয় পাৰ্ক কৰা ঠাইৰ মানুহৰ কাৰণে খেতি নাই তেওঁলোকৰ নিৰাপত্তা নাই আৰু অন্যান্য সামাজিক নিৰাপত্তাও নাই গতিকে চেন্‌চুৰেৰি ডিক্লেৰেচন দিয়াৰ লগে লগে সেই মতে নতুন পৰিকল্পনাত গাৱঁত বাস কৰা ৰাইজৰ খেতিবাতিৰ ব্যৱস্থাৰ কাৰণে আঁচনি কৰি হলেও সুবিধা কৰি দিয়া উচিত হব। এই তিনিটা কথাৰ কাৰণে মই দাবী কৰিছো, বেছি দীঘলীয়া কথা কব খোজা নাই।

শ্ৰীৰমেশ চন্দ্ৰ চহৰীয়া: উপাধ্যক্ষ মহোদয়, মই কৰ্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি কব খুজিছো যে আমাৰ ভূমিনীতিৰ এটা পৰিবৰ্তন দেখা গৈছে আৰু এই পৰিবৰ্তন ইতিমধ্যে ৰাইজে মানসিক ভাৱে গ্ৰহণ কৰিছে আৰু আগতে যি বিলাকে বিৰোধিতা কৰিছিল সেই বিলাকো এতিয়া উত্‌সাহ উদ্দীপনাৰে আগবাঢ়ি আহিছে। কৃষি পাম নিগম কৰাৰ সংক্ৰান্তত ৰাইজৰ মাজত যথেষ্ট উত্‌সাহ পৰিলক্ষিত হৈছে। বিশেষকৈ ভূমিহীন খেতিয়কৰ মাজত। আমি জনাত এই ভূমিহীন লোক সকলে কৃষি পাম আদি খুলিবলৈ বহুতো দখাস্ত কৰি

ৰৈ আছে আৰু ইয়াৰ বাবে তেওঁবিলাকে আগ্ৰহান্বিত হৈ আছে। ইতিমধ্যে মাটি পৰ্য্যন্ত চৰকাৰে দি দিছে। মঙ্গলদৈ মহকুমাৰ চাহবাগানৰ যিবিলাক মাটি আছে বিশেষকৈ উত্তৰ অঞ্চল, অৰ্থাৎ যি বিলাক মাটি চিলিং আইনৰ উদ্বৃত্ত মাটি সেই বিলাক অতি সোনকালে ভূমিহীন লোকৰ মাজত কৃষিপামৰ জৰিয়তে বিতৰণ কৰিব লাগে। এই সম্পৰ্কত দৰকাৰ হলে আৰু অধিক পৰিমানে কৃষি পাম নিগম খোলাটো উচিত হব। এই সম্পৰ্কে অতি সোনকালে কাম হাতত লবলৈ বুলি ৰাজহ আৰু ভূমি বিভাগক অনুৰোধ জনালো মুখ্যমন্ত্ৰী মহোদয়ৰ জৰিয়তে। কিয়নো সোনকালে এই কাম হাতত নললে সময়ত নানান বাধা বন্ধকতা আহিব পাৰে। গতিকে এই মাটি বিলাক ৰাজহ বিভাগৰ পৰা অধিগ্ৰহণ কৰাৰ ব্যৱস্থা কৰিব লাগে। কিয়নো জাষ্টিচ ডিলেইড মানে জাষ্টিচ ডিনাইড।

উপাধ্যক্ষ মহোদয়, এই সম্পৰ্কত আৰু এটা কথা হৈছে এচ-ডি-চি চাৰ্কোল খোলা বিষয়ে। এইটো দুখ লগা কথা যে স্বাধীনতাৰ পচিশ বছৰ পিচতো মঙ্গলদৈ অঞ্চলত মাত্ৰ চাৰিটাহে চাৰ্কোল আছে অথচ ওচৰতে থকা কামৰূপত ১৬ টাৰো অধিক এচ-ডি-চি চাৰ্কোল অফিচ আছে। তাত ২-৩ টা লগ লগাই একোটা চাৰ্কোল কৰিছে কিন্তু মঙ্গলদৈত ১৫-১৬ টা লগ লগাইহে একোটা চাৰ্কোল কৰিছে। ৰাজহ মন্ত্ৰী মহোদয়ে মঙ্গলদৈ মহকুমালৈ গৈছিল আৰু চাৰ্কোল খোলা হব বুলি কৈছিল কিন্তু এতিয়ালৈকে একো কৰা নাই। এই সম্পৰ্কত শইকীয়া ডাঙৰীয়াও কৈছে। যোৱা মাহত আকৌ কলাই গাওঁৰ পৰা হেডকোৱাটাৰটো উঠাই নি টিংলাত পাতিছেগৈ। ইয়াৰ কাৰণে কলাই গাওঁ অঞ্চলৰ ৰাইজৰ মনত অসন্তুষ্টিৰে দেখা দিয়ে। মঙ্গলদৈৰ গোটেই উত্তৰ অঞ্চলটো অজনজাতীয় লোকৰ দ্বাৰা বেদখল কৰা হৈ আছে। তাৰ কাৰণেও জনজাতীয় লোকৰ মাজত অসন্তুষ্টিয়ে দেখা দিছে। মই ৰাজহ মন্ত্ৰীক অনুৰোধ কৰো যেন এই অধিবেশনৰ ভিতৰতে ইয়াৰ বাবে উচিত ব্যৱস্থা গ্ৰহণ কৰে। আন এটা কথা হ'ল হতুমা আদি ঠাইৰ মানুহে আজি পোন্ধৰ বছৰ ধৰি তেওঁলোকৰ অধিগ্ৰহণ কৰা মাটিৰ বাবত দুই তিনিলাখ টকা পোৱা নাই আজি পোন্ধৰ বছৰৰ পিচত পোন্ধৰ বছৰ আগৰ মুল্যতকৈ দুই তিনি লাখ টকাৰ মূল্য যথেষ্ট পৰিমাণে বৃদ্ধি হৈছে। গতিকে পোন্ধৰ বছৰ পিচতো ক্ষতিপূৰণ পোৱা নাই ইয়াৰ দ্বাৰা মাটিৰ গৰাকী সকল অধিক পৰিমাণে লোকচান ভৰিব লগীয়া হৈছে। মই ৰাজহ বিভাগক বিশেষ ভাৱে অনুৰোধ কৰো যাতে যি

বিলাক ঠাইৰ মানুহে মাটি অধিগ্ৰহণ কৰাৰ বাৰত টকা পোৱা নাই তেওঁবিলাকৰ টকা খিনি দি দিব লাগে। আজি সমবায় সমিতি গঠন কৰিছে তাৰ কাৰণে ত্ৰিশ হাজাৰ টকাও পাইছে। কিন্তু সমবায় সমিতিৰ নামত বহুতক টকা দিয়া হৈছে কিন্তু সেই চচাইতিয়ে মাটি পোৱা নাই। আন আন যিখিনি সুবিধা পাব লাগিছিল সেইখিনি আদায় কৰিব পৰা নাই। এই বিলাক খেলিমেলি চলি আছে। এই বিলাক বিষয়লৈ ৰাজহমন্ত্ৰীৰ দৃষ্টি আৰ্কষণ কৰিলো।

( ভইচ - কৰ্ত্তন প্ৰস্তাৱ সমৰ্থন কৰিছেনে বিৰোধীতা কৰিছে )

লেণ্ডকেপ ভাৰটো আমাৰ ৰাইজৰ মাজত বাঢ়ি গৈছে। ৰাজহুৱা অনুষ্ঠান বিলাক পতাৰ কাৰণে আমি অলপ চিন্তিত হৈ পৰিব লগাত পৰিছো। কাৰণ ৰাজহুৱা অনুষ্ঠানলৈ মাটি নোহোৱাই হৈ পৰিছে। গতিকে মই ৰাজহ বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰো যাতে পঞ্চম পৰিকল্পনাত ৰাজহুৱা অনুষ্ঠান স্কুল, কলেজ লাইব্ৰেৰী আদিৰ বাবে মাটি আচুতীয়াকৈ ৰখাৰ ব্যৱস্থা কৰে। উদাহৰণ স্বৰূপে মই এটা কথা কওঁ টংলাত এচ, ডি, চি অফিচটো সজাৰ বাবে মাটি কিছুদিনৰ আগতে ৰাজহুৱা কৰি থৈছিল। কিন্তু সময়ত সেই অফিচটো সজাৰ বাবে ৫–৬ বিঘা মাটি দৰকাৰ হয় সেইখিনিও পোৱা নগল। স্কুল, কলেজত আজি শিক্ষাৰ আমোল পৰিবৰ্ত্তন ঘটাব খুজিছে। কিন্তু এই অনুস্থানবোৰৰ কাৰণে মাটি আগতে ৰিজাভ কৰি নথলে ভবিষ্যতে অনগ্ৰসৰ অঞ্চল বিলাকত স্কুল, কলেজ আদি পতাৰ কাৰণে আমি বহুতো অসুবিধাৰ সন্মুখীন হম।

আন এটা কথালৈ আহোঁ, সেইটো হৈছে আমাৰ ৰাজহবিভাগৰ দূনীতি। ৰাজহবিভাগৰ দুনীতি নিবাৰণ কৰিবৰ কাৰণে মই এটা মেচিনাৰী তৈয়াৰ কৰাৰ কথা চৰকাৰক কওঁ যাতে সেই মেচিনাৰীয়ে চালি জাৰি চাই দুনীতি নিবাৰণ কৰিব পাৰে। আৰু যাতে সাধাৰণ ৰাইজৰ মনৰপৰা দূনীতিৰ ভৰ আতৰি যায়। ইয়াকে নহলে আমাৰ প্ৰসাশন যন্ত্ৰৰ ওপৰত ৰাইজৰ বিশ্বাস নোহোৱা হৈ যাব। গতিকে আমাৰ চৰকাৰে দূনীতি দুৰ কৰিবৰ নিমিত্তে অতি সোনকালে এটা মেচিনাৰী তৈয়াৰ কৰিব লাগে। মাটিৰ পট্টা সম্পৰ্কে ভালে কেইজন জনজাতীয় সদস্যই কৈ গৈছে। উদাহৰণ স্বৰূপে মই এটা উদাহৰণ দিব খুজিছো সেইটো হৈছে উত্তৰ অঞ্চলৰ শাসন ব্যৱস্থা। উত্তৰ অঞ্চলত শাসন ব্যৱস্থা নোহোৱাৰ কাৰণে উত্তৰ অঞ্চলৰ ট্ৰাইবেল মানুহৰ কিমানে মাটি লৈছে আৰু কিমানে নলৈছে তাৰ কোনো হিচাপ নাই।

এতিয়া শিল আৰু বালিৰ মহলৰ কথালৈ আহো। এইবোৰ কেনেকৈ বিক্ৰী হৈছে আপুনি জানে। এইবোৰ যোগান ঠিক নোহাৰাৰ কাৰণে ৰাজহুৱা অনুষ্ঠান বিলাকলৈ শিল আৰু বালি নোহোৱা হৈ পৰিছে। গতিকে মই ৰাজহ বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক এইবোৰৰ ৰয়েল ফ্ৰি হব লাগে আৰু উপযুক্ত প্ৰমাণ দিলেহে শিল বালি আদিৰ পাৰমিট দিব লাগে। ৰাজহ বিভাগৰ এটা বৈল্পবিক নীতি কৰিব লাগে আৰু এই বিভাগৰ কৰ্ম্মচাৰী সকলক তাৰ প্ৰতি সজাগ কৰিব লাগে। আমাৰ মাটি সম্পতি ৰাজহুৱা মাটি আৰু সম্পতি জ্ঞান কৰিব পৰা এখন আঁচনি কৰি তাৰ বহুল প্ৰচাৰ কৰিব লাগে। তাৰ বাবে আমি সকলোৱে চৰকাৰৰ লগত সহযোগ কৰিব লাগে। এই খিনি কৈয়েই মই সামৰণি মাৰিছো।

*শ্ৰীপৰমানন্দ গগৈ ( ৰাজহ মন্ত্ৰী ): উপাধ্যক্ষ মহোদয়, ৰাজহবিভাগৰ ওপৰত আজি ছুদিন ধৰি আলোচনা-বিলোচনা চলিছে। এই আলোচনা অমুলক হোৱা নাই। এই আলোচনাসমূহ বহু ক্ষেত্ৰত সাৰগৰ্ভ হৈছে। ৰাজহ বিভাগৰ ক্ৰিয়া-কলাপ সম্পৰ্কে নানা ধৰণৰ আলোচনা হৈছে। তাৰ প্ৰত্যেকটো বিষয় সম্পুৰ্ণৰূপে উত্তৰ দিয়া সম্ভৱ নহব, কাৰণ সময় বৰ কম।

আজি ভূমি নীতি সম্পৰ্কে যিখিনি আলোচনা হৈছে সেইখিনি বিশেষ মন কৰিবলগীয়া কথা।

( মধ্যাহ্ন আহাৰৰ বাবে সভা স্থগিত )

শ্ৰীপৰমানন্দ গগৈ ( ৰাজহ মন্ত্ৰী ) ভূমী নীতিৰ ওপৰত ১৯৭১ চনৰ জুলাই মাহত চৰকাৰে যি প্ৰস্তাব লৈছিল আৰু আমাৰ যি ঘোষিত ভূমি নীতি এইটো যদি অধ্যয়ন কৰি চায় তেনেহলে মাননীয় সদস্য সকলে যি ধৰণৰ প্ৰশ্ন তুলিছিল সেইবিলাক প্ৰশ্নৰ উত্তৰ ভূমি নীতিতে সন্নিবিস্ত আছে। এই ঘোষিত প্ৰস্তাবটো ১৯৭২ চনৰেই প্ৰস্তাব নহয়। এই প্ৰস্তাবটো ১৯৬৮ চনত যি ভূমি নীতি কৰা হৈছিল তাত কোৱা হৈছে ১০০ বিঘাৰ ওপৰত যদি বেচি মাটি থাকে তেতিয়াহলে সেই মাটি ব্যক্তিগত মানুহৰ নামত নিদি গ্ৰামদানী ভিত্তিত দিব লাগিব। ইয়াৰ ওপৰত বিবেচনা কৰি বক্তিগত ভাবে ভূমি নীতি বিশ্লেষণ কৰা হৈছে। চৰকাৰী যন্ত্ৰ সমূহৰ ক্ষেত্ৰত বিশেষকৈ ৰাজহ বিভাগৰ সম্পৰ্কত মাননীয় সদস্য সকলে যি অভিযোগ উত্থাপন কৰিছে সেইটো সম্পূৰ্ণ

*Speech not corrected

সত্য নহয়। মই এইটোও অস্বীকাৰ নকৰো যে ৰাজহ বিভাগত সকলো কৰ্ম্মচাৰীয়ে ন্যায় আৰু নিষ্ঠাৰে কাম কৰিছে। এই কথা মই কব খোজা নাই। এই কথা সত্য নহয় ৰাজহ বিভাগৰ কৰ্ম্মচাৰী সকলে ন্যায় আৰু নিষ্ঠাৰে কাম কৰা নাই। আমাৰ বহুতো কৰ্মচাৰী আছে যিসকলে ন্যায় আৰু নিষ্ঠাৰে কৰিছে।

আমাৰ চিলিং আইন কৰাৰ পিচত এতিয়ালৈকে ৩৩৪৮ টা কেচ আইন মতে লোৱা হৈছে। তাৰ ভিতৰত ৭৭৮ টাৰ ড্ৰাফট ষ্টেটমেণ্ট সম্পূৰ্ণ হৈছে। আৰু তাৰ ভিতৰত ১৮,৯০৫ হেক্টৰ মাটি আছে আৰু ১৮ টা কেচ সম্পূৰ্ণ হৈছে। আৰু ইয়াত ১০৯৫০ হেক্টৰ মাটি আছে। আমি ভবামতে ১৯৭৩ চনত শতকৰা ১০ টা কেচ সম্পূৰ্ণ কৰিব পৰা হব।

শ্ৰীকেহোৰাম হাজৰীকা ঃ মন্ত্ৰী মহোদয়ে ৩৩৪৮ টা কেচৰ কথা কৈছে সেইটো ৭৫ বিঘা চিলিঙৰনে বৰ্ত্তমানৰ ৫০ বিঘা চিলিঙৰ ?

শ্ৰীপৰমানন্দ গগৈ ( ৰাজহ মন্ত্ৰী ): এইখিনি কেচ ৫০ বিঘা চিলিঙৰ। ৫০ বিঘা চিলিং সম্পৰ্কত নতুন আইনখনত ৰাষ্ট্ৰপতিৰ অনুমোদন এতিয়াও অহা নাই। তথাপি চৰকাৰে এই কাম সম্পূৰ্ণ কৰিবলৈ আগবাঢ়িছে আৰু পিচত ৭৫ বিঘাৰ পৰা ৫০ বিঘালৈ কমাই আনিবলৈ একো টান নহব। গতিকে এই কাম বিলাক যাতে পিচ পৰি নাথাকে যিবিলাক কাৰীকৰি অসুবিধা আছে সেইবিলাক পৰীক্ষা কৰি কামত যাতে আগ বাঢ়িব পাৰি তাৰ কাৰণে চেষ্টা কৰা হৈছে।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ঃ ১৯৬৭ চনৰ পৰা এতিয়ালৈকে যিবিলাক কেচৰ হিচাব দিছে সেইবিলাক এতিয়ালৈকে নিস্পত্তি হোৱা নাই। আৰু ১৯৬৮ চনৰ পৰা ৫০ বিঘা বাদ দি ৭৫ বিঘাৰ সম্পৰ্কত এতিয়ালৈকে কিমান মাটি চাহ বাগিচা বা অন্যান্যৰ পৰা চৰকাৰে পাইছে ?

শ্ৰীপৰমা নন্দ গগৈ ঃ ( ৰাজহ মন্ত্ৰী ) ঃ চৰকাৰৰ হাতলৈ মাটি অনা নাই। কেচ ফাইনালাইজড হোৱাৰ পিচত মাটি অধিগ্ৰহণ কৰিব লাগিব। এনেকুৱা ৯২০০ হেক্টৰ মাটি আছে।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ঃ তেনেহলে আমি এইটোকেই বুজিব লাগিবনেকি যে ১৯৬৮ চনৰ পৰা এতিয়ালৈকে এক চাহিও মাটি চৰকাৰৰ হাতলৈ আনিব পৰা নাই কেৱল চেষ্টা কৰা হৈছে।

শ্ৰীপৰমানন্দ গগৈ ( ৰাজহ মন্ত্ৰী ) ঃ মাননীয় সদস্যই যি ধৰণে ভাবিছে সেইধৰণে নহয়। আমি ১৯৬৮ চনৰে পৰাই এই আইন কাৰ্য্যকৰী কৰিবলৈ চেষ্টা কৰিছো। আৰু ১৯৭১-৭২ চনত এই কাম সংশোধন কৰা হৈছে। এই সময় চোৱাৰ ভিতৰতে মই মাননীয় সদস্য সকলক জনাব খুজিছো যে এই আইনখন কাৰ্য্যকৰী কৰি ৭৫ বিঘাৰ পৰা ৫০ বিঘালৈ কমোৱা হল। এইখিনিতে এটা সন্দেহ আহিছিল যে ৭৫ বিঘাৰ যি আইন আছিল সেই আইন কাৰ্য্যকৰী নকৰাকৈ কিয় ৫০ বিঘালৈ নমাই অনা হল। আমি বিষয়টো পৰীক্ষা কৰি চাই মাটিৰ পৰিমান ৫০ বিঘালৈ নমাই অনাৰ আঁচনি কৰিছো যাতে এই ক্ষেত্ৰত কাম পিচ পৰি নাথাকে আৰু ৭৫ বিঘাৰ ভিত্তিত আগবাঢ়ি যাব পাৰে। প্ৰকৃত পক্ষে এই কাম ১৯৭১ চনৰে পৰাই আৰম্ভ হৈছে।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা : মই জানিব খুজিছো ১৯৬৮ চনৰে পৰা ১৯৭১ চনৰ ভিতৰত চৰকাৰে কেৱল কাম কৰিবলৈ চেষ্টাহে কৰিছে আৰু ৭৫ বিঘাৰ ভিত্তিত একচাহি মাটিও চৰকাৰৰ হাতলৈ আনিব পৰা নাই। ১৯৭১ চনৰ পৰা কেৱল কেচৰ হিচাবহে দিছে। কিমান মাটি এতিয়ালৈকে চৰকাৰে পালে সেই কথা কোৱা হোৱা নাই।

শ্ৰীপৰমা নন্দ গগৈ ( ৰাজহ মন্ত্ৰী ) ঃ এইটো সত্য। আমি কামত আগবাঢ়ি গৈ এনেকুৱা কৰাৰ চেষ্টা কৰিছো আৰু তাৰ পৰিমান ১০,৯০০ হেক্টৰ হব পাৰে। আৰু ড্ৰাফেট ষ্টেটমেণ্ট কৰা ৭৭৮ কেচৰ অন্তৰ্গত ১৮৯০০ হেক্টৰ মাটি আছে। এই বিষয়ত কাম কৰি থকা হৈছে আৰু টেকনিকেল ডিফিকালটি বিলাক পৰীক্ষা কৰি চোৱা হৈছে।

চিলিং আইন সম্পৰ্কত আজি এটা কথা পৰিলক্ষিত হৈছে যে এই ক্ষেত্ৰত বহুতো বেনামি মাটি থাকিব পাৰে। এনেকুৱা ধৰণৰ বেনামি মাটি উলিয়াবৰ কাৰণে যন্ত্ৰ নাই। গতিকে এই কাম কৰিবৰ কাৰণে ৰাইজৰ সহযোগ আৰু অন্যান্য অনুস্থানৰ সহযোগ নহলে এই বেনামী মাটি উলিওৱা টান হব। ভূমি সংস্কাৰ সম্পৰ্কত এটা কথা কোৱা হৈছিল যে আমাৰ ভূমি ব্যৱস্থা সম্পৰ্কে যি কমিটি গঠন কৰাৰ কথা আছিল বা ভবা হৈছিল কিন্তু পঞ্চায়ত আইন খন প্ৰনয়ণ কৰি ক্ষমতাৰ বিকেন্দ্ৰীকৰণ কৰি পঞ্চায়তৰ প্ৰতিনিধিক লৈ উচ্ছ ক্ষমতা সম্পন্ন ভূমি কমিটি এখন গঠন কৰিব পৰা হব। সেই কমিটিখনৰ যথেষ্ট ক্ষমতা থাকিব। আগৰ দৰে উপদেষ্টা কমিটি হৈ নাথাকিব। সেই বিষয়ে আমি চিন্তা কৰি আছো আৰু সোনকালে গঠনকৰা হব বুলি ভাবো।

কেনেবাকৈ পঞ্চায়ত আইন কৰা পলম হলে তদন্ত কমিটি হিচাপেও এটা কমিটি গঠন কৰি কাম কৰিম। বেনামদাৰ গুচাবৰ কাৰণে এইটো কৰা আৱশ্যক হৈ পৰিছে।

ৰায়তী স্বত্ব দিবৰ কাৰণে যি আইন আছে সেই আইন বলবত কৰিবৰ কাৰণে জৰিপৰ কাম চলি আছে। গোৱালপাৰাৰ টেনেন্সি এক্ট থকাৰ কাৰণে কৰিবপৰা নাই। আৰু কৰিমগঞ্জতো কৰিব পৰা নাই ছিলেট টেনেন্সি এক্ত থকাৰ কাৰণে। জৰীপৰ কামৰ কাৰণে আৱশ্যকীয় কৰ্মচাৰীৰো অভাব হৈছে। তথাপি আমি কাম পেলাই থোৱা নাই, আগবঢ়ি আছো। এতিয়ালৈকে দৰংত ৪২৯৫, লক্ষীমপুৰত ৪৮৫১, শিৱসাগৰত ৪১৫১ আৰু কামৰূপত ৮০০ টা ৰেকৰ্ড অৱ ৰাইট মিমাংসা কৰা হৈছে। বাকী বিলাক ঠাইৰ ৰিপৰ্ট আহি পোৱা নাই। ৰায়তী স্বত্ব দিবৰ কাৰণে ৰাইজৰ ফালৰ পৰা যি উৎসাহ পাম বুলি ভৱা হৈছিল সেই উৎসাহ পোৱা নাই। কৰ্মচাৰী সকল যোৱাৰ এসপ্তাহৰ আগতে প্ৰচাৰ পত্ৰ পঠোৱা হয় যাতে জৰীপৰ সময়ত তেওঁলোক উপস্থিত থাকে। কিন্তু তেওঁলোকৰ উপস্থিতিৰ সংখ্যা দুখ লগা। ৰায়তৰ সুবিধাৰ কাৰণেই এই প্ৰচাৰ পত্ৰ পঠোৱা হয়, কাৰণ বহুত মাটিৰ মালিকে ৰায়তসকলক ভয় খুৱাই। সেই কাৰণে এনে ৰাজহুৱা কাম কৰিবলৈ এটা ৰাজহুৱা অনুস্থানৰ প্ৰয়োজন। ৰাজহুৱা অনুষ্ঠান নাথাকিলে ৰায়তী স্বত্ব বলবত কৰাত ব্যাঘাট জন্মাটো স্বাভাৱিক। ৰাজহুৱা অনুষ্ঠানে কেৱল যে দৰিদ্ৰ ৰায়তক উপকাৰ কৰিব এনে নহয়, সেই অনুষ্ঠান প্ৰশাসনীয় বিকেন্দ্ৰীকৰণতো সুবিধা হ'ব। সেই কাৰণে ৰাইজসকলে ৰাজহুৱা অনুষ্ঠান কৰিবলৈ আগবাঢ়ি আহিব লাগে। অহা খৰালী কালত জৰীপৰ বাকীখিনি কামো আৰু দ্ৰুতগতিত আগবাঢ়িব।

ফাৰ্মিং ক'অপাৰেটিভ সম্পৰ্কে যি মন্তব্য কৰিহে তাৰ লগত আমি একমত হব নোৱাৰো। এটা নতুন ব্যৱস্থা কৰিবলৈ যাওঁতে যদি পুংখানুপুংখ ভাৱে পৰীক্ষা কৰা নাযায়, বিশেষকৈ আৰ্থিক দিশটো ভালকৈ চোৱা নাযায় তেনেহলে অগ্ৰগতিত বাধা জন্মিব পাৰে। যিখন আঁচনিত ২০ লাখ টকা খটোৱা হব আৰু সেই টকা বেঙ্কৰ পৰা ঋণ হিচাবে লোৱা হব তাক পৰিশোধ কৰিব লাগিব বেংকক সন্তোষ কৰিব পাৰিলেহে বেংকে টকা দিব। সেই কাৰণে বৈজ্ঞানিক পদ্ধতিত আঁচনি তৈয়াৰ কৰি বেংকৰ পৰা ঋণ লব পৰা হব আনহাতে ফাৰ্মিং ক'অপাৰেটিভ খনো ৰাইজৰ উপকাৰী হব। এনে কিছুমান কথাৰ বাবে পলম হৈছে। আমি এই

আঁচনিখন কাৰ্য্যকৰী কৰিবলৈ যাওঁতে আমি পৰিয়ালটোৰ অৰ্থনৈতিক ফালটো ভালকৈ চাব লাগিব যাতে অন্ততঃ ২৫০ টকা মাহে উপাৰ্জন পৰিয়ালটোৱে কৰিব পৰা হয়।

ব্যক্তিগত ভাৱে মানুহক মাটি নিদিয়া কথাটো কেইটামান প্ৰশ্নৰ উত্তৰত কৈছিলো যে আঢ়ৈ বিঘা বা ছবিঘা মাটি দি দৰিদ্ৰতা দূৰ কৰিব নোৱাৰি। ভাৰতৰ কৃষক সকলক ব্যক্তিগত ভাবে ৮।৬ বিঘা মাটি দি তেওঁলোকৰ জীৱনৰ মানদন্দ উন্নত কৰিব নোৱাৰি। বৈজ্ঞানিক হিচাবে আমি এটা যুগৰ কাৰণে কৃষি-পাম নিগম কৰিবই লাগিব। একোটা খেতিয়ক পৰিয়ালক ৪ বিঘা বা ৫ বিঘা মাটি দি তেওঁলোকৰ ভবিষ্যতটো এন্ধাৰলৈ ঠেলি নিদি এই কৃষিপামৰ যোগেদিয়েই তেওঁলোকক এটা উন্নত মানদন্দ দিবলৈ এই ব্যৱস্থাকেই বৰ্তমানে গ্ৰহণ কৰা হৈছে। এই ব্যৱস্থাটো অহা খৰালি মাহৰ পৰা বৰ্তমানে দিয়া প্ৰতিশ্ৰুতি মতে আগবঢ়াই নিয়া হব।

শ্ৰীসোনেশ্বৰ বৰা : উপাধ্যক্ষ মহোদয়, বৰ্তমানে মাটিৰ যিসকলৰ মালিকনা স্বত্ব আছে, সেই সকলক নিগমৰ অন্তৰ্ভুক্ত কৰি মাটিৰ মালিকনা স্বত্ব চৰকাৰৰ হাতলৈ অনাৰ ব্যৱস্থা কৰিবনেকি ?

শ্ৰীপৰমানন্দ গগৈ (মন্ত্ৰী) : বৰ্তমানে মই সেই কথা ঘোষণা কৰা নাই। স্বত্ব আৰু অধিকাৰ বা সাংবিধানিক কথা যেতিয়া আহিব তেতিয়া সেই সকলো কথা বিবেচনা কৰা হব। এতিয়া কথা হৈছে মাটিৰ মালিকনা স্বত্ব থকা মানুহেও আহি কৃষিপামত সহযোগ কৰিব পাৰে আৰু তেতিয়া তেওঁলোকৰ মাটিও কৃষিপামৰ লগত একত্ৰিকৰণ কৰাৰ ব্যৱস্থা আছে।

শ্ৰীসোনেশ্বৰ বৰা : উপাধ্যক্ষ মহোদয়, মোৰ প্ৰশ্ন হৈছে চৰকাৰে আইনৰ জৰিয়তে মালিকনা স্বত্ব বিলোপ কৰি সকলো মাটি নিগমৰ তললৈ অনাৰ ব্যৱস্থা কৰিবনেকি ?

শ্ৰীপৰমানন্দ গগৈ (মন্ত্ৰী) : মই ইতিমধ্যেই কৈছো স্বত্ব আৰু অধিকাৰৰ প্ৰশ্ন নাইবা সাংবিধানিক প্ৰশ্ন জৰিত থকাৰ কাৰণে যিবিলাকৰ ২০ বিঘা বা তাতোকৈ বেছিও মাটি আছে তেওঁলোকেও যদি যুতিয়া পামত অন্তৰ্ভুক্ত হব বিচাৰে তেন্তে তেওঁলোককো সহায় কৰাৰ ব্যৱস্থা আছে। বৰ্তমানে কথা হৈছে চৰ-কাৰৰ দখলত যিবিলাক সৰু সৰু চুবুৰী আছে সেই বিলাক একত্ৰিকৰণ কৰি

তাত বহলভাবে খেতি কৰা ব্যৱস্থা কৰা হব। গতিকে বৰ্ত্তমানে ব্যক্তিগত মালিকনা স্বত্ব স্যব্যস্ত কৰিবলৈ মাটি দিয়া নহব। এনে ধৰণৰ সিদ্ধান্ত আমি অতি কম সময়ৰ ভিতৰতে লব লাগিব। এই নিয়ম মতে পৰিচালনা কৰি যদি দেখা যায়, যে এই নিয়মৰ আৰু কিছু পৰিবৰ্ত্তনৰ দৰকাৰ তেতিয়া হলে সেইখিনি পৰিবৰ্ত্তনো কৰিব লাগিব। অৰ্থাৎ সাধাৰণতে যিটো আমাৰ বুনিয়াদ গঢ়াৰ কথা সেইটো বৰ্ত্তমান কৰিব লাগিব। আনফালে আৰু এটা প্ৰশ্ন আহিছে যে আমাৰ দেশত যিসকলৰ ঘৰৰ ভেটি নাই সেইসকলক ঘৰৰ ভেটিও দিব লাগিব। এই ব্যৱস্থা ১৯৭২ চনৰ কেন্দ্ৰীয় চৰকাৰে লোৱা নীতি। সেই মতে যিসকলৰ ঘৰৰ ভেটি নাই, বিশেষকৈ গাৱলীয়া অঞ্চলত সেই সকলক ঘৰৰ ভেটি দিব লাগিব। আগৰ মতে ভূমিহীন পৰিয়ালৰ সংখ্যা অকল অসমতে প্ৰায় ২৮ হাজাৰ। আৰু যি সকলৰৰ ৪ বিঘাত কৰি কম মাটি আছে সেই সকলৰ সংখ্যা হল ২ লাখ ৮৫ হাজাৰ ৮৯৪টা। তাৰ ওপৰিও বানপানী গঢ়া-খহনীয়াত বিধ্বস্ত পৰিয়ালকলৈ সৰ্ব্বমুঠ ভূমিহীন পৰিয়ালৰ সংখ্যা ৩ লাখৰ ওপৰ হব। এই সকলোৰে ব্যৱস্থা কৰিবৰ কাৰণে আমাৰ অপৰিহাৰ্য্য উপায় হল কৃষি পাম স্থাপন কৰা। এতিয়া প্ৰতি পৰিয়ালক যদি ১০ বিঘা কৰিও মাটি দিব লগা হয় তাৰ কাৰণে ৩০ লাখ বিঘা মাটি আমাক লাগে। কিন্তু মই কওঁ যে, অসম চৰকাৰৰ হাতত ৩০ লাখ বিঘা মাটি নাই। চিলিং আইন, আধিয়াৰ আইন আদিৰ জৰিয়তে আৰু চাহ বাগিছাৰ অতিৰিক্ত মাটি অধিগ্ৰহন কৰাৰ পিছত আমাৰ হাতলৈ ১৪ লাখ বিঘাৰ ওপৰ মাটি আহিব নোৱাৰে কিন্তু বৰ্ত্তমান পৰিস্থিতিত এই গোটেই বিলাক পৰিয়াল মাটিৰ ওপৰত নিৰ্ভৰ কৰিবলৈ হলে আমাক ৩০ লাখ বিঘা মাটি লাগিব। সেই মাটি আমাৰ নাই। ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যত কৰি অসমৰ মাটিৰ ওপৰত হেচা বৰ বেচি। আমাৰ জীৱন নিৰ্ব্বাহৰ কাৰণে কাম কৰিবলৈ কমাৰে কমাৰৰ কাম নকৰি মাটিকে বিচাৰে কুমাৰে কুমাৰৰ কাম নকৰে আৰু সকলোকে খেতিৰ কাৰণে মাটি লাগে। আমাৰ ইয়াৰ বিভিন্ন খিলঞ্জীয়া মানুহ সকলে জীৱন নিৰ্ব্বাহ কৰিবলৈ খেতিৰ বাহিৰে অন্য ব্যৱস্থা নাই। সকলোৰে কেৱল ভূমিৰ ওপৰতে নিৰ্ভৰ কৰিব লাগে। আনফালে সকলো মাটিহীনক মাটি দিবলৈ পৰ্য্যাপ্ত পৰিমাণে আমাৰ মাটি নাই। এনে এটা অৱস্থাত কিছু অংশ মানুহক আমি অনা

এটা বৃত্তিলে আনিব লাগিব। যেনে শিক্ষিত সকলক নানা ফালে চাকৰিৰ ব্যৱস্থা কৰি মাটিৰ পৰা আতৰাব লাগিব। এই সকলোবিলাক কৰিব পৰা হবনে নহয় বৰ্ত্তমান সেইটোৰ বিবেচনা কৰিব লগা হৈছে।

শ্ৰীপ্ৰেমধৰ বৰা : উপাধ্যক্ষ মহোদয়, অসমত যিবিলাক খেতিয়ক পৰিয়াল আছে সেইবিলাকক মাটি দিয়া হব বুলি ৰাজহ মন্ত্ৰীয়ে কৈছে কিন্তু বহিৰাগত মানুহৰ কাৰণে অসমত মাটিৰ ওপৰত বেছি হেচা পৰিছে এইটো কথা মন্ত্ৰী মহোদয়ে মন নকৰেণে ?

শ্ৰীসোনেশ্বৰ বৰা : বিহাৰৰ পৰা কমাৰ বা কুমাৰ বিলাক আহিও অসমত খেতিৰ মাটি যে বিচাৰে মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীপৰমানন্দ গগৈ (মন্ত্ৰী) : বাহিৰৰ পৰা অহা সকলো মানুহে অসমত খেতিৰ মাটিৰ ওপৰতে হেচা দিছে।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা : উপাধ্যক্ষ মহোদয়, অসমত মাটিৰ ওপৰত হেচা দিব লাগিছিল ভূমিহীন লোক সকলে, কিন্তু বাহিৰৰ পৰা অহা মানুহৰহে মাটিৰ ওপৰত হেচা পৰিছে। এই বিলাক সৰ্ম্পকে চৰকাৰে কি ব্যৱস্থা কৰিছে ?

শ্ৰীপৰমানন্দ গগৈ : যিসকল লোকে অসমত কেবা পুৰুষো ধৰি আছে আৰু তেখেত সকলৰ বসবাস কৰিবলৈ ঘৰো নাই তেনে লোকক অসমত পুনৰ বসতি বাবে আৰু তেখেতসকলৰ পৰিয়ালৰ ভৰণ-পোষনৰ কাৰণে দখল দিয়া হব।

শ্ৰীআব্দুল জেলিল চৌধুৰী : উপাধ্যক্ষ্য মহোদয়, আমি মন্ত্ৰী মহোদয়কে শুধু দুইটি মাত্ৰ প্ৰশ্ন করতে চাই।

(১) প্ৰজ্ঞাসত্ব আইন অনুযায়ী মাটীৰ মালিক যাৰা, তাদের মালিকানা সত্ব থাকা সত্বেও যাৰা Sincerely জমিৰ উপর শ্ৰম দেয়না, সরকার কি ভূমি বণ্টনের সময় এ ব্যাপারে একটা ব্যৱস্থ অবলম্বন কৰবেন ?

(২) দ্বিতীয় প্ৰশ্ন হলো, ভূমি বণ্টনের সম্বন্ধে যে শক্তিশালী কমিটীর কথা মন্ত্ৰী মহোদয়ে উল্লেখ কৰেছেন, সেই ব্যৱস্থা দুৰ্নীতি মুক্ত হবে কি ?

শ্ৰীপৰমানন্দ গগৈ (মন্ত্ৰী) : উপাধ্যক্ষ মহোদয়, শেষত কওঁ যে দুৰ্নীতিত যদি ১০০ জন মানুহেই লিপ্ত থাকে তেন্তেস্থলত আমি নিৰুপায়। আমি ধৰি লৈছো

যিবিলাক কমিটি আমি কৰিছো আৰু যিবিলাকে সামগ্ৰীক ভাবে দূৰ্নীতিৰ পৰা মুক্ত হব আৰু কেনেকৈ সেইবিলাক দূৰ্নীতিৰ পৰা মুক্ত কৰিব পাৰি তাৰ বাবে আমি সজাগ প্ৰহৰী হিচাবে আমি থাকিব লাগিব নহলে এই দূৰ্নীতি নকমে। প্ৰজা স্বত্ব হিচাবে দখলি স্বত্ব পাব।

তাৰপাছত আমাৰ মাননীয় সদস্য শ্ৰীনাৰ্জাৰী ডাণ্ডৰীয়াই আৰু কেবাজনো মাননীয় সদস্যই আমাৰ ভৈয়ামৰ জনজাতীয় আৰু অন্যান্য পিছপৰা লোক সকলক ৰক্ষনা-বেক্ষনা দিয়াৰ সম্পৰ্কত প্ৰশ্ন তুলিছিল। ভাৰত চৰকাৰৰ জনচেৰেক বিষয়া এই সম্পৰ্কতে আমাৰ ইয়ালৈ আহিছিল আৰু তেখেতসকলে যিবিলাক অনুসন্ধান কৰি দিছিল, মই তেখেতসকলক লগ ধৰি কৈছিলো যে এই যে জনজাতীয় লোক সকলক ৰক্ষনা- বেক্ষনা দিয়াৰ কাৰণে আমাৰ মাত্ৰ ২ খন ৰাজ্য আছে ইয়াৰ নিৰ্দ্ধাৰিত আইনো আছে, সেই ৰাজ্য দুখন হ'ল আন্দামান নিকোবৰ দ্বীপপুঞ্জ আৰু অসম ৰাজ্য আৰু সেইকাৰণেই আজি এই লোক সকলক বিশেষ সুবিধা দিয়াৰ কাৰণে ট্ৰাইবেল বেল্ট আৰু ট্ৰাইবেল ব্লকৰ সৃষ্টি। সেই লোকসকলক বিশেষ সা-সুবিধা দিবৰ কাৰণে আৰু তেওঁলোকক মাটিৰ ওপৰত স্বত্ব দিবৰ বাবে এই ট্ৰাইবেল বেল্ট আৰু ট্ৰাইবেল ব্লকৰ সৃষ্টি। অৱশ্যে ট্ৰাইবেল ব্লক আৰু ট্ৰাইবেল বেল্টৰ মাটি বেচা-কিনা কৰিব নোৱাৰিব তেনে কোনো কথা মই কব খোজা নাই কিয়নো এই ট্ৰাইবেল ব্লোকৰে জন-জাতীয় লোকে অজনজাতীয় লোকক মাটি বেচাৰ প্ৰমান শ শই মানুহ আছে। আৰু তেনে কোনো আইন নাই। কিন্তু তেওঁলোকে মাটি পাত্ৰ বা বিক্ৰী কৰা আৰু অপাত্ৰক বিক্ৰী নকৰা এনে ধৰণৰ কিছুমান ব্যৱস্থা আছে। ৰেজিষ্ট্ৰাৰ নকৰা কথাটো বন্ধ কৰাৰ কোনো উপায় নাই অৱশ্যে ৰেজিষ্ট্ৰাৰ নকৰা মানুহক যে মাটিৰ ওপৰত স্বত্ব সম্পূৰ্ণ দান কৰা হৈছে সেইটো নহয়। এই সম্পৰ্কত যাতে দুখীয়া জনসাধাৰণৰ ওপৰত যাতে অত্যা-চাৰ নহয় তাৰ বাবে অনুষ্ঠান সমূহে কাম কৰিব আৰু বেচা-কিনাৰ সম্পৰ্কত তেওঁলোকক সহায় কৰাৰ কাৰণে কিছুমান ৰাজহুৱা অনুষ্ঠানৰ দৰকাৰ হয়। ইতিমধ্যে এনে ধৰণৰ কিছুমান ৰাজহুৱা অনুষ্ঠানে কাম কৰিছে। কেতিয়াবা কেতিয়াবা দাবীয়ো আহিছে ভাল মাটিৰ কাৰণে, প্ৰিফাৰেন্স দিবৰ কাৰণে। এতিয়ালৈকে যিমানখিনি স্বত্ব দিয়া হৈছে সেইখিনি ৰক্ষা কৰিবৰ কাৰণে বিশেষ ব্যৱস্থা হোৱা নাই। আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে বাজেট বিতৰ্কত কৈছিল

যে কি ধৰণে আমাৰ সেই সেই অঞ্চলৰ মানুহে বাস কৰিছে, কেনেকৈ বাচি আছে আৰু কোনো কোনো ক্ষেত্ৰত তেওঁবিলাক পিছপৰা সেইটো ইত্যাদি সকলো কথা বিবেচনা কৰি তেওঁলোকৰ লগত আমি চিনাকী হব লাগিব। তেতিয়াহে এই ক্ষেত্ৰত এই পিছপৰা লোক সকলৰ জীৱনৰ মানদণ্ড আগবঢ়াই নিবপৰা যাব কিয়নো এই জনজাতীয় আৰু পিছপৰা লোকসকলৰ জীৱনৰ মানদণ্ড অতিকৈ পিছপৰা।

শ্ৰীকেহোৰাম হাজৰীকা : উপাধ্যক্ষ মহোদয়, এই যে ট্ৰাইবেল বেল্ট আৰু ট্ৰাইবেল ব্লকৰ মাটি পাত্ৰৰ বেচিব পাৰিব আৰু অপাত্ৰক বেচিব নোৱাৰিব আৰু সেইদৰে পাত্ৰই কিনিব নোৱাৰিব আৰু অপাত্ৰই কিনিব নোৱাৰিব কিন্তু গুৱাহাটী চহৰ আৰু ৰাজধানীত আৰু এই বেলতলা ৰাজধানী ট্ৰাইবেল বেল্টৰ অন্তভুক্ত হৈ আছে ইয়াত বহু বাহিৰৰ মানুহে মাটি কিনি নানা ধৰণৰ ব্যৱসায় আৰম্ভ কৰি দিছে, এতিয়া আমি মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰোনে এই যি সকলে ট্ৰাইবেল বেল্ট বা লোকৰ পৰা মাটি কিনিছে তেওঁবিলাক পাত্ৰ নে অপাত্ৰ ?

শ্ৰীপৰমানন্দ গগৈ (মন্ত্ৰী) : মই পাত্ৰ আৰু অপাত্ৰৰ বিষয়ে দিষ্টিংশ্যান কৰিব বিচৰা নাই। প্ৰশ্ন উত্তৰত মই এই বিষয়ে কৈছোঁ। মাননীয় সদস্য গৰাকীয়ে এই বিষয়ে নিজেই বিচাৰ কৰি চাওক। প্ৰশ্নৰ উত্তৰত মই কৈছো যে, জালান নগৰ' আৰু অন্যান্য বাগানৰ যিবিলাক ৰিকুইজেশ্যান আৰু একুইজেশ্যান কৰা মাটি আছে সেই মাটি চিলিং ৰ মাটি বুলি অনাত আপত্তি উঠিছে, মই চৰকাৰী কিছুমান কামত বাহিৰত থাকিব লগা হোৱাত সেই মাটিৰ নথী-পত্ৰ চোৱাটো সম্ভৱপৰ নহ'ল। ১৯৫০ চনৰ ভূমিসংস্কাৰৰ পাচত ১৯৫১। ৫২ চনত ডিব্ৰুগড়ত ভয়ংকৰ গড়াখহনীয়া হৈছিল আৰু সেই অঞ্চলৰ ৰাইজ দুৰ্ভোগৰ অৱস্থাত পৰিব লগা হৈছিল। 'তেতিয়া সেই সময়ৰ ডি, চিয়ে নিজেই তেওঁলোকক বহাই দিছিল কিন্তু পিছত সেই মাটি পট্টন দিয়া হ'ল নে নাই সেই বিষয়ে জনা নগ'ল, জালান নগৰতে তেওঁলোকক মাটি দিব লগা হ'ল। সেই জালান নগৰতে অসম মেডিকেল কলেজ আৰু হস্পিতাল যন্ত্ৰ-পাতি সকলো প্ৰতিষ্ঠা কৰাৰ সূচনা আৰম্ভ হ'ল। জালান নগৰৰ মাটি চহৰীয়াৰ মাটিত সুমোৱাৰ কাৰণে চিলিং আইনে চুকি পোৱা নাই।

মাননীয় সদস্য শ্ৰীদুলাল বৰুৱা দেৱে এই কথাটো যেতিয়া উল্লেখ কৰিছে মই এই সম্পৰ্কত মই বিবেচনা কৰি চাম চিলিং আইনে কৰিব পৰা অধিগ্ৰহন যদি কৰিব পৰা হয় তেতিয়া হলে যাৰ মাটিয়েই নহৰক লাগিলে জালান নগৰৰেই হওক বা আন কোনোবাই হওক তাৰ পৰা ৰেহাই দিয়া নহব। শ্ৰীদুলাল বৰুৱা দেৱে এই কথাষাৰ উত্থাপন কৰিছে আৰু এই বিষয়ে সম্পূৰ্ণ ভাবে পৰীক্ষা কৰি চাম আৰু চিলিং আইনত যদি মাটি অধিগ্ৰহন কৰিব পৰা যায় তেন্তে অধিগ্ৰহন কৰা হব যি জালানেই হওক বা অন্য কোনোবাই হওক সেই মাটি পাব নোৱাৰে।

শ্ৰীদুলাল বৰুৱা : বানপানীৰ সংক্ৰান্তত যিখিনি মাটি অধিগ্ৰহন কৰা হল আৰু নিৰ্ম্মালি গাৱৰ মাটি আৰু মেডিকেল কলেজৰ মাটিৰ সৰ্ম্পকে মই জানো। মোৰ কথা হল চৰকাৰী ঘৰ সাজিবৰ কাৰণে জালান আৰু চহৰীয়াৰ পৰা অতিৰিক্ত মাটি পাবৰ কাৰণে ষ্টেটমেণ্ট অবটেইন কৰা হোৱা নাই। যিখিনি মাটি আমি পালোহেতেন সেই মাটি খিনি চৰকাৰী ঘৰ সজা হৈছে। এই সৰ্ম্পকে মই বিশদ ভাবে ভিতৰুৱাকৈ গম পাইছো ইয়াৰ ভিতৰত এটা বিৰাট ৰেকেট চলি আছে। যদি এই ৰেকেট বন্ধ কৰা নহয় তেন্তে চিলিং আইনৰ জৰিয়তে চৰকাৰৰ ফালৰ পৰা মাটি অধিগ্ৰহন কৰি ফাৰ্মি কৰপৰেচনৰ দ্বাৰা মাটিহীনক মাটি দিয়াৰ যি নীতি ঘোষনা কৰা হৈছে সি কাৰ্য্যকৰী হৈ নুঠিব। এই কোম্পানী কেইটাৰ কিমান অতিৰিক্ত মাটি আছে তাৰ এটা ষ্টেটমেণ্ট অবটেইন কৰা হোৱা নাই কিয়? সিদিনা নতুন ডি, চিয়ে জইন কৰি অলপ খবৰ লৈছে। মোৰ কথা হল আমাৰ মাটি আমি কিনি লৈ ঘৰ সজা কথা-টোত গুৰুত্ব দিব নে ?

শ্ৰীপৰমানন্দ গগৈ (মন্ত্ৰী) : মই অলপ আগতে কৈছো এই মাটি পৰীক্ষা কৰি চোৱাৰ সুযোগ নঘটিল। মই এই বিষয়ে পৰীক্ষা কৰি চাম।

শ্ৰীদুলাল বৰুৱা : মাটি অধিগ্ৰহন কৰাৰ আগৰ এটা লেণ্ড এভেইলিবিলিটি সৰ্ম্পকে ষ্টেটমেণ্ট থাকিব লাগে। চৰকাৰৰ হাতত কোনো ৰেকৰ্ড নাই। ডিব্ৰুগড়ৰ বান বিধ্বস্ত মানুহে বসবাস কৰিবলৈ লোৱা মাটিৰ ৰেগুলাৰাইজ হোৱা নাই।

শ্ৰীপৰমানন্দ গগৈ (মন্ত্ৰী) : সংবাদটো দিয়াৰ বাবে ধন্যবাদ। মহ গোটেই কথাটো পৰীক্ষ কৰি চাম। ঠিক সেই ধৰণে খাৰগুলীৰ অনাথ বিধবা আশ্ৰমৰ কথা উল্লেখ কৰিছে। বিধবা আশ্ৰমক মাটি দিয়া কথাটো সচা। এই আশ্ৰমৰ আশেপাশে থকা বহুতো লোকে আশ্ৰমক মাটি দিব নালাগে বুলি মাটি বেদখল কৰিবলৈ বিচাৰিছে সেই ক্ষেত্ৰত এভিকচন নটিচ দিছিলো। কিন্তু বৰ্ড-অব ৰেভিনিউৱে ষ্টে কৰি আছে।

শ্ৰীদুলাল বৰুৱা : ৰাজহুৱা মাটিত ৰাজহুৱা স্কুল ঘৰ থকা স্বত্বেও স্কুল ঘৰ ভাঙিবলৈ আদেশ দিয়া হৈছে। গতিকে বাজেট বক্তৃতাত মুখ্যমন্ত্ৰীয়ে যি উত্তৰ দিলে তাৰ বিপৰীতে যোৰ হোৱা নাইনে ?

শ্ৰীপৰমানন্দ গগৈ (মন্ত্ৰী) : বিপৰীকে হোৱা বুলি মই নাভাবো। কথাটো যেতিয়া বিবেচনাধীন হৈ আছে এই বিষয়ে আলোচনা কৰিবলৈ অক্ষম। শ্ৰীবৰুৱা দেৱে প্ৰতিৰক্ষা বিভাগে মাটি লোৱা সৰ্ম্পকে প্ৰশ্ন তুলিছে। এই সৰ্ম্পকে মই কও যে দৰং আৰু ডিব্ৰুগড় জিলাত প্ৰতিৰক্ষা বিভাগে মাটি অধিগ্ৰহন কৰিছে। এই বিষয়ে তেওঁলোকৰ লগত আলোচনা কৰা হৈছে। তেওঁলোকে কৈছে যে চৰকাৰৰ লগত আলোচনা নকৰাকৈ এই মাটি যধে-মধে লোৱা নাই। তেওঁলোকৰ স্থান সম্পৰ্কে কিছুমান নিয়ম আছে। খাৰবাৰদৰ গুদাম বা সৈনিক থকা ঘৰ ৰাজহুৱা ঠাইৰ পৰা কিমান দুৰত হব তাৰ তেওঁলোকৰ নিজস্ব বিধি বিধান আছে। নামঘৰৰ কথা সম্পৰ্কে আলোচনা কৰা হৈছিল। আৰু আচাম ৰাইফলচৰ ইন্সপেক্টৰ জেনেৰেলে ক্ষতিপূৰণ দিয়াৰ কথা কৈছিল। ইতিমধ্যে সমাধান কৰাৰ পথত আছো। অন্যান্য বিলাকৰ সংবাদ আনিব পৰা নাই।

শ্ৰীৰমেশ মোহন কুলী : যিবিলাক জনজাতি লোক ৫০-৬০ বছৰ যিবিলাক অঞ্চলত বসবাস কৰি আছে সেইবিলাক অঞ্চলৰ জৰীপ হৈ গৈছে। মই জানো ধেমাজি লক্ষীমপুৰ, জোনাই, চিচি আদি ঠাইত জৰীপ হৈ গৈছে। তেওঁ-লোকক পট্টা দিয়া হয় নে নহয় সেই বিষয়ে উল্লেখ নকৰিলে।

শ্ৰীপৰমানন্দ গগৈ (মন্ত্ৰী) : জৰীপ কাৰ্য্য সম্পুৰ্ণ হোৱাৰ এচেচমেণ্ট কৰা ৰিপোৰ্ট দিয়াৰ পিচত পটন পাব বুলি মোৰ ধাৰণা লাগে ১০ বছৰেই সেই মাটিত বহি থাকক যদি মাটি পোৱাৰ যোগ্যতা আছে।

শ্ৰীৰমেশ মোহন কুলী : ১৯৭২ চনৰ ৰিভাইজদ লেণ্ড পলিচিৰ এচেচমেণ্ট কৰা হৈ গল।

শ্ৰীপৰমানন্দ গগৈ : সেইটো খবৰ কৰি চাম।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা : কাহিলীপাৰাৰ ঘটনা সম্পৰ্কে কি হ'ল ?

শ্ৰীপৰমানন্দ গগৈ : কাহিলীপাৰাৰ খবৰ অহা নাই। ব্যক্তিগত ভাবে খবৰ কৰি চাম আৰু ব্যৱস্থা লম।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা : মুখ্যমন্ত্ৰী মহোদয়ে নিজে চাই আহিছিল আৰু এনকুৱাৰী কৰিম বুলি কৈছিল। কিন্তু এতিয়াও এনকুৱাৰী কৰা নহল। শান্তিপুৰত চুবেদাৰ আৰু মেজৰ গৈ শান্তি ভঙ্গ কৰি আছে। মুখ্যমন্ত্ৰী আৰু ৰাজহমন্ত্ৰীৰ দৃষ্টি আৰ্কষন কৰিলো কিয় এইটো চলি আছে।

শ্ৰীপৰমানন্দ গগৈ : তাৰ পিচত প্ৰশ্ন আহিল ৰাজহ বিভাগ পুনৰ সংগঠন কৰা সম্পৰ্কে। এই সম্পৰ্কে আলোচনা কৰি আছো আৰু সোনকালে ইয়াৰ ব্যৱস্থা লোৱা হব। মাটিৰ ক্ষতিপুৰণ দিয়া সম্পৰ্কে বহুতো সদস্যই এই ক্ষতিপুৰণ দিয়াত পলম হয় বুলি কৈছে! বৰ্তমানৰ নিয়ম মতে যি বিভাগে মাটি অধিগ্ৰহণ কৰে সেই বিভাগে আগতে টকাটো ৰাজহ বিভাগক দিয়ে, আৰু যদি অতিৰিক্ত মূল্য পিচত দিব লগা হয় যদি বিচাৰ বিভাগত অতিৰিক্ত মূল্যৰ বাবে আপিল কৰে তেতিয়া সেইটো টকা দিব বুলি লিখি দিয়ে। এইটো কৰাৰ কাৰণে ক্ষতিপুৰণ দিয়াৰ ক্ষেত্ৰত আমি কিছু আগবাঢ়িব পাৰিছো। ই, এণ্ড, ডি বিভাগৰ ৭১২ টা পুৰণা কেচ পৰি আছে। তাৰ ভিতৰত ১৯৭২ চনত ২৪১ টা কেচৰ সিদ্ধান্ত কৰিব পাৰিছো আৰু ধন দিয়াৰ ব্যৱস্থা হৈছে।

এইধৰণেই আৰু মাটি 'একুইজিস্বন' কৰিছিল তাৰ ৭৯৯ টা কেছ আছে। তাৰে ২৮৭ টা ইতিমধ্যে কৰি দিয়া হৈছে। তাৰ পিছত ১১৫ টা কেছৰ ভিতৰত 'ডিচপজ' কৰা হৈছে ২২ টা। এইধৰণে যিমানদূৰ পৰা যায় কেছ বিলাক নিস্পতি-কৰাৰ কাৰণে চেষ্টা কৰা হৈছে। কিন্তু বিভিন্ন বিভাগৰ কিছুমান কাৰণত এই কেছ কিছু-মান 'ফাইনেলাইজদ' কৰিব পৰা নাই। কিছুমান প্ৰয়োজনীয় কাৰণত কেতিয়াবা কাম বিলাক অলপ পলম হয়। অধিগ্ৰহন কৰাৰ নিয়মতে কাম নকৰাৰ কাৰণে আৰু উচ্ছেদ কৰোতে খেলিমেলি আদি হলে, ক্ষতিপূৰণ আদিত টকা নিদিয়াৰ কিছুমান

কেছ পাচ-ছয় বছৰৰ পিচতো অহা দেখা যায়। এনেধৰণৰ কেছো দুই এটা আমাৰ আছে। সকলো অৱস্থাতেই আমি কেছবিলাক 'ডিছপজ' কৰাৰ কাৰণে ছেষ্টা কৰো। তদুপৰি, ক্ষতিপূৰণ আদি দিয়াৰ ক্ষেত্ৰতো চৰকাৰে তৎপৰতাৰেই কাম কৰে। আমাৰ মাননীয় সদস্য সকলে আৰু যিবিলাক কথাৰ ওপৰত আলোচনা অৱতাৰণা কৰিছে সেই আতাইবিলাক বিষয়ৰ ওপৰত কোৱাটো মোৰ পক্ষে এতিয়া সম্ভৱপৰ নহয়। তথাপিও, তেখেত সকলে যিবিলাক পৰামৰ্শ দিছে সেই আটাইবিলাকেই গঠনমুলক পৰামৰ্শ আৰু সেইবিলাক গ্ৰহণ কৰিবৰ কাৰণে আমি পাৰ্য্যমানে চেষ্টা কৰি চাম।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী : মাননীয় উপাধ্যক্ষ মহোদয়, মই কৈছিলো যে, কিছুমান আবাদযোগ্য মাটি যত এতিয়াও নিগমৰ কাম আৰম্ভ হোৱা নাই আৰু যিবিলাক মাটিত ব্যক্তিগত পট্টা দিয়া হোৱা নাছিল। সেই মাটি বিলাকত মাটিহীন খেতিয়ক সকলে বৰোখেতি কৰিছে আৰু অহা বতৰৰ খেতিবিলাক সেই মানুহ বিলাকে নিজে নিজে কৰিব পাৰিবনে নোৱাৰে ?

শ্ৰীপৰমানন্দ গগৈ (মন্ত্ৰী) : তেওঁলোকে যুতীয়া ফাৰ্ম্মৰ দ্বাৰা নিশ্চয় খেতি কৰিব পাৰিব। ধৰক দহঘৰ মানুহ লগহৈ দহ বিঘা দহ বিঘাকৈ এশ বিঘা মাটি গোটাই যুতীয়াভাৱে খেতি কৰিব পাৰে আৰু তাৰ কাৰণে প্ৰয়োজনীয় সহায় আদিৰ দৰ্কাৰ হলেও চৰকাৰৰ ফালৰ পৰা দিয়াৰ কাৰণে চেষ্টা কৰা হব। তাৰ পিছত আমাৰ মাননীয় সদস্যা শ্ৰীমতী ৰেণুকাদেবী বৰকটকীয়ে চৰ অঞ্চলৰ যিটো কথা কৈছিল সেই সম্পৰ্কে পৰীক্ষা আদি কৰি থকা হৈছে। যোৱা নবেম্বৰ মাহত আমি ডি, চি, এচ, ডি, চি সকললৈ ,আমি এখন চাৰ্কোলাৰ যোগে এই বিলাক কথা অনুসন্ধান কৰিবৰ কাৰণে নিৰ্দ্দেশ দিছিলো। সেই মতেই বহুত কষ্ট কৰিয়েই অনুসন্ধান কৰা হল আৰু তদন্তৰ ৰিপৰ্ট এমাহৰ আগতেই দিয়া হল যদিও এমাহৰ আগতে পোৱা নাই। সেই ৰিপৰ্ট শ্বিলঙলৈ গল। আমাৰ এ, ডি, চি,ক এইটো ইয়াতে দিবৰ কাৰণে কোৱা হৈছে। উচ্ছেদৰ ক্ষেত্ৰত আমাৰ মুখ্যমন্ত্ৰী মহোদয়েও কৈছিল যে, পৰীক্ষামূলক ভাৱে কাম কৰি থকা হব। ইয়াত আমি কৃতকাৰ্য্য হলে চৰ সম্পৰ্কে আমি ব্যৱস্থা লব পাৰো। সিদিনা কোৱা হৈছিল যে, চৰ বিলাকত কিমান মাটি আছে। প্ৰত্যেক মহকুমাতে জাননী দিয়া হৈছে আৰু সেইটো আহি পালেই আমি পৰামৰ্শ অনুযায়ি যি ব্যৱস্থা লব লাগে সেই ব্যৱস্থা আমি নিশ্চয় লম। তাৰ পিছত মন্দিৰ

আদিৰ মাটি বাৰীৰ ক্ষেত্ৰত যিবিলাক প্ৰশ্ন আদি উঠিছে সেইবিলাক আমি পৰীক্ষামূলক ভাৱে চাই চিতি লৈহে কাম আদি কৰিবৰ কাৰণে বিভাগলৈ নিৰ্দ্দেশ আদি দিম। সেইবিলাক পৰীক্ষা আদি কৰাৰ পিছত যদিহে উপযুক্ত হয় তেতিয়াহলে এই সত্ৰাদিৰ কাৰণে আমি আগধন আদি দিব পাৰিনেকি তাৰ ব্যৱস্থা কৰিম। মাননীয় সদস্যা শ্ৰীমতী বৰকটকী ডাঙৰীয়াই এই প্ৰশ্ন অৱতাৰণা কৰাৰ কাৰণে তেখেতৰ শলাগ লৈছো আৰু তেখেতক মই ধন্যবাদ জনাইছো। তাৰ পিচত আমাৰ মাননীয় সদস্য শ্ৰীকেহোৰাম হাজৰীকাদেৱে ৰাজহ আদি আদায় কৰিব নোৱাৰা মৌজাদাৰ সকলৰ বিষয়ে শোধা প্ৰশ্নোত্তৰত মই কওঁ যে, এই ধৰণৰ মৌজাদাৰ সকলৰ বিৰুদ্ধে ব্যৱস্থা লোৱা হব। যমুনা মৌতঙৰ বনাঞ্চলৰ সম্পৰ্কত মই কওঁ যে এই বনাঞ্চলত কৃষি নিগম আদি কৰিলে তাত থকা বনাঞ্চল সম্পূৰ্ণ ধ্বংস হৈ যাব। সেই কাৰণেই নিগম কৰিবৰ কাৰণে এই বনাঞ্চলটো চৰকাৰে বিছৰা নাই। প্ৰয়োজন হলে লুটুমাৰিতে এই কৃষিনিগম কৰাৰ কথা ভৰা হৈছে। কেন্দ্ৰীয় চৰকাৰৰ আচনি মতেও যিধৰণে কাম কৰিবলৈ দিয়া হৈছিল সেইমতেই কাম বিলাক হাতত লবলৈ চেষ্টা কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰৰ আচনি মতে যি বিলাক কাম কৰিবলৈ দিয়া হৈছিল, আৰু নগাৰৰ লেণ্ড এডভাচাৰী বোৰ্ডে যি বিলাক পৰামৰ্শ দিছিল সেই মতে এই মানুহবিলাকক উচ্ছেদ কৰিবলৈ কোৱা হৈছিল। কিন্তু সেই মানুহ বিলাকৰ বহুতো কেচ বিভিন্ন কৰ্টত নিষ্পতি নোহোৱাকৈ পৰি থকাৰ কাৰণে সেই কামত আগবাঢ়িব পৰা নাই।

সোনাপুৰ চাহ বাগিচাৰ মাটি অধিগ্ৰহণ আৰু ক্ষতি পুৰণৰ সম্পৰ্কত বহুতো মাননীয় সদস্যই সন্দেহ প্ৰকাশ কৰিছিল। এই ক্ষতিপুৰণৰ পৰিমাণ কিমান হব সেইটো মোৰ হাতত নাই। আৰু এই সম্পৰ্কত কেচটো আৰবিট্ৰেচনলৈ দিলে আৰু তেওঁলোকৰ মতে ডিচট্ৰিক জাৰ্জে সেই টকা দিয়ে। তাৰ পিচত তাৰ ওপৰত আপিল হাইকোৰ্টত মিলিটাৰি অথৰিটিয়ে কৰিছে গতিকে এই কেচটো উচ্চ ন্যায়লয়ৰ তদন্তাধীন। গতিকে মই এই সম্পৰ্কত আৰু বিশেষ কথা কব নোখোজো।

শ্ৰীমতী ৰেণুকাদেৱী বৰকটকী : এই কেচটো বিচাৰৰ সময়ত চৰকাৰী পক্ষৰ উকিল আছিলনে নাই। এই বিধান সভাটো এই কথা আগতে ওলাইছিল। আৰু এই বাগানৰ ক্ষতিপুৰণ সম্পৰ্কত চৰকাৰী উকিলে এই কথা পেচ কৰিছিলনে নাই।

অসম চৰকাৰে ইনফেন্ট ৰেটত ক্ষতিপূৰণ দিয়াৰ কাৰণে মিলিটাৰী অথৰিটিয়ে অসম চৰকাৰৰ বিৰুদ্ধে কেচ কৰিছে এই কথা সচা নহয়জানো ?

শ্ৰীপৰমানন্দ গগৈ ( মন্ত্ৰী ) ঃ যিহেতু কেচটো তদন্তাধীন । এই কাৰণে এই সম্পৰ্কত মই বেচি কথা কব নোখোজো ।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা : ইমান খিনিযে ক্ষতিপুৰণ দিবলগীয়া হল ইয়াৰ কাৰণে আমাৰ চৰকাৰী উকিল জগৰীয়া হয় নে নহয় ?

শ্ৰীমতী ৰেণুকাদেবী বৰকটকী ঃ এই ক্ষতিপুৰণ চাৰে ৩ লাখ টকাৰ ঠাইত ৬৩ লাখলৈ উঠিল ইয়াৰ বাবে চৰকাৰৰ দৃষ্টি আছিলনে নাই । যদি এই ৰেটত ক্ষতি-পুৰণ দিবলগীয়া হয় তেনেহলে চন্দ্ৰ পুৰত ৰাজধানী হলে তাৰ মাটি অধিগ্ৰহণ কৰিব-লগীয়া হলে তাৰ ডাবুল দিব লাগিব ।

শ্ৰীপৰমা নন্দ গগৈ ( মন্ত্ৰী ) : কেচটো যিহেতু বিচৰাধীন সেই কাৰণে মই বেচি কব নোখোজো গতিকে মই এই খিনি কথাকেই থুলমুল ভাৱে কৈ এই কথা পুনৰ কব খুজিছো যে যি বিলাক ক্ষেত্ৰত চৰকাৰৰ ওপৰত সন্দেহ প্ৰকাশ কৰিছে আৰু চৰকাৰে নীতি আদি কৰাত হেমাহি হৈছে বুলি কৈছে সেই বিলাকলৈ দৃষ্টি ৰাখি কাম বিলাক যাতে কাৰ্য্যকৰী কৰিব পৰা যায় তাৰ কাৰণে চৰকাৰে চেষ্টা কৰিব । এই খিনি কথা কৈয়ে কৰ্ত্তন প্ৰস্তাৱটো পত্যাহাৰ কৰিবলৈ অনুৰোধ জনালো ।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা ঃ আজি এক যুগ ধৰি গোহাই গাওঁ ৰেলওৱে ডাইকত থকা অনুসুচীত জাতি আৰু জনজাতিৰ মানুহ খিনিৰ কল্যানৰ হকে কি কৰিব সেই বিষয়ে চৰকাৰে একো নকলে ।

শ্ৰীপৰমানন্দ গগৈ (মন্ত্ৰী) : এই সম্পৰ্কত মই ১৯৭১ চনৰে পৰাই মাননীয় সদস্য গৰাকীৰ লগত মই আলোচনা কৰি আহিছো । এই মানুহ খিনিৰ কাৰণে যিমান-খিনি কৰিব লাগিছিল সিমান খিনি কৰিব পৰা হোৱা নাই । আৰু এই মানুহ খিনিক দুখ কষ্ট লাঘৱ কৰি পুনৰ সংস্থাপন কেনেকৈ কৰিব পৰা যায় এই বিষয়ে চিন্তা কৰিব লাগিব ।

Mr. Deputy Speaker : Are you withdrawing the cut motions ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ঃ ৰাজহ মন্ত্ৰীয়ে উত্তৰ দিব লাগে দিছে । আমাৰ ভূমি

সংস্কাৰ নীতিত যি বিলাক হৈছে সেই বিলাক এটা বিৰাট শুন্য । গতিকে মই এই প্ৰস্তাৱটো উঠাই লব নোৱাৰো ।

Mr. Deputy Speaker : Then I put all cut motions on grant Nos. 2, 61 and 79 at a time.

( The House divided )

The result of the division

Ayes—12

Noes 41

The cut motions are lost.

Now, I put the demands. The question is that Grant No. 2, 61 and 79 be passed.

(The motion was adopted—the Grants were passed)

Now, Mr. Das.

Shri Upendra Das : Sir, on the recommendation of the Governor of Assam, I beg to move that a sum of Rs. 4, 40, 07, 400 be granted to the Minister-in-charge to complete the sum of Rs. 5,80,93,800 necessary to defray the charges which will come in course of payment during the year ending the 31st March, 1974 for the administration of the head "31.-Agriculture."

Sir, on the recommendation of the Governor of Assam I beg to move that a sum Rs. 39,69,000 be granted to the Minister-in-charge to complete the sum of Rs. 52,69,000 necessary to defray the charges which will come in course of payment during the year ending the 31st March, 1974 for the administration of the head "31.-Agriculture II-Fisheries."

Shri Kabir Chandra Roy Pradhani : Sir, I oppose the demands.

মাননীয় উপাধ্যক্ষ মহোদয়, মই এই কৰ্ত্তন প্ৰস্তাৱটো মোভ কৰি এই বিষয়ে দুষাৰ কবলৈ আগবাঢ়িছো। আজি কৃষিৰ শিতানত যি টকা ধৰিছে মই সেই বিষয়ে মোৰ বাজেটৰ সাধাৰণ আলোচনাৰ সময়তো কৈছিলো যে, এই কৃষি বিভাগটো উঠাই দিলেও কৃষক সকলৰ কোনো অন্যায় নহয় বা কৃষক সকল বৰ্ত্তমানে যি বিপদত পৰিছে তাতোকৈ বেছি বিপদত নপৰে। এই বাৰ মই এই কথাকে প্ৰমান কৰিব খুজিছো কাৰণ কিছু দিনৰ আগতে পাঞ্জাব আদি ঠাইলৈ যোৱাৰ মোৰো সৌভাগ্য ঘটিছিল। এই ঠাইবোৰ ভ্ৰমণ কৰি তাত হোৱা সেউজীয়া বিপ্লৱ চাবলৈকো মোৰ সুযোগ ঘটিছিল। আমাৰ মন্ত্ৰী মহোদয়েও কৈছে যে পাঞ্জাৱত যি পৰিমাণে এই বিপ্লৱত আগবাঢ়িছে সেই পৰিমাণে আমি আগবাঢ়িব পৰা নাই। কিন্তু মই কওঁযে পাঞ্জাৱত এনেকুৱা এটা অৱাস্তৱ অৱস্থাৰ মাজেৰে যদি আগবাঢ়িব পাৰে আমাৰ ইয়াত প্ৰকৃতিয়েও সহায় কৰা স্বত্বেও কিয় আগবাঢ়িব পৰা নাই ? ফলত লাখ লাখ কোটি কোটি টকা খাদ্য সম্পৰ্কত ব্যয় কৰিছে। বাহিৰৰ পৰা গম আনিব লগা হৈছে, খাদ্য আনিব লগা হৈছে। কৃষিৰ ক্ষেত্ৰত চৰকাৰে ব্যথতা হোৱা নাই বুলি বুকুত হাত দি কব পাৰিবনে ? ১৯৪৭ চনৰ পিচত কেইটামান কৃষি নীতিৰ পৰিবৰ্ত্তন কৰা হৈছে। জমিদাৰী থাকিলে মাটিৰ মালিকনা খেতিয়কক যদি দিয়া নহয় তেন্তে খেতিৰ উন্নতি হব নোৱাৰে, খেতিৰ উন্নতি নহলে খেতিয়কৰ আৰ্থিক অৱস্থা উন্নত হব নোৱাৰে আৰু খেতিয়কৰ আৰ্থিক উন্নতি নহলে দেশখন আগুৱাই যাব নোৱাৰে। জমিদাৰী উচ্ছেদ কৰি জমিদাৰক লাখ লাখ টকা দি বেলেগাই অগ্ৰগতিৰ পথত পুঁজিপতি বনাই দিয়া হল। তাৰ পিচত জোটদাৰ উঠাই দি এশ বিঘাৰ পৰা পঁশত্তো বিঘা আৰু এশ বিঘাৰ পৰা পঞ্চাশ বিঘা কৰা হল। তাৰ বিনিময়ত টকাৰ ক্ষতিপূৰণ দিয়া হল। ক্ষতিপূৰণ দিয়াৰ পিচতো মানুহক মাটি দিব পৰা নাই। এনে ধৰণৰ পদ্ধতিৰে যে কৃষিৰ দুৰ্গতি হৈছে সেই কথা হয়তো কৃষি মন্ত্ৰীয়েও স্বীকাৰ কৰিব।

দ্বিতীয়তে হৈছে আমি যদি আধুনিক ফৰমুলালৈ চাওঁ তেন্তে দেখা পাওঁ যে লেণ্ড, কেপিটেল আৰু লেবাৰ এই তিনিটাৰ কথা। পৃথিবীত এনে এখনো দেশ

নাই যি খন দেশ ভাৰতবৰ্ষ তথা অসমতকৈ পিচপৰা। আৰ্থিক অবস্থা যদি উন্নত নহয়; তেন্তে লেণ্ড, কেপিতেল আৰু লেবাৰৰ কথা কওঁতে লেবাৰবিলাক স্কীল লেবাৰ কৰা ভাল হলহেতেন। পৌৰানিক পদ্ধতি বাদ দি আধুনিক পদ্ধতিৰে, খেতি-য়কক আগুৱাই দিব পৰা হলে খেতিয়কৰ উন্নতি হলহেতেন। ইৰিগেশ্যনৰ ওপৰতো খেতিয়কৰ ভালেখিনি কথা নিৰ্ভৰ কৰে। খেতিয়কক অৰ্থনৈতিক ক্ষেত্ৰত আগুৱাই দি কৃষিবিষয়ত ট্ৰেনিং দিয়াৰ প্ৰচেষ্টা কৰিলেও খেকিয়কৰ মানসিক উন্নতি হলহেতেন। কাজেই এই ক্ষেত্ৰত যিমানবিলাক জিলা ভিত্তি বিষয়া, জিলা অধি-কৰ্তা এচ ডি অ চাহাব আৰু দেমোনেষ্টটৰ আছে সেই সকলৰ পৰা খেতিয়কৰ কিমান লাভ হৈছে ? সেইসকলৰ পৰা কিবা লাভ হোৱাৰ হিচাব হয়তো মন্ত্ৰী মহোদয়ে দিব পাৰে, কিন্তু প্ৰেক্টিকেলি তাৰ হিচাব আমি নাপাওঁ। মই নিজে এজন খেতিয়ক, মই এতিয়াও নিজে খেতি কৰো। গোটেই অসম ঘূৰা-ঘূৰি কৰি যি দেখিছো তাৰ পৰা কব পাৰি যে ২০-৩০ বছৰৰ আগতে খেতিয়কৰ যি অৱস্থা আছিল আজি তাৰ কোনো বৈষম্য আমি দেখা নাপাওঁ। গতিকে এইবোৰ কৃষি বিভাগ যদি উঠাই দিয়া হয় তেন্তে খেতিয়কৰ বা খেতিৰ কিবা অপকাৰ হব বুলি মই নাভাবো। এই বিভাগবোৰৰ দ্বাৰা হয়তো কাগজে-কলমে কিছুমান ষ্টেটিকৃটিচ্ আছে। এই বিভাগ বোৰ উঠাই দিলে হয়তো কিছুমান আন এমপ্লইমেণ্ট হব। সমস্যাৰ স্থষ্টি হব। কিন্তু তাৰ পৰা খেতিয়কৰ কোনো হানি নহয়।

মন্ত্ৰী মহোদয়ে এৰোপ্লেনেৰে ঔষধ চতিয়াই ৬৪ লাখ টকা ব্যয় কৰা বুলি কৈছে। এই খিনি টকা যদি পেষ্টিচাইদ খেতিয়ক বৰ্ত্তন কৰি দিলেহেতেন প্ৰত্যেক জিলাতেই প্ৰায় ৮/৯ লাখ টকা পালেহেতেন আৰু খেতিয়কে মেণ্টেলী উত্সাহ পালেহেতেন। এই বিষয়ে মই কেইটামান চৰ্ট নটিচ কুৱেশ্যন দিছো, দুই তিনি দিন হৈছে তাত হেজাৰ হেজাৰ বিঘা আহু ধানৰ খেতিত পোকে ধৰিছে, ইয়াৰ উত্তৰ মন্ত্ৰী মহোদয়ে কি দিব মই নাজানো। ঔষধ দিলে খেতিৰ উপকাৰ হব বুলি মই নাভাবো। ঘেহুখেতিত ময়ো অংশ গ্ৰহণ কৰিছিলো। তাত মুঠ চাৰি বিঘা মাটিত মাত্ৰ সাত মোন ঘেহু হৈছিল। আন ঠাইত বিঘাত ১০-১৫ মোনকৈ হৈছে। যদি এইবোৰ ঠাইত সৰিয়হ কৰিলেহেতেন তেন্তে বিঘাই দুই তিনি মোনকৈ পালেহেতেন। ঘেহু খেতি যিখিনি খেতি নষ্ট হল তাৰ ক্ষতি-

পূৰণ চৰকাৰে দিব লাগে। যেহুৰ বাবে আমাৰ খেতিয়কে যি কৃষি ঋণ ললে সেই খিনি পৰিশোধ নকৰো বুলি ডি, চি মহোদয়ৰ ওচৰত দৰ্খাস্ত দিয়া আছে সময় থাকোতে এই কথাতো মই মন্ত্ৰী মহোদয়ক জনাই থৈছো। যেহু খেতি কৰি যি নষ্ট হল তাৰ বাবে কমপেনচেট দিব লাগে। কাৰণ খেতিয়কৰ খেতি নষ্ট হলেই, তাৰোপৰি শ্ৰমৰ মৰ্য্যদা আছে। আন উন্নত দেশত এনে ব্যৱস্থা আছে।

আজি কৃষক সকল দিনক দিনে জুৰুলা হৈ গৈছে। খেতিৰ উন্নতি সাধন কৰিবলৈ হলে প্ৰতিজন খেতিয়কক অন্ততঃ ট্ৰেইনিং দিয়াৰ ব্যৱস্থা কৰিব লাগে। গাওঁ অঞ্চলত ট্ৰেইনিংৰ ব্যৱস্থা আছে যদিও কেইজন মানুহে দিয়া হয় আৰু ই যথেষ্ট নহয়। কিন্তু যিসকলে আচলতে খেতি কৰে সেই সকলৰ হলে কোনো শিক্ষা নহয়। এনে হব লাগে যেন আচলতে হালবোৱা, খেতিকৰা লোক সকলৰ অন্ততঃ পক্ষে সপ্তাহৰ তিনি চাৰি দিন ক্লাচ কৰি এমাহ দুমাহ হব লাগে।

শ্ৰীপ্ৰেমধৰ বৰা : উপাধ্যক্ষ মহোদয়, হাউচত কোৰাম আছে নে নাই ?

উপাধ্যক্ষ : হয় আছে।

শ্ৰীৰবীৰ চন্দ্ৰ বায় প্ৰধানী : অসমৰ ইমানবিলাক গাওঁ পঞ্চায়তত ট্ৰেনিংৰ বাবে কিমান টকা যায় সেইটো গুৱাহাটীৰ বা শ্বিলঙৰ পৰা সেই টকা যায়। কিন্তু আমি জানো যে সেই টকা কেৱল মাছ-মাংস আনি ভোজ ভাত খোৱাতহে খৰচ হয়। কাজেই এই ক্ষেত্ৰত যি ট্ৰেইনিংৰ কাৰনে টকা দিয়া হৈছে সি অথলে গৈছে। অন্তত:পক্ষে ঘৰে ঘৰে এজনকৈ ট্ৰেইনিং দিলেও বহুত কাম হলহেতেন। কিতাপ পত্ৰৰ কাৰণে পৰীক্ষাৰ কাৰণে ট্ৰেইনিং দিব লাগে গতিকে খেতিৰ ক্ষেত্ৰত অৰ্থাৎ প্ৰকৃতিৰ বিৰুদ্ধে খেতি কৰিবলৈ আৰু তাত প্ৰাধান্য লাভ কৰিবলৈ হলে নিশ্চয় কিছু নহয় কিছু ট্ৰেইনিং দিব লাগিব। অন্তত: যিবিলাক লোকে নিগমৰ তলত কাম নকৰি নিজৰ থকা ১০-২৫-৫০ বিঘা মাটিত খেতি কৰি পেটে ভাতে খাই থাকে সেইসকলৰ কাৰনে হলেও অলপ অচৰপ ট্ৰেইনিং দিব লাগে। প্ৰতি ৰক্ষাৰ কাৰণে যদি ট্ৰেইনিং দিব লাগে শিক্ষাৰ কাৰণে ট্ৰেইনিং দিব লাগে তেন্তে মই ভাবো পণ্ডিতৰ লৰা নিশ্চয় পণ্ডিত হব নোৱাৰে, এম-এ পাচৰ লৰা এম-এ পাচ হব নোৱাৰে। সেইদৰে খেতিয়কৰ লৰাও খেতিয়ক হব নোৱাৰে। তাৰ কাৰণে লাগে উপযুক্ত ট্ৰেইনিং। এইবিলাক কথা

চিন্তা নকৰিলে কেনেকৈ খেতিৰ উন্নতি হব ইয়াৰ কাৰণে লাখ লাখ টকা পানীত পেলাই দিয়াৰ দৰেই হৈছে। তাৰ সলনি যদি কেইটামান ক্লাচ খুলিলে-হেতেন বছৰেকত ছয় মাহ নহলেও তিনিমাহ ট্ৰেইনিং দিয়াৰ ব্যৱস্থা কৰিলেহেতেন বহুত কাম হলহেতেন। এইবিলাক বাস্তৱ কথা। এইবিলাকলৈ লক্ষ্য নাৰাখি কেৱল বিল পাচ কৰিলেই কাম নহয়। অসমভূমিত গ্ৰীন ৰিভলিউচন কৰাৰ কথা ভাবিলে তাৰ কাৰণে সেইমতে কামো কৰিব লাগিব। মৰুভূমিময় ঠাইটো গ্ৰীন ৰিভলিউচন কৰিবলৈ সক্ষম হৈছে তেনেস্থলত আমাৰ ইয়াত বৰষুণ হয়, ইয়াত প্ৰকৃতিয়ে পানী দিয়ে, মাটি সাৰুৱা, হয়তো যদি আমি গ্ৰীন ৰিভলিউচন কেৱল কথাৰেই কৰি থাকো তেনেহলে আমাৰ একো লাভ নহব। দুখীয়া খেতিয়ক জনসাধাৰণ কোনোপধ্যে উপকৃত হব নোৱাৰিব।

দ্বিতীয়তে খেতিৰ উৎপাদন বঢ়াব পৰা নাই। মই মন্ত্ৰী মহোদয়ক জনাব বিচাৰিছো যে এইটোত নজৰ দিয়ক। পি-ডব্লিউ-দিৰ ৰাস্তা আদি চাবলৈকো এচ-ডি অ' মহৰি আদি থাকে, অভাৰচিয়াৰ থাকে কিন্তু ইয়াৰ কাৰণে কোনো ফিক্সড্ ৰেচপন্‌চিবিলিটি নাই। সেইটো কৰিলে আমি ভিক্ষা কৰিব লাগিব কিন্তু আমি ভিক্ষুক নহওঁ। আমি উৎপাদন কৰিব পাৰিম। ইয়াৰ কাৰণে আমি প্ৰচেষ্টা চলাব লাগিব। খেতিৰ উৎপাদন যাতে বঢ়াব পৰা যায় এই কথালৈ দাবী ৰাখি মই কৰ্ত্তন প্ৰস্তাৱ মোভ কৰিলো।

শ্ৰীৰাম চন্দ্ৰ শৰ্ম্মা : উপাধ্যক্ষ মহোদয়, এই শিতানত উত্থাপন কৰা কৰ্ত্তন প্ৰস্তাৱৰ প্ৰতি সমৰ্থন জনাইছো আৰু কেই আষাৰমান কব বিচাৰিছো। অসম এখন কৃষিপ্ৰধান দেশ। শতকৰা আশীভাগ লোকেই খেতিয়ক। মাটিও সাৰুৱা আৰু ইয়াত বৰষুণ হয় ইয়াত নদী-নলা আছে অথচ এই দেশে খাদ্যৰ সম্পৰ্কত আনৰ ওপৰত নিৰ্ভৰ কৰিব লাগে। এইটো হল আমাৰ চৰকাৰৰ অকৃতকাৰ্য্য বা ব্যৰ্থতাৰ পৰিচয়। উপাধ্যক্ষ মহোদয়, এই শিতানত আটাইতকৈ বেছি টকা ধৰা হৈছে কিন্তু এই টকা জনসাধাৰণ বিশেষকৈ যিবিলাক প্ৰকৃত খেতিয়ক বা কৃষক সেই সকলৰ শতকৰা পাঁচ ভাগৰহে কামত আহিছে নে নাই তাতো সন্দেহ কৰিবৰ যথেষ্ট অৱকাশ আছে। আমি গ্ৰীন ৰিভলিউচনৰ কথা কৈছো গৰিবী হতাওৰ কথা কৈছো কিন্তু এইবিলাক ঠিক নহয় শ্লগানহে হৈ আছে। ই এটা চৰম অকৃত-কাৰ্য্যতাৰ কথা। অসম চৰকাৰে যিবিলাক আইডিয়েল কৃষি পাম খুলিছে সেই

বিলাক ৰাস্তাৰ কাষেৰে যাওঁতে সকলোৱে দেখিছে সেইবিলাকেই হল চৰকাৰৰ ব্যৰ্থতাৰ কথাৰ উদাহৰণ। কৃষি বিষয়া আছে, বিভিন্ন ডিৰেক্টৰ জইণ্ট ডিৰেক্টৰ এগ্ৰিকালচাৰ অফিচাৰ, ডিষ্ট্ৰিক্ট ইন্সপেক্টৰ তাৰ উপৰিও এগ্ৰো ইণ্ডাষ্ট্ৰিজ ডেভেলাপমেণ্ট কৰপোৰেচন আৰু চৰকাৰী টকা খৰচ কৰি ট্ৰেইনিং আদি দিয়াৰ নানান ব্যৱস্থাও আছে এই ক্ষেত্ৰত খেতিৰ উৎপাদন বৃদ্ধি কৰিবলৈ বুলি। এই সকলো বিলাকতে টকা দিছে। আমাৰ কৃষিমন্ত্ৰী মহোদয়েও দেখিছে যিবিলাক ফাৰ্ম খোলা হৈছে সেই উল্লেখযোগ্য ফাৰ্ম বিলাকত চকীদাৰ আছে, পিয়ন আছে, অফিচাৰ আছে, দুই এটা গৰু আছে, পাম্প কেইটামান আছে। এইয়ে হল কৃষি বিভাগৰ উদাহৰণ। আমাৰ জনসাধাৰণক এই বিভাগে কিমান উপকাৰ কৰিব পাৰিছে? ইয়াৰোপৰি আৰু কিছুমান অদূৰদৰ্শিতাৰ কথা আছে।

উপাধ্যক্ষ মহোদয়, আমাৰ মন্ত্ৰী সকলে 'পাঞ্জাব' বা 'হাৰিয়ানা' ইত্যাদিত ভ্ৰমি আহি আমাৰ ৰাজ্যত অমুক কৰিব লাগে তমুক কৰিব লাগে বুলি চিঞৰ বাখৰ কৰিলে আমাৰ দেশত কৃষিৰ উন্নতি কেতিয়াও নহব, কৃষি নাবাঢ়িব। আমাৰ প্ৰধান চিন্তা হব লাগিব কেনেদৰে বা কিদৰে অলপীয়া মাটিত নানা ধৰণৰ অধিক শষ্য উৎপাদন কৰিব পাৰি। আজি আমাৰ ৰাজ্যত মুখ্যমন্ত্ৰী ডাঙৰীয়াই কোৱাৰদৰে শতকৰা ৭৪ জন মানুহ দাৰিদ্ৰ সীমাৰ ৰেখাৰ লগত আছে আৰু সেইচাম মানুহৰ শতকৰা ৯০ ভাগ আমাৰ গাওঁ বিলাকত আছে। তেওঁলোকে খেতি কৰিবলৈ যাৱতীয় সা-সজুলী পোৱা নাই, হাল বোৱাৰ বাবে ভাল আহিলা নাই, গৰুহাল কিনিবলৈ তেওঁলোকে গাৱৰ কৃষি বেংকৰ পৰা কোনো সহায় পোৱা নাই, কাৰণ গাৱত বেংকো নাই যৰপৰা নেকি খেতিয়ক সকলে কৃষি ঋনো পাব পাৰে। গৰু-মহ কিনিবলৈ তেওঁলোকে ৩।৪ শ টকাই যোগাৰ কৰিব নোৱাৰে। তাৰোপৰি খেতিয়ক সকলে ৰোপন কৰিবলৈ ভাল বীজ পোৱা নাই, ইৰিগেশ্যন বা জলসিঞ্চনৰ কথা বাদেই দিয়ক। শতকৰা ৪০ ভাগ মানুহৰ ভূমিহীন মানুহ, সেই কেইজন খেতিয়ক। আমাৰ কৃষক ৪ প্ৰকাৰৰ আছে, মই জমীদাৰ সকলৰ কথা বাদেই দিছোঁ, যিসকল ১০ বিঘাৰ পৰা ৩০ বিঘালৈ মাটি আছে সেই একপ্ৰকাৰৰ কৃষক, আকৌ কিছুমানে লোকৰ মাটিত আধিয়া হিচাবে খেতি কৰে, আকৌ কিছুমানৰ খেতিত বানপানীয়ে তাণ্ডৱ লীলা খেলে আৰু কিছুমানৰ মাটি শুকানহৈ পৰি থাকে, শুকান হোৱাৰ ফলত আকালে দেখা দিয়ে, আৰু এনে কিছুমান খেতি-

য়ক আছে যি নেকি নিজৰ লৰা-ছোৱালীক আনৰ ঘৰত কামবন কৰিবলৈ দি নিজে আনৰ মাটিত গৈ খেতি কৰে, গতিকে ইমান শ্ৰেণীৰ খেতিয়ক আমাৰ ৰাজ্যত আছে যাক যেকি আমি কোনো ধৰণৰ সুবিধা দিব পৰা নাই। আজি যিখন ৰাজ্যত শতকৰা ৭৪ জন মানুহ দাৰীদ্ৰ সীমাৰেখাৰ তলত আছে সেইখন ৰাজ্যৰ মানুহে কৰপৰা উন্নতি কৰিব পাৰিব? আজি এনে অৱস্থাত আমাৰ মানুহৰ অৱস্থা ভাল হোৱাতো কোনো মতেই আশা কৰিব নোৱাৰিম। আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই নিজেই কৈছে যে ৰাজ্যৰ দুখীয়া জনসাধাৰণক ওপৰলৈ তুলি নিবপৰাতোয়েই হ'ল আমাৰ প্ৰধান কৰ্তব্য কিন্তু এই হিচাবে চৰকাৰে কোনো সুবিধা আমাৰ খেতিয়ক সকলক দিবপৰা নাই।

উপাধ্যক্ষ মহাদয়, আজি শতকৰা ৬০ ভাগ মানুহ আমাৰ মাটিহীন খেতিয়ক আৰু তেওঁলোকেই গাৱত বাস কৰে গতিকে তেওঁলোকক মাটি দিয়াতো চৰকাৰৰ কৰ্তব্য আছিল কিন্তু তেওঁলোকক কোনো মাটি দিবপৰা নাই। উপায় নাপাই পেতৰ যাতনাত থাকিব নোৱাৰি তেওঁলোকে কিছুমান ফৰেষ্ট ৰিজাৰ্ভ আৰু চৰণীয়া পথাৰ চৰকাৰী পতিত মাটিত ৬।৭ মাহ আহু আৰু মৰাপাটৰ খেতি কৰি কোনোমতে পোহপাল গৈছিল কিন্তু চৰকাৰে মিলিটাৰী লগাই সেই লোকসকলক ৬।৭ মাহ ধৰি খেতি-বাতি কৰি বসবাস কৰা ঠাইৰ পৰা মাৰি ঘৰ জ্বলাইছে হাঁহ ছাগলী আদি ধৰি আনি সেই নিথকুৱা মানুহ বিলাকৰ ওপৰত নানা ধৰণৰ অত্যাচাৰ জুলুল কৰি মানুহবিলাকক তাৰপৰা খেদি পঠিয়াইছে। প্ৰথম অৱস্থাতেই যেতিয়া সেই মানুহ বিলাকে বেদখল আৰম্ভ কৰিছিল তেতিয়াই কিয় তেওঁলোকক সেই ঠাইত ৰহিব দিয়া হ'ল কিন্তু যেতিয়া তেওঁলোকে ৬।৭ মাহ ধৰি অতি কষ্টৰে সেই ঠাইত ধুনীয়াকৈ খেতি আৰম্ভ কৰিছে তাত বসবাস কৰিছে তেতিয়া তেওঁলোকক তাৰপৰা অত্যাচাৰ ভাবে খেদি পঠিয়াইছে, নহলে তেওঁলোকে তাত নবহি হয়তো বেলেগ কামত গুচি গ'লহেতেন।

উপাধ্যক্ষ মহোদয়, এগ্ৰিকালচাৰ ফাৰ্ম্মিং কৰ্পোৰেশ্যনৰ কথা কৈছে, এই সংক্ৰান্ততো দেখা যায় গোলাঘাটত বেদখল আৰম্ভ হৈ গৈছে, লক্ষীমপুৰ আৰু গহপুৰ অঞ্চলতো আমাৰ কৃষি বিভাগৰ মন্ত্ৰী আৰু বনবিভাগৰ মন্ত্ৰীয়ে তদৰূপ অৱস্থা দেখি আহিছে। কৃষি নিগমৰ আৰু ১ বছৰ পাৰ হৈ গৈছে এতিয়া মহকুমা ভিত্তিত কৃষি নিগম হব আৰু তেতিয়ালৈক এই মানুহ বিলাকে কি কৰিব?

যিবিলাকে অত দিনে সেই অঞ্চল সমূহত খেতি কৰি আহিছিল সেই সকল খেতিয়কৰ অৱস্থা আৰু বেয়া হৈ পৰিব, তেওঁলোক অধিক গৰীব হৈ পৰিব তেওঁলোকে জীয়াই থাকিবৰ কাৰণে চৰকাৰে কি কৰিব ? তেওঁলোকৰ দুখ-দুৰ্গতিৰ কাৰণে চৰকাৰেই দায়ী হব লাগিব ।

উপাধ্যক্ষ মহোদয়, এই সংক্ৰান্তত দুটামান পৰামৰ্শ আগবঢ়াব বিচাৰোঁ। আজি চৰকাৰে কৃষকৰ মানদণ্ড উন্নত কৰিবলৈ বিচাৰিছে, সেউজী বিপ্লৱৰ কথা কৈ চিঞৰিছে গতিকে এনে ক্ষেত্ৰত মই কওঁ আমাৰ পানী যোগান বিভাগ, বান পানী নিয়ন্ত্ৰন বিভাগ আৰু 'চীড' কৰপৰেশ্যন এই ৩ টা বিভাগৰ কৃষি বিভাগৰ লগত সামজনস্য থাকিব লাগে আৰু প্ৰকৃত স-সুবিধা আগবঢ়াব লাগিব। 'এগ্ৰো ইণ্ডাষ্টিৰ পৰা কোনোবা এটা অঞ্চলত টেক্টৰ দিছে, ২ খন টেক্টৰে ৯ দিনত ৬ বিঘা মাটি চহোৱাৰ পিছত তেওঁলোকৰ টেক্টৰ বেয়া হয়, মেকানিক বোলে বহুত দুৰত থাকে গতিকে টেক্টৰ তেনেকৈয়ে পৰি থাকে। তাৰ পাছত 'চিড ফাণ্ডৰ' কথা কওঁ, চৰকাৰে কোনো বাচ-বিচাৰ পৰীক্ষা নিৰীক্ষা নকৰাকৈ কিছুমান চিড গুদামত জমা কৰে তাৰ পাছত সেই বিলাক খেতিয়ক সকলক বিলাই দিয়ে ফলত য'ত ঘেহু বীজ ৰোপন কৰা হয় তাত আহুধানৰ খেতি হয় অকল সেইটোৱেই নহয় এঠাইত এটা লগালে তাত কিবা এটা বেলেগ হৈ হয়। এই দৰে চিড কৰপৰেশ্যনে খেতিয়কৰ ওপৰত জুলুম কৰাৰ নিচিনাহে হৈছে। আজি মই কওঁ আমাৰ ওপৰ বিষয়াৰ কৰ্ম্মচাৰী বা বিষয়াৰ কথা বাদেই দিওঁ কিন্তু আজি আমাৰ নিচেই তল খাপৰ যি সকল কৰ্ম্মচাৰী আছে তেওঁলোকে ৰবিশস্যৰ ক্ষেত্ৰতেই হওক বা আন শস্যৰ ক্ষেত্ৰতেই হওক তেওঁলোকে আমাৰ দুখীয়া খেতিয়ক সকলক কোনো প্ৰকাৰৰ সহায় আগবঢ়োৱা দেখা নাযায়। চৰকাৰে টকা ঘূৰাই দিব লগা হৈছে আৰু ৬৪ লাখ টকা এনেয়ে পেলাই দিব লগা হৈছে। এই বিলাক সাধাৰণতে আমাৰ দুখীয়া খেতিয়ক সকলৰ অৱস্থা আৰু শোচনীয় হৈ পৰিছে। গতিকে চৰকাৰৰ জৰীয়তে কৃষক সকলক সকলো ধৰণৰ সহায় আগবঢ়াবলৈ চেষ্টা কৰিব লাগে।

বান-নিয়ন্ত্ৰন বিভাগ জলসিঞ্চন বিভাগ আৰু কৃষি বিভাগৰ লগত সহযোগ থকাটো বাঞ্চনীয় । অকল সেয়ে নহয় চৰকাৰৰ কৃষি বিভাগে কৰাকাম-কাজৰ বাহিৰেও আমাৰ ৰাইজ এই ক্ষেত্ৰত অধিক তৎপৰ হব লাগে আৰু সজাগ হৈ

থাকিব লাগে তেতিয়াহে আমাৰ দুখীয়া খেতিয়ক শ্ৰেণীক অনাগত বিপদৰ পৰা ৰক্ষা কৰিব পৰা যাব। ইয়াত যি সকল গ্ৰাম সেৱক, তাৰ পাছত চৰকাৰী সকলো শ্ৰেণীৰ কৰ্ম্মচাৰী আৰু ওপৰ থাপৰ বিষয়া সকলো শ্ৰেণীৰ কৰ্ম্মচাৰীয়ে অধিক মনোযোগীতাৰে কাম কৰিব লাগিব।

ৰবি শস্যৰ আঁচনিৰ বাবে যি টকা দিছে সেই টকা আদায় কৰাৰ ব্যৱস্থা কৰিব লাগে। এই টকা বিষয়া সকলে আদায় কৰিব নোৱাৰিলে তেওঁলোকৰ পৰা আদায় কৰিব লাগে। তাক নকৰিলে কৃষকসকলৰ পৰা টকা ঘুৰাই আনিব নোৱাৰিব।

কৃষক সকলৰ যি বিলাক উৎপাদিত বস্তু সেই বিলাকৰ উচিত মূল্য তেওঁলোকে নাপায়। কাৰণ সেই উৎপাদিত বস্তু বেচিবৰ কাৰণে গাৱত সুবিধা নাই। সেই বিলাক বস্তু চৰকাৰে উচিত মূল্যত খেতিয়কৰ পৰা কিনিব লাগে। আনহাতে যিবিলাক বস্তু কিনিব লাগে সেইবিলাক বস্তুৰ দাম তেওঁলোকে উপাৰ্জন কৰা বস্তুতকৈ বহু বেচি দামত কিনিব লাগে। আমাৰ মাৰ্কে টিঙৰ ব্যৱস্থা কৰা হৈছে কিন্তু তেওঁলোকে সময় মতে ধান নিকিনে। ফলত এই ধান ধনী মানুহ বিলাকে কিনি লৈ যায়। বাৰিষা সময়ত দুখীয়া মানুহ বিলাকে এই ধান দুগুন দাম দি কিনিব লাগে। সেই কাৰণে মই কৈছো মাৰ্কেটিং বিলাকৰ একোটা ভৰাল গাওঁ অঞ্চলত থাকিব লাগে। তেতিয়া হলে খাব নোৱাৰা অৱস্থাত সেই ভৰালৰ পৰা ৰাইজক ধান দিব পাৰিব। এই ব্যৱস্থাটো কৰিব লাগে। ঢেকীয়া-জুলীৰ পৰা মঙ্গলদৈলৈ কোনো কৃষি বিষয়া বা গ্ৰাম সেৱক নাযায়। মিয়া ভাই সকলক গাৱত নি থলে ভাল কাম হলহেতেন। পানীৰ কাৰণে যাতে ভেকুলীৰ বিয়া পাতিব নালাগে তাৰ ব্যৱস্থা কৰিব লাগে। আজি দুই তিনি বছৰ আগতে কৃষি বিষয়া আৰু মন্ত্ৰীয়ে নিজে গৈ পানীৰ হাহাকাৰ অৱস্থা চাই আহিছিল। আজিলৈকে পানী যোগানৰ ব্যৱস্থা কৰিব পৰা নাই। তাৰ বাবে টেণ্ডাৰ কল কৰা হল ৰাইজেও বাট চাই আছে, বেলেগ ঠাইত স্বাৰ্থৰ খাতিৰত সেই কাম কৰিলে যত পানী যোগানৰ আঁচনি ব্যৰ্থ হৈ আছে। বৈদ্যুতি-কৰণৰ ক্ষেত্ৰত মই কওঁ যে মোৰ অঞ্চলত বিজুলী বাতি যোৱা নাই। গাওঁ বিলাকত বিজুলী যোগানৰ খৰতকীয়া ব্যৱস্থা লব লাগে। আমি টাউনলৈ চাকৰি বিচাৰি অহা ডেকা লৰা বিলাকক কৈছো গাৱলৈ উভতি যোৱা। এইসকলক মাটি

বাৰি দি খেতি বাতিৰ উন্নতি সাধন কৰিব পাৰে। এই খিনিকে কৈ মই কৰ্তন প্ৰস্তাবটো সমৰ্থন কৰিলো।

শ্ৰীপ্ৰেমধৰ বৰা : মাননীয় উপাধ্যক্ষ মহোদয়, কৰ্তন প্ৰস্তাবটো সমৰ্থন কৰি কৃষি ক্ষেত্ৰত কেইটামান পৰামৰ্শ আগবঢ়ালো। আমাৰ কৃষি বিভাগটো ওপৰত আছে তলত নাই। আমাৰ কৃষি বিশ্ববিদ্যালয় হৈছে কৃষি কলেজ আৰু কৃষি স্কুল নাই। আচলতে হাইস্কুল হলে কলেজ হয় আৰু কলেজ হলে বিশ্ববিদ্যালয় হয়। আমাৰ কৃষিৰ ক্ষেত্ৰত সেইটো হোৱা নাই। কৃষিৰ উন্নতিৰ কাৰণে প্ৰতি মহকুমাত একোখন কৃষি বিদ্যালয় স্থাপন কৰা হওঁক। ২য় কথা যে আমাৰ যিটো যুগ আহিছে সেই যুগত আমাৰ শিক্ষাৰ এটা গঠনমূলক দৃষ্টিভঙ্গি আগত ৰাখি উৎপাদন মূখী আঁচনি গ্ৰহন কৰি যিবিলাক হাইস্কুল আৰু কলেজত মাটি আছে তাত একোখন ফলমুলৰ বাগান কৰা হওঁক। তেতিয়াহলে দুটা উদ্দেশ্য সাধিত হব। কন কন লৰা ছোৱালী বিলাকে শ্ৰমৰ মৰ্য্যদা বুজি পাব আৰু লগতে স্কুল কলেজৰ ফলমূলৰ বাগানত জিৰণি সময়ত সেই সময় চোৰাত কটাব পাৰে। সেই হিচাবে মই পৰামৰ্শ দিছো যিমান বিলাক স্কুল কলেজত মাটি আছে তাত অনতিপলমে ফলমূলৰ বাগান কৰা হওক। তৃতীয় কথা হল দুখীয়া খেতিয়ক সকলক বচাবৰ কাৰণে একোটা চৰকাৰী ভৰাল খোলা হওঁক। কাৰণ দুখীয়া খেতিয়কসকলে অভাবৰ তাড়নাত পৰি কেচা ধান কাটি আনি বিক্ৰি কৰে। সেই ধান দুই তিনিমাহ পিচত বিক্ৰি কৰা হলে উচিত মূল্য পালেহেতেন। তেওঁলোকক আগধন দি এই চৰকাৰী গুদামত সেই ধান জমা কৰি ৰাখিব পাৰে। তেতিয়াহলে খেতিয়ক সকলক শতকৰা ২৫ ভাগ সহায় কৰা হব। গতিকে পানী যোগান আৰু উন্নত ধৰণৰ সঁচ দিয়াৰ ওপৰিও এই ব্যৱস্থা কৰিব লাগে। ইয়াৰ বাহিৰেও আমাৰ খেতিয়ক সকলক পোক মাৰিবৰ বাবে ঔষধ পাতিৰ দৰকাৰ। সেই কাৰণে মই পৰামৰ্শ আগবঢ়াইছো ৫-৬ হেজাৰ জনসংখ্যাৰ মুৰে মুৰে একোখন কৃষি কেন্দ্ৰ স্থাপন কৰা হওঁক। এই কেন্দ্ৰই উন্নত ধৰণৰ বীজ দৰব পাতি আৰু পৰামৰ্শ আদি দিব পাৰিব। তাৰ পিচত আমাৰ জিলা বিলাকত বহুত কৃষি বিষয়াক যন্ত্ৰ-পাতি বেয়া হৈ পৰি থাকে। তাক ভাল কৰিবৰ কাৰণে কাৰখানা নাই বা মেকানিক নাই। গতিকে উন্নত ধৰণৰ যন্ত্ৰ-পাতি থকা স্বত্বেও কৃষকে ফল ভোগ কৰিব পৰা নাই।

কৃষিৰ চাহিদালৈ লক্ষ ৰাখি কৃষিৰ সজুলি বিলাক মেৰামত কৰিবৰ কাৰণে ঠায়ে ঠায়ে কিছুমান কাৰখানা আদি আমাৰ চৰকাৰে প্ৰতিষ্ঠা কৰিব লাগে। যিহেতুকে আমাৰ মানুহ আধুনিক শিক্ষা পদ্ধতিৰে আগবাঢ়িছে, ট্ৰেক্টৰ আদিৰ ব্যৱহাৰ কৰিবলৈ শিকিছে, পাৱাৰ টিলাৰ আহিছে, পোকমৰা যন্ত্ৰ-পাতিকে আদি কৰি খেতিৰ যাৱতীয় সকলো আধুনিক যন্ত্ৰপাতিকেই যেতিয়া আমাৰ ৰাইজে ব্যৱহাৰ কৰিবলৈ শিকিছে তেনেস্থলত এই যন্ত্ৰপাতিবোৰ বেয়া হলে বা যান্ত্ৰিক বিজুটি হলে সেইবোৰ ভাল কৰিবৰ কাৰণে 'ওৱৰ্কশ্বপ' আদি প্ৰতিষ্ঠা কৰাৰো অতি প্ৰয়োজনীয় হৈ পৰিছে। তাতোকৈ ডাঙৰ কথা হৈছে যে, আমাৰ খেতিয়ক সকলে ইমান কষ্ট কৰি খেতি বাতি আদি কৰে কিন্তু তেওঁলোকে উৎপাদন কৰা ধান খিনিৰ দাম যিমান পাব লাগে সিমান নেপায় আৰু ইপিনে খেতিয়কে কিনিব লগা প্ৰয়োজনীয় জিনিষ-পত্ৰ আদিও অগ্নিমূল্যত কিনি খাব লগা হয়। আজি চৰকাৰে আমাৰ খেতিয়কসকলে উংপাদন কৰা ধানৰ দাম বান্ধি দিছে কিন্তু অন্যহাতেদি নিত্যব্যৱহাৰ্য্য বস্তু যেনে, আটা, ময়দা, দাইল, চেনি, চাহপাত আদিৰ দাম হলে বান্ধি দিয়াৰ কোনো নিয়ম নাই। আনকি কৃষকে পৰিশ্ৰম কৰি কৰা খেতিৰ ধানখিনিও কম দামত বেছিব লগা হয়। এই দুই বিপৰীত মূখী কাৰ্য্যৰ কাৰণেই আমাৰ খেতিয়কসকলৰ আৰ্থিক দুৰ্য্যোগ আহিছে। আজি যিসকলে গোটেই দেশখনকে আহাৰ যোগাৰ দিছে, যিসকলেই আজি আমাৰ দেশৰ অৰ্থনৈতিক বুনিয়াদ ৰচনা কৰিছে সেই সকলে উত্পাদন কৰা শস্য খিনি যদি নিয়ন্ত্ৰিত দৰত কিনি অনা হয় তেন্তে, এই লোকসকলৰ দৈনন্দিন ব্যৱহাৰ্য্য বস্তুবিলাকো কণ্ট্ৰল দৰত কিনাৰ স্থবিধা কৰি দিয়াটো এই চৰকাৰৰ নৈতিক কৰ্ত্তব্য। আশাকৰো আমাৰ চৰকাৰে খেতিয়ক সকলৰ কাৰণে এইখিনি কৰিব।

ইয়াৰ বাহিৰেও আমাৰ খেতিয়ক সকলৰ ধান আমাৰ চৰকাৰে কিনাত এটা বিৰাট বৈষম্যমূলক নীতি লোৱা দেখা যায়। উদাহৰণ স্বৰূপে ধৰক আজি নগাওঁ জিলাত ধানৰ মূল্য যিটো দৰং জিলা, লক্ষীমপুৰ বা অসমৰ অন্যান্য জেগাত সেইটো নহয়। দুয়ো ঠাইৰে লগত বহুত প্ৰাৰ্থক্য আছে। চৰকাৰে এই বৈষম্যমূলক নীতিৰ আমূল পৰিবৰ্ত্তন কৰিব লাগে। থুল-মূলকৈ মই এই খিনিকে পৰামৰ্শ আগবঢ়াই এই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰিলোঁ।

*শ্ৰীতুলাল চন্দ্ৰ বৰুৱা : মাননীয় উপাধ্যক্ষ মহোদয়, কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি মই এই সদনত দুআষাৰ মান কথা কবলৈ উঠিলো।

আজি আমাৰ দেশখন এখন কৃষিপ্ৰধান দেশ। যদি আজি আমি এই কৃষি-প্ৰধান দেশখনৰ ফালে লক্ষ কৰো তেতিয়াহলে দেখা পাম যে, কৃষিপ্ৰধান দেশ হিচাবে আমাৰ গ্ৰাম্য অঞ্চলৰ আৰ্থিক মানদণ্ড যি ভাৱে উন্নত হব লাগিছিল সেই ভাৱে উন্নত হোৱা নাইকীয়া। ইয়াৰ আচল কথা হৈছে এইটোৱেই যে, যদিও আজি আমি দেশখনে গ্ৰহণ কৰা নানান আঁচনি আদিৰ কথা কৈছো, পঞ্চবাৰ্ষিক পৰিকল্পনাৰ কথা কৈছো, দেশখনৰ ভবিষ্যৎ অৰ্থনৈতিক মানদণ্ড উন্নত কৰাৰ কথা কৈছো, কিন্তু প্ৰকৃততে এই আচনি সমূহে গাওঁ অঞ্চলত বসবাস কৰা আমাৰ হাজাৰ কৃষক সকলক স্পৰ্শ নকৰেগৈয়ে। সৌ সিদিনা আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই যিথিনি কথা তেখেতৰ বাজেট বক্তৃতাত কৈছে তাৰ কোনো প্ৰমাণ আমি পোৱা নাইকীয়া। আজি চতুৰ্থ পৰিকল্পনা শেষ হৈ পঞ্চবাৰ্ষিক পৰিকল্পনাত সোমালহি। দেশে স্বাধীনতা লাভ কৰাৰো আজি ২৬ বছৰ হল, সৌ সিদিনা স্বাধীনতাৰ ৰূপালী জয়ন্তীও পালন কৰিলো। কিন্তু তাৰ ক্ষীণ আভাও হলে আমাৰ জাতিৰ তথা দেশৰ অৰ্থনৈতিক মেৰুদণ্ডস্বৰূপ আমাৰ খেতিয়ক সকলৰ ওচৰত নপৰিলগৈ। আজি ডাঙৰ ডাঙৰ জলসিঞ্চনৰ কথা কোৱা হৈছে। ইতিমধ্যেই আমি শুনিবলৈ পোৱা মতে দেশখনৰ 'জলসিঞ্চন ব্যৱস্থা'ৰ উন্নতি সাধন কৰিবলৈ হেনো বাহিৰৰ পৰা এজন অবসৰ প্ৰাপ্ত বিশেষজ্ঞ আনিব। আমাৰ দেশতটো তেনেকুৱা বিশেষজ্ঞ নাইকীয়া হল। গতিকে বাহিৰৰ পৰাই আনিব লগা হল। কিন্তু যিমানেই যি নকৰক লাগিলে আছে যদি ইউ. এন, অ'ৰ পৰাও যদি বিশেষজ্ঞ আনি আঁচনি কৰেহি তথাপিও সেই আঁচনিৰ দ্বাৰা আমাৰ দেশৰ অৰ্থনৈতিক মানদণ্ডৰ কোনো উন্নতি সাধন হব নোৱাৰে যদিহে কাৰ্য্যত: সেই আচনিখনৰ মূলবস্তুটো আমাৰ গাওঁ অঞ্চলত বসবাস কৰা লোকসকলৰ ওচৰলৈ নিব নোৱাৰি। আমি হিচাপ কৰি দেখিছোঁ যে, আমাৰ দেশৰ কৃষক সকলৰ আৰ্থিক অৱস্থা পানীত হাহঁ নচৰা হৈছে আৰু তেওঁলোকৰ যে কোনো উন্নতি হোৱা নাই সেইটো আমাৰ হাতত থকা তথ্য-পাতিবোৰৰ পৰাই ভালদৰে প্ৰমাণ কৰিব পাৰি।

মাননীয় উপাধ্যক্ষ মহোদয়, আজি আমাৰ অসমত শতকৰা ৮৫ জনেই

*Speech not corrected

খেতিয়ক মানুহ। এই শতকৰা ৮৫ জন খেতিয়কৰ ভিতৰত আমাৰ মাটি আছে বাৰ দশমিক দুই মিলিয়ন হেক্টৰ। ইয়াৰে ২.৮৭ মিলিয়ন হেক্টৰৰ প্ৰায় ২৩.৬ মিলিয়ন হেক্টৰ আমাৰ খেতিৰ উপযোগী মাটি। কিন্তু আজিলৈকে ইয়াৰ ভিতৰত শতকৰা ২.৮১ মিলিয়ন হেক্টৰহে আমি খেতিয়কৰ উপযোগী কৰিব পাৰিছোঁ। বাকী বিলাক কৃষকৰ উপযোগী হৈ থকা স্বত্বেও হয়তো আবাদী হৈ পৰি আছে, নহয় কোনোবাই বলাত্‌কাৰ কৰি বহিগৈছে, নহয় অন্য কোনোবা মানুহৰ বসবাসৰ স্থান হৈ পৰিছে। আজি কৃষিপ্ৰধান দেশ হিচাবে আমাৰ প্ৰধান আৰু প্ৰধান উদ্দেশ্য হোৱা উচিত আছিল সকলো ফালৰ পৰাই কৃষিৰ ক্ষেত্ৰত বিশেষ জোৰ দিয়া হয়। যদি চৰকাৰে ভাৱে যে কৃষিৰ ক্ষেত্ৰত আমি কৃষকক আধুনিক আহিলা-পাতিৰে আধুনীকৰণ নকৰোঁ, কৃষিৰ ক্ষেত্ৰত জোৰ নিদিওঁ, বা কৃষিৰ ক্ষেত্ৰত সকলো ফালৰ পৰা উৎসাহ উদ্দীপনা আৰু সহায় সহানুভূতি আগনবহোৱাকৈয়ে আমাৰ কৃষিৰ উন্নতি সাধন হব তেনেহলে, কেতিয়াও আমাৰ দেশৰ আৰ্থিক মানদণ্ড উন্নত হব নোৱাৰে।

মাননীয় উপাধ্যক্ষ মহোদয়, আজি হয়তো আমাৰ কৃষি মন্ত্ৰী ডাঙৰীয়াই আমাক হয়তো কব পাৰে যে, আমাৰ দেশৰ কৃষিৰ যথেষ্ট উন্নতি সাধন হৈছে আৰু যথেষ্ট উৎপাদনো বাঢ়িছে। কিন্তু সেই সকলো কথা আমাৰ হাতত থকা কাগজে-কলমে আৰু তথ্যই ভুল বুলি প্ৰমাণ কৰিব। উদাহৰণ স্বৰূপে মই এইখিনিতে কওঁ যে যোৱা মাহত যোৰহাট ডি, চি, অফিচত এখন মিটিং হৈছিল কেনেকৈ ৰবিশস্য সম্পৰ্কে টকা-পইছা কেনেকৈ উঠোৱা হব সেই সম্পৰ্কে আলোচনা আদি কৰিবলৈ। আগতে আলোচনা বিলোচনা আদি হৈ যোৱাৰ পিছত আমি উপস্থিত হৈ হিচাব আদি বিচৰাত তাত দেখুৱালে যে, গোটেই শিৱসাগৰ জিলাত সমানে ঘেহুৰ উৎপাদন হৈছে। প্ৰকৃততে মাজুলী মহকুমাতেই সকলোতকৈ উৎপাদন বেছি হৈছে কিন্তু তাকে দাটা উলিয়াই গোটেই শিৱসাগৰ জিলাৰ ডেভলেপমেণ্ট ব্লকবিলাকতেই ঘেহুৰ উৎপাদন সমান হৈছে বুলি দেখুউৱা হৈছে। মই এই সদনৰ মাননীয় সদস্য সকলৰ জ্ঞাতাৰ্থে এই কথাই কবপাৰো যে মাজুলীৰ বাহিৰে যোৰহাটৰ কতো এমুঠিও ঘেহু সচ নাই। যোৰহাটৰ ব্লকত যিবিলাক ঘেহু কঠিয়া বিতৰণ কৰা হৈছিল সেইবিলাকৰ এটাও নগজিল। ফলত চৰকাৰে যিবিলাক পা-পইছা আদি দিছিল সেইবিলাক ঘুৰাই দিবলৈ তাৰ লোক সকল অমান্তি হৈছে। এই বিলাক কথা শুনি ডি, চি, আৰু মই গৈ নিজে তদন্ত কৰি

